# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## BUDGET SESSION

## NO. 4

**THE 6th MARCH, 2002**

PRICE: Rs. 36.35

# CONTENTS

## BUDGET SESSION

## NO. 4

***Dated, the 6th MARCH, 2002***


| | | Page |
|---|---|---|
| 1. | *Questions and Answers* | *1* |
| 2. | *Point of Order* | *58* |
| 3. | *Report of the Bussiness Advisory Committee* | *59* |
| 4. | *Voting on Supplimentary Demands for Grants.* | *60* |
| 5. | *Introduction Consideration and Passing of the Assam Appropriation (No.1) Bill,2002.* | *103* |
| 6. | *Adjournment.* | *105* |
| 7. | *Annexure 1-VI* | *106* |

# Debates of the Assam Legislative Assembly

**Wednesday, the 6th March, 2002.**

**The House met at 9 A.M. of the clock in the Assembly Chamber, at Dispur with Shri Prithibi Majhi, Speaker in the chair.**

## STARRED QUESTIONS & ANSWERS

## (To which oral replies were given)

**Mr. Speaker :** Now, starred question No. 41, Hon,ble Member Shri Jagadish Bhuyan to reply.

**বিষয় ঃ সমাজ কল্যাণ বিভাগলৈ টকা।**

**শ্ৰী জগদীশ ভূঞা ই সুধিছে,**

* ৪১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০০১ চনৰ মাৰ্চৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা সমাজ কল্যাণ বিভাগে কি কি শিতানৰ বাবে মুঠ কিমান টকা লাভ কৰিছে? (শিতান ভিত্তিত তালিকা দিব)

(খ) উক্ত টকা কি কি আচঁনিৰ বিপৰীতে কোন কোন জিলাত ব্যয় কৰা হৈছে? (আচঁনি আৰু জিলা ভিত্তিত তালিকা সদনৰ মেজত দিব)

(গ) অসমত মুঠ কিমানটা সংহত শিশু উন্নয়ণ প্ৰকল্প (ICDS) চলি আছে?

(ঘ) উল্লেখিত সময়ছোৱাত উক্ত প্ৰকল্প সমূহে কিমান টকা আৰু কিমান খাদ্য সামগ্ৰীকে ধৰি অন্যান্য সামগ্ৰী লাভ কৰিছে?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) ২০০১ চনৰ মাৰ্চ মাহৰ পৰা ২০০২ চনৰ ফেব্ৰুৱাৰী মাহলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা সমাজ কল্যাণ বিভাগে বিভিন্ন শিতানৰ বাবে লাভ কৰা মুঠ ধন ১০০,২৭,৪৭,০০০ টকা (এশ কোটি সাতাইশ লাখ সাতচল্লিশ হাজাৰ টকা) বিতং বিৱৰণ তলত দিয়া হ'ল ঃ-

| | | |
|---|---|---|
| ১) সংহত শিশু উন্নয়ণ আঁচনি (ICDS Scheme) | - ৫২.৭৫,৮০০০০ | টকা |
| ২) প্ৰধান মন্ত্ৰী গ্ৰামোন্নয়ণ যোজনা (PMGY) | - ৩০,১৭,০০০০০ | টকা |
| ৩) 'উদীশা' (UDISHA) | - ১,১৭,০০০০০ | টকা |
| ৪) বালিকা সমৃদ্ধি যোজনা (BSY) | - ১.০৫,০০০০০ | টকা |
| ৫) সংহত মহিলা সবলীকৰণ যোজনা (IWEP) | - ৭,৬৮,০০০ | টকা |
| ৬) ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য কাৰ্য্যক্ৰম (NASP) | - ১৫,০৪,৯৯০০০ | টকা |
| **সৰ্বমুঠ** | **-১০০,২৭,,৪৭,০০০** | **টকা** |

(খ) উক্ত টকা ওপৰত উল্লেখ কৰা কেন্দ্ৰীয় চৰকাৰৰ আচঁনিৰ বিপৰীতে খৰছ কৰা হৈছে।

(জিলা ভিত্তিত খৰচৰ খতিয়ান বিচৰা হৈছে। তথ্য পালে সদনক জনোৱা হ'ব)

(গ) ১৯৬ টা।

(ঘ) উল্লেখিত সময়ছোৱাত উক্ত প্ৰকল্প সমূহৰ বাবে মুঠ ২৯৭৪.০০ লাখ টকাৰ খাদ্য সামগ্ৰী আৰু সাত কোটি আশী লাখ টকাৰ অন্যান্য সামগ্ৰী যথাক্ৰমে AGMC Ltd. আৰু ASIDC জৰিয়তে ক্ৰয় কৰি বিতৰণ কৰা হৈছে।

* **শ্ৰী জগদীশ ভূঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'খ' প্ৰশ্নৰ উত্তৰ অসম্পূৰ্ণ হৈ আছে। উক্ত প্ৰশ্নটোৰ উত্তৰত মাননীয় মন্ত্ৰী গৰাকীয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ আচঁনিৰ বিপৰীতে টকা খৰছ কৰা হৈছে। (জিলা ভিত্তিত খৰচৰ খতিয়ান বিচৰা হৈছে। তথ্য পালে জনোৱা হ'ব)।

মাননীয় অধ্যক্ষ মহোদয়, জিলা ভিত্তিত তথ্য আহি নোপোৱাটো বৰ দূৰ্ভাগ্যৰ কথা। এইখিনিতে মই এটা কথা জানিব বিচাৰিছো কেন্দ্ৰীয় চৰকাৰৰ আচঁনিমতে অসমত ১৯৬ টা প্ৰকল্প (আই চি ডি এচ) চলি আছে বুলি মন্ত্ৰী মহোদয়ে জনাইছে। কেন্দ্ৰীয় চৰকাৰে যি কেইটা প্ৰকল্প অনুমোদন কৰিছিল সেই কেইটাৰ ভিতৰত এই ১৯৬ টা প্ৰকল্প সন্নিবিষ্ট হৈ আছে নে নাই?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ প্ৰশ্নৰ উত্তৰত মই ক'ব বিচাৰিছো যে, মাননীয় সদস্য গৰাকীয়ে কৈছে স্পেচিফিক কোন কোন জিলাত আছে। আচলতে সেইটো নহয়। আমি কাম আৰম্ভ কৰিছোহে। ১৯৮৯ ৰ পৰা

* Speach not corrected

কাম বাকী পৰি আছে। বস্তুবোৰ চাপ্লাই দিয়া হৈছে যেতিয়া তেখেতৰ জিলালৈ বস্তুবোৰ গৈ আছে। ১০৭ টা প্ৰকল্পৰ কাৰণে টকা চেংচন হোৱাত সেইকেইটাৰ কাম চালু হৈছে। য'ত ১০০ শতাংশ কাম হোৱা নাই এই মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰি দিয়া হ'ব।

* **শ্ৰী জগদীশ ভূএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৬ টা প্ৰকল্পৰ ভিতৰত পুৰণা প্ৰকল্প কিমান আছে?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পুৰণা প্ৰকল্প ১০৭ টা বাকী কেইটা মানে ৮৯ টা নতুন আছে।

* **শ্ৰী জগদীশ ভূএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন প্ৰকল্প কেইটা কাৰ্য্যকৰী কৰিবৰ বাবে কিমান বাকী আছে?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই কেইটা প্ৰকল্পৰ কাম কৰিবৰ বাবে সময় লাগিব। তাত শতকৰা ১০০ ভাগেই কাম হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ ইলেকচনৰ আগতে কিছুমানত হৈ গৈছে। কিছুমানত ৰাতাৰাতি কৰিছে আৰু কিছুমানত কৰিব পৰা নাই। অসম গণ পৰিষদৰ সদস্য সকলক জনাওঁ যে যিবিলাকত কাম আধৰুৱা হৈ আছে সেইবিলাকত এই মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰি দিয়া হ'ব।

* **শ্ৰী জগদীশ ভূএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কিছুদিন ধৰি বাতৰি কাকতত প্ৰকাশ পাইছে যে অঙ্গণবাদী সহায়িকা মানে নিম্নতম চাকৰিত নিযুক্তি পাবৰ বাবে পইচাৰ লেনদেন চলিছে। এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা ল'ব? অঙ্গণবাদী সহায়িকাৰ কাৰণে ৪ হেজাৰ, ৫ হেজাৰ টকাকৈ লেনদেন চলিছে।

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনি সত্য। বাতৰি কাকতত এইটো ওলাইছে। সেইকাৰণে এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলক সতৰ্ক কৰি দিছো। এইটো এটা টেনডেনচি। এইটো আজি নহয় পৰম্পৰাভাৱে চলি আহিছে।

* **শ্ৰী আলী আকবৰ মিএগ্ৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক চলিয়ে থাকিব নেকি?

* **শ্ৰী গৌতম ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ সকলোৰে দায়িত্ব আছে। বি, জে, পিৰ দায়িত্ব দিছো। এটা চেন্টাৰত এজন মহিলাক নিযুক্তি দিব লাগে যদিও তাত ৫০ জনলৈকে আহি যায়। কোনোবাই আহি কয় এই চাকৰিটো হ'লে মোৰ ছোৱালী বিয়া হৈ যাব।

---

* Speach not corrected

মাননীয় অধ্যক্ষ মহোদয়, সেইকাৰণে মই আমাৰ মাননীয় সদস্য জগদীশ ভূএগ্রক কৈছো এই টেনডেনচিটো বন্ধ কৰিব লাগিব।

* **শ্রী জগদীশ ভূএগ্র ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ৰ চিন্তাধাৰাক মই ধন্যবাদ জনাইছো। মোৰ সমষ্টি চৈখোৱা আৰু কাকপথাৰত প্রকল্পৰ কাম হোৱা নাই। চৈখোৱা অঙ্গণবাদী সহায়িকা পদত নিযুক্তিৰ বাবদ পইচা পাতি লৈছে। সেইবিলাক তদন্ত কৰিব বুলি মই আশা ৰাখিছো।

* **শ্রী গৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যদি স্পেচিফিক তথ্য আমাক দিব পাৰে তেতিয়া হ'লে আমি নিশ্চয় ব্যৱস্থা লম।

* **শ্রী যোচেফ তপ্পু ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা প্রশ্ন কৰিব বিচাৰিছো মই ৰাইজৰ দ্বাৰা নিৰ্বাচিত এজন প্রতিনিধি। ডিষ্ট্রিক ওৱেলফেয়াৰ চ'চাইটিৰ চেয়াৰমেন কৰি বৰাদেৰক যেনেকৈ দিছে মোকো দিব লাগে। কাৰণ মইও এজন সদস্য। এনেধৰণৰ বিষয়বাব পাম বুলি আশা ৰাখিছো। যিহেতু গাইড লাইনত আছে।

* **শ্রী গৌতম ৰয় (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নিজে ব্যক্ত কৰিছে যে তেখেতক জিলা সমাজ কল্যাণৰ চেয়াৰমেনৰ পদ লাগে। গতিকে তেখেতক দিয়া হ'ব।

## বিষয় ঃ সংহত শিশু উন্নয়ণ আঁচনি।

**শ্রী শুকুৰ আলী আহমেদে সুধিছে ঃ**

* ৪২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত কিমানখন উন্নয়ন খণ্ড সংহত শিশু উন্নয়ণ আঁচনিৰ অধীনত সামৰি লোৱা হৈছে?

(খ) উক্ত আঁচনিৰ অধীনত সামৰি ল'বলৈ এতিয়া কিমানখন উন্নয়ন খণ্ড বাকী আছে?

(গ) উক্ত আঁচনিৰ অধীনত বাকী থকা উন্নয়ণ খণ্ডবিলাক সামৰি ল'বলৈ চৰকাৰে কি ব্যৱস্থা লৈছে?

**শ্রী গৌতম ৰয় (সমাজ কল্যাণ মন্ত্রী) য়ে উত্তৰ দিছে,**

(ক) ১৯৬ খন।

(খ) ২৩ খন।

---

* Speach not corrected

(গ) কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

* **শ্ৰী শুকুৰ আলী আহমেদ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে অসমত উন্নয়ন খণ্ড সংহত শিশু উন্নয়ণ আঁচনিৰ অধীনত ১৯৬ খন আঁচনি চলি আছে আৰু উক্ত আঁচনিৰ অধীনত এতিয়াও সামৰি ল'বলৈ বাকী আছে ২৩ খন। উক্ত আঁচনিৰ অধীনত বাকী থকা উন্নয়ন খণ্ড বিলাক সামৰি লোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে বুলি মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে। মোৰ প্ৰশ্নটো হৈছে কিমান দিনৰ ভিতৰত বাকী থকা উন্নয়ন খণ্ডবিলাক সামৰি লোৱা হ'ব আৰু তাক কাৰ্য্যকৰী কৰিবলৈ মুকলি কৰি দিব পৰা হ'ব।

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিমান সোনকালে পৰা যায় সেইটো আমি সামৰি ল'বলৈ যত্ন কৰিছো, এই ক্ষেত্ৰত আপোনালোকক অনুৰোধ কৰিছো আপোনালোকে সহায় -সহযোগ আগবঢ়াব।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে উন্নয়নখণ্ড সংহত শিশু উন্নয়ন আঁচনিৰ অধীনত সামৰি ল'বলৈ এতিয়াও ২৩ খন উন্নয়নখণ্ড বাকী আছে। মই জানিব বিচাৰিছো আমাৰ এটা সমষ্টি আছে তাত ৩ খন উন্নয়ন খণ্ড সামৰি লোৱা হৈছে নেকি? কিয়নো চন্দ্ৰপুৰ আৰু কৰৰা ইয়াৰ আধা অংশ মাননীয় সদস্য ৰবীন বৰদলৈ ডাঙৰীয়াৰ সমষ্টিৰ ভিতৰত পৰে আৰু আধা মোৰ সমষ্টিত পৰে। গতিকে তাত দুটা উন্নয়ন খণ্ড হ'ব লাগে। গুৱাহাটী মহানগৰীত ৬০ টা ৱাৰ্ড আছে। তেনে ক্ষেত্ৰত ৬০ টা আই, চি, ডি, এচ বঢ়াব পাৰিব নেকি? আমি জানো এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ কিমানখিনি সদিচ্ছা আছে তাৰ ওপৰত নিৰ্ভৰ কৰিব।

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এই বিষয়টো নকলেও হ'লহেতেন, তেখেতৰ মোৰ লগত হট লাইন আছে মোক অফিচতে ক'ব পাৰিলেহেতেন তথাপিতো যেতিয়া কৈছে আজি আবেলি আহি আলোচনা কৰি আমি ঠিক কৰি কম।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** সদনত কোৱাৰ কাৰণ হ'ল ইয়াত বিষয়াসকল উপস্থিত আছে।

* **শ্ৰী আব্দুল জব্বৰ ঃ** আই, চি, ডি, এচ যিবিলাক উন্নয়ন খণ্ড আছে সেইবিলাকত সমষ্টিৰ এম, এল, এ থকা স্বত্বেও নন এম, এল, এক দিয়া হৈছে। সমষ্টিৰ এম, এল, এ সকলক এই উন্নয়ন খণ্ড সমূহত চেয়াৰমেনচিপ দিয়া হ'ব নেকি?

* **শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ** এই নিয়মটো তেখেত সকলৰ পৰাই শিকিছো। সমষ্টিৰ এম, এল, এ সকলকে মেম্বৰ হিচাবে দিয়াৰ কাৰণে ব্যৱস্থা কৰিম।

---

* Speach not corrected

* শ্ৰী আব্দুল জব্বৰ ঃ আপোনালোকে আমাৰ পৰা কিয় শিকে? আমাৰ পৰা কোনো সভাপতি দিয়া হোৱা নাই।

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ স্পেচিফিক কিবা থাকিলে সেইটো লিখি দিলে নিশ্চয় চোৱা হ'ব।

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যে অঙ্গনবাদী কৰ্মী আৰু অকৰ্মীক নিযুক্তি হোৱা নাই, তদৰ্থ ভিত্তিত বা এড হক বেচিচত নিযুক্তি দিয়াৰ ব্যৱস্থা হৈছে নেকি?

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ নাই হোৱা, যদি কৰবাত হৈছে সেইটো আমি নিশ্চয় চাম।

* শ্ৰী ওৱাজেদ আলী চৌধুৰী ঃ গৌৰীপুৰ সমষ্টিত আই, চি, ডি, এচত এড্-হক বেচিচত হৈছে।

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ যদি হৈছে, এইটো চাই ব্যৱস্থা লোৱা হ'ব।

* শ্ৰী প্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ এটা গাইডলাইন আছে, সেইমতে ইন্টাৰভিউ লোৱাৰ পাচত যদি এইটো ভায়োলেট কৰে তেনে ক্ষেত্ৰত সেইটো চাই-চিতি ৰেক্টিফাই কৰা হ'ব নে? বহুক্ষেত্ৰত দেখা যায় যে কেন্দ্ৰীয় চৰকাৰৰ নিযুক্তিৰ যিটো গাইড লাইন সেইটো ভায়োলেট কৰা হয়।

* শ্ৰী গৌতম ৰয় (মন্ত্ৰী) ঃ আমি গাইড লাইন ফলো নকৰাকৈ কোনো কাম নকৰো। যদি কৰবাত গাইড লাইন ভায়োলেট হৈছে সেইটো আমি চাম।

**Mr. Speaker :** Now, Starred Question No.43.

## Re : Allocation of Fund.

**Shri Karendra Basumatary asked,**

* 43. Will the Minister of Flood Control be pleased to state:

(a) Whether it is a fact that Mangaldoi E & D Division had received tender for Rs.32.00 lakhs (approx) on 25th June,2001 for the protection of No.5, 6 & 7 Dhansiri Villages from the erosion of Dhansiri river?

(b) If so, whether Govt. is taking step for the releases of fund for the above work?

(c) When the scheme will be implemented?

* Speach not corrected

**Shri Bharat Ch. Narah (Minister of Flood Control) replied,**

(a) Yes, Tender was called for Rs.24,22,500.00.

(b) Yes.

(c) The work will be implemented as soon as sanction to the scheme is received.

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় মন্ত্ৰী মহোদয়ে 'এ' প্ৰশ্নৰ উত্তৰত কৈছে যে মঙ্গলদৈ ই, এণ্ড ডি ডিভিজনৰ ধনশিৰী নদীৰ ৫, ৬, ৭ প্ৰটেকশ্যনৰ ২৪ লাখ টকাৰ টেণ্ডাৰ ২৫ জুন ২০০১ চন তাৰিখে দিয়া হৈছিল। এই সম্পৰ্কত মন্ত্ৰী মহোদয়ে উত্তৰ দিলে ভাল হয় কিয়নো টেণ্ডাৰ আছিল ৩২ লাখ টকাৰ। তাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰাও টকা অহা কথা আছিল।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, টেণ্ডাৰ দিয়া হৈছিল মাত্ৰ ২৪,২২,৫০০.০০ টকাৰ টেণ্ডাৰ দিয়া হৈছিল। আচলতে এই প্ৰজেক্টটোৰ কাৰণে মাত্ৰ ৩৫ লাখ ৮৫ হাজাৰ টকাহে প্ৰয়োজন।

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মঙ্গলদৈ চাব ডিভিজনত কুকুৰভিথা টাংৰী, সাউদৰ ভিঠা হৈ গৈ বৌতা নৈ ধনশিৰী নৈৰ লগত মিলিত হৈছে। গতিকে তাত যিখিনি আদিবাসী আছে তেওঁলোকৰ অৱস্থা তেনেই শোচনীয়। তাত মথাউৰিৰ কাৰণে ১০ কোটি টকা এপ্ৰোভেল হৈ আছে বুলি গম পোৱা গৈছে কিন্তু কিয় এতিয়ালৈ কাম আৰম্ভ হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান মোৰ হাতত তথ্য পাতি নাই। যিটো স্পেচিফিক তথ্য পাতি পিচত দিব পাৰিম।

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তিনি কোটি টকাৰ এপ্ৰোভেল হৈ আছে। কিন্তু 'চি' প্ৰশ্নৰ উত্তৰত কৈছে যে - "The work will be implemented as soon as sanction to the scheme is received." কিন্তু আঁচনি চেংচন কেতিয়া হ'ব ৰিচিভ কৰিব কেতিয়া আৰু কেতিয়া কাম হ'ব? লোকেল মানুহখিনিয়ে যি বাহৰ প্ৰোটেকচন দিছিল আজিলৈ তাৰো এক পইচাও পোৱা নাই। এই সকলো বিলাক মে মাহৰ আগতে হ'লে ভাল হয়।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজহ মন্ত্ৰী বহিয়েই আছে। আমি অপেক্ষা কৰি আছো। ৰাজহ বিভাগৰ পৰা এপ্ৰোভেল পালেই আমি কামটো কৰিব পাৰিম।

* Speach not corrected

* **শ্ৰী হেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ধাৰাপুৰৰ মথাউৰীটোৰ বিষয়ে জানিব বিচাৰিছো। এই মথাউৰীটোৰ যি অংশ ভাঙি আছে সেই অংশ ভাঙি ভাঙি লাহে লাহে বিস্তীৰ্ণ জিলাৰ জিলাৰ সৃষ্টি কৰিব। ইঞ্জিনিয়াৰক বহুতবাৰ কোৱাৰ পাচতো কাম হাতত লোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো কামটো হ'ব নে নহয়?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** এতিয়া বেলেগ এটা প্ৰশ্ন চলি থকা সময়ত আপুনি গুৱাহাটীৰ কথা ক'লে। তথাপি মই আজিয়েই চেক্ৰেটাৰী আৰু চিফ ইঞ্জিনিয়াৰৰ লগত আলোচনা কৰিম।

* **শ্ৰী মতিন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়,২০০১-২০০২ এফ, ছি, জি কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** যোগাযোগ কৰিম। চাম।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত লিখিছে Tender called for Rs.24,22,500.00। মই জানিব বিচাৰিছো চেংচন নোহোৱাকৈ টেণ্ডাৰ কেনেকৈ কৰিলে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** ইন এন্টিচিপেচন তেনেকৈ কৰা হয়।

* **শ্ৰী বিশ্বজিৎ দৈমাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তামুলপুৰ সমষ্টিত পুঠিমাৰীৰ নৈৰ যিটো মথাউৰী কৰিববলৈ লোৱা হৈছে তাত কিমান টকা চেংচন হৈছে? তামুলপুৰত ই, এগু ডি ৰ কোনো ধৰণৰ অফিচ নথকাৰ কাৰণে আমি কোনো ধৰণৰ খবৰ নাপাও। তাৰ উপৰি সকলো কাম নলবাৰীৰ পৰা হয়। আৰু তেওঁলোকে লোকেল এম, এল এ ৰ লগত কোনো ধৰণৰ ডিচকাচন নকৰে। মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যে এই নাগ্ৰিজুলী প্ৰজেক্টৰ বাবদ কিমান টকা চেংচন হৈছে আৰু কিমান টকাৰ টেণ্ডাৰ দিয়া হৈছে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** নাগ্ৰীজুলিৰ নামত ৰাজহ বিভাগৰ পৰা এক কোটি টকা পাইছো আৰু তামুলপুৰত থকা মিলিটাৰী কেন্টনমেন্ট এটাই এই প্ৰজেক্টত যথেষ্ট সহায় কৰিছে। তেওঁলোকৰ সহায় সহযোগতেই কাম আৰম্ভ কৰা হৈছে। বিতং পিচত দিব পাৰিম।

* **শ্ৰী সৰ্ব্বানন্দ চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভবানীপুৰ সমষ্টিৰ পহুমৰা নদী ভাঙি গৈছে। এচটিমেট পঠোৱা হৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে জনাব নেকি?

* Speach not corrected

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী)** ঃ গড়াখহনীয়া হৈছে। বিত্তীয় নাটনী হৈছে। কাম আৰম্ভ কৰাৰ আলোচনা কৰি আছো।

**Mr. Speaker :** Now, starred question No. 44.

**বিষয় ঃ চাহ বাগিচাৰ সংখ্যা।**

**শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৪৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত বৰ্ত্তমান সৰ্বমুঠ কিমানখন চাহ বাগিছা আছে?

(সৰু ডাঙৰ চাহ বাগিছাৰ সংখ্যা উল্লেখ কৰিব)

(খ) উক্ত চাহ বাগান সমূহে মুঠ কিমান মাটি অধিগ্ৰহণ কৰি আছে?

(গ) অধিগ্ৰহণ কৰি থকা ভূমিৰ পৰা বছৰি সৰ্বমুঠ কিমান ৰাজহ আয় হয়?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) ৰাজ্যখনত ১০৮১ খন চাহ বাগিছা আছে, তাৰে ৬১৬ খন ডাঙৰ আৰু ৪৬৫ খন সৰু বাগিছা।

(খ) ২৬,৯৮,২৭৫ বিঘা ৩ কঠা ৫.৩০ লেচা মাটি চাহ বাগানৰ নিয়মীয়া দখলত আছে।

(গ) উক্ত মাটিৰ পৰা ৩,৩৯,৭৭,৩১৬.০৬ টকা বছৰি ৰাজহ আয় হয়।

* **শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ 'খ' ত কৈছে যে ২৬,৯৮,২৭৫ বিঘা ৩ কঠা ৫.৩০ লেচা মাটি চাহ বাগানৰ নিয়মীয়া দখলত আছে। অনিয়মীয়া দখলত থকাটোও সত্য। চাহ বাগিছা সমূহৰ যিমান মাটি অধিক ভাৱে লাগে সেইবিলাক মাটি অনিয়মীয়া ভাৱে দখল কৰাটো সত্য নেকি? এটা প্ৰশ্ন কৰিব খুজিছো যে চাহ উদ্যোগৰ আৰু আন উদ্যোগ সমূহৰ টেক্সৰ তাৰতম্য আছে নেকি?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী)** ঃ আমাৰ ৰাজ্যৰ সকলোৱে জানে যে চাহ বাগিচা সমূহে ৰেজিচট্ৰেচন নোহোৱা কৈ কিছু মাটি চাহ খেতি কৰি আছে। চাহ গছবোৰ ৰুই আছে এইটো সত্য। চাহ উদ্যোগ আৰু আন উদ্যোগৰ টেক্সৰ তাৰতম্য আছে।

* **শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত হিন্দুস্থান টি কৰপোৰেশ্বন আদি চাহ বাগানৰ গোষ্ঠী সমূহে প্ৰয়োজনতকৈ অধিক মাটি দখল কৰি আছে। সেই

* Speach not corrected

মাটি বিলাক দখল কৰি থকাৰ ফলত আমাৰ চৰকাৰ তথা নিবনুৱা সকলে ভোগ কৰিবলগীয়া হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা উপযুক্ত ব্যৱস্থা ল'ব নেকি অথবা চৰকাৰৰ ফালৰ পৰা এই দখল কৰা মাটি সমূহৰ ক্ষেত্ৰত নতুন ব্যৱস্থা ল'ব নেকি আমাক জনাব লাগে।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ে আমি ব্যৱস্থা লম আৰু তেওঁলোকে যিখিনি মাটি দখল কৰি আছে সেইখিনি ৰেগুলাৰাইজ কৰাৰ কথা চিন্তা কৰি আছে। তেওঁলোকে অনেক বছৰ ধৰি চাহ উৎপাদন কৰি আছে আৰু চেলটেক্স দি আছে। পেনাল্টিৰ বিষয়ে চিন্তা কৰা হৈছে আৰু সেইটো কৰা হ'ব।

* **শ্ৰী গুনিন হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, ভূমি ৰাজহ সম্পদ আহৰণৰ কাৰণে প্ৰয়োজন। সেই হিচাবে বাগান সমূহত তৌজি খাজনা লোৱাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰাজহ দি আছে, ৰাজহ বৃদ্ধিৰ কথা কোৱা হৈছে, প্ৰয়োজন সাপেক্ষে নিশ্চয় বৃদ্ধি কৰা হ'ব।

* **শ্ৰী গুনিন হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, বেদখল কৰা মাটিত খাজনা লোৱা নাই। সেই মাটিত খাজনা লোৱাৰ ব্যৱস্থা কৰা হ'ব নে আৰু পেনালটিৰ ব্যৱস্থা কৰা হ'ব নে?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, পেনাল্টিৰ ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী মতী অজন্তা নেওঁগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এগ্ৰিকালচাৰেল লেণ্ডৰ ওপৰত আমাৰ চৰকাৰে কিবা নতুন আঁচনি লৈছে নেকি?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ত আমাৰ চৰকাৰৰ কোনো নতুন আঁচনি নাই। আমি খাজনা বঢ়োৱাৰ কথাহে চিন্তা কৰিছোঁ।

* **শ্ৰী সুশীল দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ বাগিচাৰ মাটি দখল কৰা বহুত আছে। বহুত বাগানত যিখিনি তেওঁলোকৰ চিলিং চাৰপ্লাছ মাটি আছে, চাহ বাগানৰ মাটি দখল কৰি আছে। টি গাৰ্ডেন লেবাৰক ভয় দেখুৱাই যে তেওঁলোকক চাটাই কৰা হ'ব। যিখিনি কৰ্মচাৰী আছে, গোটেইখিনি সম্পূৰ্ণ বাগানৰ কাম কৰি আছে। চাহ বাগানৰ বনুৱা, কৰ্মচাৰীক উচ্ছেদ কৰিছে। এই ক্ষেত্ৰত চৰকাৰক বিহিত ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছো।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো উল্লেখ কৰিছে মই গম পাইছো। এই যে মাটি কিছুমান জিলা পৰ্য্যায়ত লিটিগেশ্বন

* Speach not corrected

চলি আছে। এই ক্ষেত্ৰত প্ৰমাণ দাখিল কৰিব পাৰিম, কিন্তু সত্যতা আছে। বেদখল, চিলিং চাৰপ্লাছ ইয়াৰ ব্যৱস্থা কৰা হ'ব।

* **শ্ৰী ৰিপুণ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা চাপ্লিমেন্টৰী আছে। ৰাজহ মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে কৈছেই বহুত চাহ বাগান বহুত বছৰ ধৰি বেদখল কৰি আছে। বেদখল কৰা সকলক উচ্ছেদ কৰিব নোৱাৰি। তেওঁলোকে ২০/৩০ বছৰ ধৰি বেদখল কৰি আছে। এই ক্ষেত্ৰত হাইকোৰ্ট পৰ্য্যন্ত হৈছে। গতিকে এই মাটি বিলাক সোনকালে ৰেগুলাৰাইজ কৰি ৰাজহ সংগ্ৰহ কৰিলে বহুত ৰাজহ আহিব। মাটিৰ খাজনা বহুত বছৰ আগতে যিটো ফিক্স কৰিছিল সেইটোৱেই আছে। কিন্তু সেই মাটি বিলাকৰ পৰা লাখ লাখ টকা উপাৰ্জন কৰি আছে। গতিকে সেইবিলাকৰ পৰা ৰাজহ অহাৰ যথেষ্ট ব্যৱস্থা আছে। এডিশ্বনেল ৰিৰ্চোচ মোবালাইজ কৰিব পাৰে, তেনেকুৱা ব্যৱস্থা আছে নেকি?

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিবিলাক ৰেগুলাৰাইজ হোৱা নাই, সেইবিলাক কি বিচাবে ৰেগুলাৰ কৰিব পাৰি চাব লাগিব। এইটো সত্য যে ২০/৩০ বছৰ ধৰি চাহ উৎপাদন কৰি আছে। মাননীয় সদস্য গৰাকীয়ে যিটো পৰামৰ্শ আগবঢ়াইছে ৰেভিনিউ ইনক্ৰিজ কৰাৰ ক্ষেত্ৰত সেইটো আমি লম। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সিদিনা সদনত জনাইছিল। চাহ উদ্যোগৰ এনুৱেল জেনেৰেল মিটিঙত মই নিজে গৈছিলো। অসমত ৮৩০.০০ মিলিয়ন কেজি চাহ উৎপাদন হয়। ১৬০ মিলিয়ন এক্সপোৰ্ট হৈছে। আগৰ বছৰ ২২ মিলিয়নৰ কম হৈছে। কুৱালিটি কম হৈছে। ৰাজহ বৃদ্ধি কৰিব লাগিব, ইয়াৰ বাবদ যদি ব্যৱস্থা নাই, আমি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

* **শ্ৰী সৰ্বানন্দ সোনোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ ওপৰত মই ক'বলৈ গৈছো যে আমাৰ অসমৰ যিবিলাক চাহ বাগিচাৰ মাটি পৰি আছে সেইবিলাক মাটি প্ৰাক্তন চাহ শ্ৰমিক আৰু ভূমিহীনক দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। বৰ্ত্তমান অসমত এনে মাটি বহুত পৰি আছে। মই মন্ত্ৰী মহোদয়ক এটা কথা ক'ব বিচাৰিছো যে এই মাটিবিলাক চৰকাৰে ভূমিহীন বা বানবিধস্ত বা প্ৰাক্তন চাহ শ্ৰমিকক দিয়াৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? মই আৰু এটা কথা ক'ব বিচাৰিছো যে এটি কলি দুটি পাত এইটো সকলোৱে অৱগত। আজি আমি যদি চাহৰ ওপৰত গুৰুত্ব নিদিও তেনেহ'লে অসমৰ ৰাজহ কেনেকৈ বৃদ্ধি হ'ব। (সদনত হুলস্থূল) এইটো টি লবিৰ কথা নহয়। এইটো আমি সকলোৱে জানো।

* **শ্ৰী দেৱানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** মাননীয় সদস্যই যিটো কথা কৈছে সেইটো ঠিকেই। কিন্তু তেওঁলোকে যিখিনি মাটি দখল কৰি আছে সেইটো এতিয়া ভেকেন্ট হৈ থকা

* Speach not corrected

নাই। যিবিলাক তেওঁলোকে দখল ক... আছে তাত তেওঁলোকে চাহ গছ ৰুইছে। আৰু তেনেকুৱাকে ভেকেন্ট হৈ আছে আৰু বে-দখল... কৰিছে এনেধৰণৰ চাহ বাগানৰ মাটি মোৰ পোৱা প্ৰাপ্ত তথ্য মতে অনেক কম। আৰু সেই ...থাটো যে আমি যি সকল ফ্লাড্ এফেক্টটেড, ইৰোচন এফেক্টটেড লোক আছে সেই সকলক সংস্থাপন কৰিব লাগিব। কিন্তু চাহ বাগানৰ পৰা বে-দখল হৈ থকা মাটি বান-বিধস্ত লোক সকলক বহুৱাই লোৱা হ'ব নে নহয় সেইটো কোৱা টান। (সদনত হুলস্থুল)

## Re : Supply of Transformers.

**Shri Parimal Suklabaidya asked :**

* 45. Will the Minister of Power be pleased to state:

(a) How many transformers were supplied to Cachar Districts by the Govt. form January, 2000 to till now? (Give details constitutency-wise report where these are distributed)

(b) Whether 'Dholai' constituency has got equal share? if not, why?

(c) How many transformaers are required for 'Dholai' constituency?

**Shri Devananda Konwar (Minister, Power) replied :**

(a)

(b) Meterials are being collected.

(c)

* **Shri Parimal Suklabaidya :** Whether Dholai Constituency has got equal share?

* **Shri Devananda Konwar (Minister, Power) :** Equal distribution of transformers does not mean equal no. of transformers to the constituency because the number of transformers are not equally distributed. There are other constitutencies also. Hon'ble Member has referred to several district. list of 7 assembly constituencies are Silchar, Udharband, Dholai, Lakhipur, Barkhola, Katigara & Sonai. Numbers of constituencies was taken up equally but not mathetically equal. In Silchar the necessity is much higher than that in rural constituency equal. It cannot be arithmatically equal.

* Speach not corrected

Hon'ble member has raised the question for supplying more nos. of transformaer. I will see to it and then take action.

* **শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ৯ টা ট্ৰেন্সফৰ্মাৰ লগোৱা বুলি কৈছে। যদিও ক'ত ক'ত লগাইছে অলপ ক'ব নেকি?

* **Shri Devananda Konwar (Minister, Power) :** Exact location I cannot give. Hon'ble member desires to have more numbers of transformers. I will be requesting the Hon'ble member to give me other locations where he needs transformers immediately.

* **শ্ৰী বিমলাংশু ৰায় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিধান সভাত যি বিলাক প্ৰশ্ন কৰো সেইবিলাক টেলিফোনেৰে আনিছে বুলি কৈছে। উত্তৰ বিলাক কিন্তু আমি একমত নহয়। কাৰণ প্ৰশ্ন বিলাক এমাহ আগতেই দিয়া হৈছিল। গতিকে তেখেত সকলে উত্তৰবিলাক সোনকালে অনাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। Dholai has given 9 transformers. Regarding other parts, will the Hon'ble ministers give any break up?

* **Shri Devananda Konwar (Minister) :** The question was in respect of Dholai constituency alone. Therefore, the break up is not available with me.

* **Shri Bimolangshu Roy :** Whether Hon'ble Minister will look into this matter and take care of this constituency in case of electrification as the Urban Constituency of Silchar?

* **Shri Devananda Konwar (Minister) :** Yes, this will be done. At least 4 transformers will be installed as it is most urgent. Hon'ble member will have to select 4 places to install these 4 transformers. I will let know the Hon'ble members accordingly.

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ মাজবাট সমষ্টিতো ট্ৰেন্সফৰ্মাৰ লগোৱা নাই। ট্ৰেন্সফৰ্মাৰ নলগোৱাৰ ফলত আমাৰ বহুত অসুবিধা হৈছে। তাত যি জন এচ, ডি, ও আছে তেখেতক কথাটো কোৱাত তেওঁ কৈছে যে ট্ৰেন্সফৰ্মাৰ লগালে ২৫ হাজাৰ টকা লাগিব। পিচত তেওঁক কথাটো সোধাত তেওঁ কৈছে যে মই ২৫

* Speach not corrected

হাজাৰ বিচৰা নাই, ১৫ হাজাৰ টকাহে বিচাৰিছো। মই তেওঁৰ নামটো জানো যদিও এতিয়া নকওঁ। অধ্যক্ষ মহোদয়, আমাৰ মাজবাট আৰু দৰঙত এনেদৰে পইচাপাতি লৈ আছে।

* **Shri Devananda Konwar (Minister) :** This is not related to this question. Since the member has raised the point, I will look into it and take action.

* **ডঃ জয়নাথ শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য এজনে এটা কথা কৈছে যে ট্ৰেন্সফৰ্মাৰ লগোৱাৰ নামত ১৫ হাজাৰ ২০ হাজাৰ টকা লৈ আছে। অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে স্পেচিফিক দেখুৱাই দিছে যে মাজবাটৰ সহকাৰী অভিযন্তাজনে টকা লৈ আছে। গতিকে তেওঁৰ ওপৰত শীঘ্ৰে ব্যৱস্থা ল'ব লাগে। অধ্যক্ষ মহোদয়, আমি জানো যে তেওঁৰ ওপৰত আমাৰ মন্ত্ৰীয়ে একো ব্যৱস্থা ল'ব নোৱাৰে। কাৰণ এইটো বোৰ্ডৰ অধীনত। সেয়েহে এই কেচটো বোৰ্ডৰ লগত টেক আপ কৰিব লাগে।

* **Shri Robin Bordoloi :** Sir, I would like to know from the Hon'ble Minister in respect of criteria of installation of transformers for electrification which has become a big phenomenon in Assam apart from my constituency, itself I would like to know from the Hon'ble Minister what measures have been taken by the Govt. for purchase transformers for all over Assam. I would like to request the Hon'ble Minister to specially look for installation of new transformer in rural parts of my constituency. A big part of my constituency falls under rural areas though a part of its falls under Urban area also. So, The Hon'ble Minister should give priority to purchase transfomers of various capacity and meet the demand.

* **Shri Devananda Konwar :** Sir, This is a chronic problem of ASEB. We are unable to supply power as per requirement. This House will express satisfaction that the Govt. of India for Rural Electrification under PMGY has given Rs. 60 Crore. This year for Assam. We have got some fund exactly 5 crore. We have purchased 750 transformers last year 2001-2002. We are taking to replace those old transformers as per Govt. of India's guideline. During 11th Five Year Plan, all houses in India will get

* Speach not corrected

electrified. During this period these damaged transformers will be replaced accordingly. In the meantime, we expect to get Rs.20 crore within a week or so.

**Mr. Speaker :** Now, question No.46. Mr. Tara Prasad Das.

**বিষয় ঃ পুনৰ সংস্থাপনৰ ব্যৱস্থা।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

* ৪৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ব্ৰহ্মপুত্ৰ নদীৰ ভয়াবহ গড়াখহনীয়াত বৰপেটা জিলাৰ চেঙা, বাঘবৰ সমষ্টিৰ সংখ্যালঘু অধ্যুষিত অঞ্চল সমূহৰ নিশ্চিহ্ন হোৱা গাওঁ সমূহৰ জনসাধাৰণে বছৰ বছৰ ধৰি মথাউৰিতে প্লাষ্টিকেৰে তম্বু সাজি আশ্ৰয় লৈ থকাটো চৰকাৰ অৱগতনে?

(খ) এই লোকসকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰাপ্ত তথ্য মতে, বৰপেটা ৰাজহ চক্ৰৰ অৰ্ন্তগত চেঙা বিধান সভা সমষ্টিৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত২৬ টা পৰিয়াল বৰ্ত্তমান মথাউৰিৰ ওপৰত আশ্ৰয় লৈ থকাটো চৰকাৰ অৱগত। উক্ত ক্ষতিগ্ৰস্ত পৰিয়াল সমূহ মথাউৰিৰ ওপৰত পলিথিনৰ তম্বু সাজি আশ্ৰয় গ্ৰহণ কৰাৰ তথ্য চৰকাৰৰ হাতত নাই।

(খ) উক্ত গড়াখহনীয়াত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি থকা হৈছে।

* **ডাঃ তাৰাপ্ৰসাদ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ২৬ টা পৰিয়াল চেঙা সমষ্টিত গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈ মথাউৰিৰ ওপৰত আশ্ৰয় লৈ থকাটো চৰকাৰ অৱগত বুলি কৈছে। কিন্তু আমি জনাত বাঘবৰত এতিয়াওঁ চাৰিশ পৰিয়াল মথাউৰিৰ ওপৰত প্লাষ্টিকৰ তম্বু তৰি বছৰ বছৰ ধৰি আছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে আমাক জনাব নেকি যে চাৰিশ পৰিয়াল মথাউৰিৰ ওপৰত থকা কথাটো সচাঁনে? তাৰোপৰি অধ্যক্ষ মহোদয় মই মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে তেওঁলোকৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে? এই গড়াখহনীয়া পৰিয়ালবোৰক মাটি পট্টন দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি?

---

* Speach not corrected

* **শ্ৰী দেবানন্দ কোঁৱৰ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে বাঘবৰত চাৰিশ পৰিয়াল মথাউৰিৰ ওপৰত আছে সেইটো সঁচা নহয়। চেঙা সমষ্টিত ২৬ টা পৰিয়াল গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হৈ মথাউৰিৰ ওপৰত যে আছে সেইটো চৰকাৰ অৱগত। কিন্তু চাৰিশ পৰিয়ালে প্লাষ্টিকৰ তম্বু তৰি বাঘবৰত বাস কৰি থকা কথাটো চৰকাৰৰ হাতত কোনো তথ্য নাই। অধ্যক্ষ মহোদয়, পুনৰ সংস্থাপনৰ ক্ষেত্ৰত কওঁ যে ইতিমধ্যে এই সম্পৰ্কে জিলা প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে আৰু তেনেকুৱা কিবা ওখ মাটি পোৱাৰ লগে লগে সেই সকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব। দ্বিতীয়তে, মাটি পট্টন দিয়া সম্পৰ্কে যিটো কথা কোৱা হৈছে, তাৰ উত্তৰত ক'ব বিচাৰিছো যে সেই ঠাইত এতিয়াও চাৰ্ভে হোৱা নাই। গতিকে চাৰ্ভে সম্পূৰ্ণ হোৱাৰ লগে লগে ব্যৱস্থা লোৱা হ'ব।

(Starred Question No.47 to 60 could not be taken up as the Question Hour was over. However, the said question deemed to have been laid on the table of the house with replies there to)

## Re : R.E.C. Programme.

**Shri Hemendra Nath Brahma asked,**

* 47. Will the Minister of Power be pleased to state:

(a) Whether there is any proposal to bring more villages under R.E.C. Programme?

(b) If so, whether the name of the villages districtswise and subdivision wise will be placed on the table of the House?

(c) Whether Govt. has received any special central fund for rural electrification of the tribal villages of Assam?

(d) If yes, how many tribal villages have been covered under this scheme?

(e) Whether Govt. is aware that transformers are laying out of order in rural areas in the state?

(f) If so, how many villages are effected due to such situation?

(g) What remedial measures have been taken by the department?

**Shri Devananda Konwar (Minister, Power) replied :**

(a) Yes.

---

* Speach not corrected

(b) Yes. List is being collected.

(c) Yes. An amount of Rs.63 Lakhs have been received (Under NLCPR).

(d) 20 (twenty) nos. of tribal villages at a total cost of Rs. 135 lakhs.

(e) Yes.

(f) Information is being collected.

(g) Remedial measures will be taken subject to availabilty of fund.

## বিষয় ঃ মাটি ক্রয়ৰ আইন প্রণয়ন।

**শ্রী পবিন্দ্র ডেকাই সুধিছে,**

* ৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমৰ খিলঞ্জীয়া লোকেহে কেৱল অসমত মাটি কিনিব পৰা এখন আইন প্রণয়ন কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে?

(খ) যদি কৰে, অসম বিধান সভাৰ চলিত অধিবেশনত এখন বিল উত্থাপন কৰাৰ বাবে ব্যৱস্থা গ্রহণ কৰিবনে?

(গ) অসমৰ বাহিৰৰ পৰা অহা হাজাৰ হাজাৰ লোকে অসমত মাটি কিনি স্থায়ীভাৱে বসতি কৰিব লোৱাত অসমৰ খিলঞ্জীয়া লোকসকল ভূমিহীন হৈ অস্তিত্ব হেৰুৱাৰ যে উপক্রম হৈছে সেই কথা চৰকাৰৰ বিদিত নে?

**শ্রী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্রী) য়ে উত্তৰ দিছে,**

(ক) এনে আইন প্রণয়নৰ বাবে সাংবিধানিক ব্যৱস্থা তথা সাংবিধানিক ৰক্ষা কৱচৰ প্রয়োজন। বৰ্ত্তমান তেনে আইন প্রণয়নৰ প্রস্তাৱ চৰকাৰৰ হাতত নাই।

(খ) হাতত প্রস্তাৱ নাই।

(গ) বিদিত নহয়।

## বিষয় ঃ গড়াখহনীয়া ৰোধৰ ব্যৱস্থা।

**শ্রী দীনেশ চন্দ্র সৰকাৰে সুধিছে,**

* ৪৯। মাননীয় বাননিয়ন্ত্রণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গোলোকগঞ্জ সমষ্টিৰ কোনবোৰ ঠাইত গঙ্গাধৰ নৈয়ে গড়া খহাই লোকৰ জীৱন বিপন্ন কৰি তুলিছে?

(খ) গড়াখহনীয়া ৰোধৰ বাবে সেইবোৰ ঠাইত চৰকাৰে কিবা ব্যৱস্থা কৰিছেনে?

(গ) যদি কৰা নাই, কিয় কৰা নাই আৰু কেতিয়াকৈ কৰিব?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) গোলোকগঞ্জ সমষ্টিৰ পূৰ্ব কানুৰী, গোলোকগঞ্জ, চৰাইখোলা, কঠালতলি, কুমাৰগঞ্জ আদি ঠাইত গঙ্গাধৰ নৈয়ে খহাই লোকৰ জীৱন বিপন্ন কৰি তুলিছে।

(খ) হয় কৰিছে।

(গ) ওপৰৰ 'খ' উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে।

## বিষয় ঃ গড়াখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

* ৫০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মৰা পাগলাদিয়া নদীয়ে নিজ জুলুকী গাওঁৰ গতিপথ সলনি কৰিছে নেকি?

(খ) যদি কৰিছে, প্ৰতিৰোধৰ ব্যৱস্থা লৈছেনে আৰু যদি লৈছে, কি ব্যৱস্থা লৈছে?

(গ) পাগলাদিয়া নদীয়ে ভেৰভেৰী উজীৰ ঘাটৰ খহনীয়াৰ জৰিয়তে মানুহৰ ঘৰ-দুৱাৰ বিনষ্ট কৰিছে নেকি?

(ঘ) যদি কৰিছে, পৰিয়ালবোৰৰ পুনঃ সংস্থাপনৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয় কৰিছে।

(খ) এই গতিপথ প্ৰতিৰোধ কৰাৰ বাবে যোৱা ২০০১ চনৰ ১৯ আৰু ২০ ডিচেম্বৰত অনুষ্ঠিত ৩৫ তম কাৰিকৰী উপদেষ্টা কমিটিলৈ ৪৩৪.০০ লাখ টকাৰ আঁচনি এখনৰ অনুমোদন জনায়। ইয়াৰ বিস্তৃতি প্ৰাক্ কলন প্ৰস্তুত কৰি থকা হৈছে।

(গ) হয়, ভেৰভেৰী উজিৰ ঘাটত পাগলাদিয়া নদীয়ে সৃষ্টি কৰা খহনীয়াৰ ফলত ১৯৯৬-৯৭ চনত মানুহৰ ঘৰ-দুৱাৰ বিনষ্ট হৈছিল।

(ঘ) অতিৰিক্ত উপায়ুক্ত নলবাৰীৰ পৰা পোৱা তথ্যমতে ক্ষতিগ্ৰস্ত লোকক পুনৰ সংস্থাপনৰ বাবে নিয়ম অনুসৰি চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণ কৰাৰ ব্যৱস্থা ল'ব।

## বিষয় ঃ আৰ্থিক অনুদান।

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

* ৫১। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কংগ্ৰেছ চৰকাৰে শাসন ভাগ লোৱাৰ পিছত সমাজ কল্যাণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা সৰ্বমুঠ কিমান টকা বিভিন্ন শিতামত আৰ্থিক অনুদান লাভ কৰিছে?

(বিতং তথ্য দাখিল কৰিব)

(খ) বৰ্ত্তমান বিভাগে চাউল, দাইল, কাঠৰ আচবাব আৰু ষ্টিলৰ আচবাব ক্ৰয় কৰাৰ নামত কিমান টকা খৰছ কৰিছে?

(গ) যোগানকাৰী সকলৰ সম্পূৰ্ণ নাম আৰু স্থায়ী/বৰ্ত্তমানৰ ঠিকনা কি?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান কংগ্ৰেছ চৰকাৰে অসমত শাসনভাৰ লোৱাৰ পিছত সমাজ কল্যাণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ পৰা সৰ্বমুঠ ঊনাশী কোটি আঠানব্বৈ লাখ বাৱন্ন হাজাৰ টকা বিভিন্ন শিতানত আৰ্থিক অনুদান লাভ কৰিছে।

(বিতং তথ্য লগত সংলগ্ন কৰি দিয়া হ'ল) (See the Annexure-I)

(খ) বৰ্ত্তমান সমাজ কল্যাণ বিভাগে চাউল, দাইল যোগান ধৰিবলৈ এৰ্কেশ কোটি তিৰাশী লাখ পোন্ধৰ হাজাৰ টকা আৰু কাঠৰ ও ষ্টিলৰ আচবাব ক্ৰয় কৰাৰ বাবদ পাচঁ কোটি সাতষষ্ঠি লাখ তেৱন্ন হাজাৰ টকা খৰছ কৰিছে।

(গ) প্ৰধানমন্ত্ৰী গ্ৰামোন্নয়ন যোজনা (PMGY) ৰ অধীনত খাদ্য সামগ্ৰী যোগানৰ বাবে অসম গভৰ্ণমেন্ট মাৰ্কেটিং কৰ্পোৰেচন (AGMC) আৰু শিশু উন্নয়ন প্ৰকল্প আঁচনিৰ অধীনত কাঠ আৰু ষ্টিলৰ আচবাব যোগানৰ দায়িত্ব অসম ক্ষুদ্ৰ উদ্যোগ নিগমক অৰ্পণ কৰা হৈছে।

## বিষয় ঃ COFR ৰ প্ৰতিবেদন।

**শ্ৰী** গুনিন হাজৰিকাই সুধিছে,

* ৫২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) প্ৰাক্তন মূখ্য সচিব শ্ৰী হৰেন্দ্ৰ নাথ দাসৰ অধ্যক্ষতাত দাখিল কৰা COFR ৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে গ্ৰহণ কৰিলেনে?

(খ) যদি গ্ৰহণ কৰিলে, এই প্ৰতিবেদনৰ কোন অংশ ক্ৰম অনুসাৰে কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এতিয়ালৈকে কাৰ্য্যকৰীকৰণৰ বাবে লোৱা ব্যৱস্থাৰ আভাস দিবনে?

**শ্ৰী দেবানন্দ কোঁৱৰ (বিত্তমন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) প্ৰাক্তন মূখ্য সচিব শ্ৰী হৰেন্দ্ৰ নাথ দাসৰ অধ্যক্ষতাত ৭/১২/২০০১ তাৰিখে দাখিল কৰা বিত্তীয় সংস্কাৰ কমিটিৰ প্ৰতিবেদন ৰাজ্য চৰকাৰে নীতিগতভাৱে গ্ৰহণ কৰিছে।

(খ) বিত্ত বিভাগে ইতিমধ্যে কমিটিৰ পৰামৰ্শাৱলীৰ ওপৰত বিভিন্ন বিভাগৰ মতামত বিচাৰিছে। পৰৱৰ্ত্তী পৰ্য্যায়ত কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## বিষয় ঃ বানপানী সমস্যাৰ স্থায়ী সমাধান।

**শ্ৰী সৰ্বানন্দ সোণোৱালে সুধিছে,**

* ৫৩। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ বানপানী সমস্যাৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি প্ৰদানেৰে সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে অসম চৰকাৰে নিৰ্দিষ্ট ভাৱে কি পদক্ষেপ লৈছে?

(খ) অসমৰ বানপানী সমস্যাৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি প্ৰদানৰ দাবীত অসম বিধান সভাত প্ৰস্তাৱ লোৱা হোৱা নাই কিয়?

(গ) বানপানীয়ে বিস্তৰ ক্ষতি কৰা বিশ্বৰ বৃহত্তম নদী দ্বীপ মাজুলীৰ লগতে নিমাতী ঘাট ৰহমহীয়া, শদিয়া, দক্ষিণ শালমাৰা, ডিব্ৰুগড় চহৰ, ধেমাজি সুৰক্ষাৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে,**

(ক) অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাবে স্বীকৃতি প্ৰদানেৰে সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে অসম চৰকাৰে সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰি আছে।

(খ) প্ৰশ্নটো এই বিভাগৰ লগত জড়িত নহয়।

(গ) বানপানীয়ে বিস্তৰ ক্ষতি কৰা বিশ্বৰ বৃহত্তম নদী দ্বীপ মাজুলীৰ লগতে নিমাতীঘাট, ৰহমহীয়া, শদিয়া, দক্ষিণ শালমৰা, ডিব্ৰুগড় চহৰ, ধেমাজি সুৰক্ষাৰ বাবে পৰিস্থিতিৰ

গুৰুত্ব অনুসৰি বিত্তীয় পূঁজিৰ আৱন্টন সাপেক্ষে ঠায়ে ঠায়ে বান প্ৰতিৰোধ আঁচনি ৰূপায়নৰ কাম চলি আছে।

## বিষয় ঃ সৰ্বমঙ্গলমৰ ভূমি।

**শ্ৰী নীলমণি সেন ডেকাই সুধিছে ঃ**

* ৫৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰ্বমঙ্গলমৰ ভূমি পট্টন সম্পৰ্কে চৰকাৰে যোৱা বিধান সভাত তদন্ত কৰাৰ যি প্ৰতিশ্ৰুতি দিছিল এই সম্পৰ্কে তদন্ত কৰিলে নেকি?

(খ) তদন্তৰ ফলাফল কি কি হ'ল?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়, তদন্ত কৰি থকা হৈছে।

(খ) তদন্ত সম্পূৰ্ণ হ'লেই মাননীয় সদনক তদন্তৰ ফলাফল জনোৱা হ'ব।

## Re : Progress of "Annapurnaghat Scheme".

**Shri Bimolangshu Roy asked :**

* 55. Will the Minister of Flood Control be pleased to state:

(a) Whether the Govt. is aware of the actual progress of the Scheme "Annapurnaghat" protection at Silchar Town and if so, how much fund already been given against the total cost?

(b) The Scheme is centrally sector scheme, but why fund proportionate to the prograss of the scheme has not been given inspite of reasonable allocation of fund placed under disposal of stae Govt. and to that effect Flood Control Department during last 2 years?

(c) What steps, so far, has beeen taken to convince Govt. of India towards placement of adequate fund for Flood Control measures in Assam?

(d) Whether any positive steps have been taken to declare Flood Control Department as one of infrastructure Department?

(e) will the Govt. take urgent steps for clearence of contractors

outstanding liabilities of Annapurnaghat protection work enabling them to take up other works?

(f) If so, when and if not why?

**Shri Bharat Chandra Narah (Minister, Flood Control) replied:**

(a) Yes, the Govt. is aware of the actual progress of the scheme "Annapurnaghat" protection at Silchar Town. An amount of Rs. 57.00 Lakh has been given the period from 1998-99 to 2001-2002 (As on 31-1-2002) against the total estimated cost Rs. 251.16 Lakh with the physical prograss so far achieved 93%.

(b) Fund has been distributed proportinately against all schemes on the total fud received.

(c) The Govt. of Assam from time to time, has been persuing the Govt. of India release to adequate fund in consideration of the gigantic and complex problem, related to Flood and Erosion in Assam.

(d) Though no such proposal is under consideration of the Govt. but the Flood Control Deptt. need be given such status.

(e) Utmost efforts are being taken for clearance of contractor's laibilities of Annapurnaghat protection works through funding from Govt. of India.

(f) Question does not arise in view reply under (c) & (e).

## Re : Electrification under Chapaguri L.A.C.

**Shri Tijen Basumatary asked:**

* 56. Will the Minister of Power be pleased to state:

(a) How many villages under Chapaguri L.A.C. are still remaining for electrification?

(b) Whether any steps will be taken to electrify those villages where there are no electrification?

**Shri Devananda Konwar (Minister, Power) replied:**

(a) 11 (eleven numbers)

(b) Yes.

## বিষয় ঃ ম্যাদিকৰণৰ ব্যৱস্থা।

**শ্ৰী জীতেন গগৈ য়ে সুধিছে ঃ**

* ৫৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰা গাওঁসমূহৰ মাটি সমূহ ম্যাদিকৰণৰ ব্যৱস্থা কৰিছে নেকি?

(খ) ৰাষ্ট্ৰীয় উদ্যানৰ সীমা নিৰ্দ্ধাৰিণৰ কাৰণে কি ব্যৱস্থা লৈছে?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অসম ভূমিলেখ্য নিয়মাৱলীৰ ১০৫ নং দফাৰ অধীনত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলত বসবাস কৰা গাওঁ সমূহৰ মানুহৰ মাটি সমূহ ম্যাদিকৰণৰ ব্যৱস্থা কৰা হৈছে।

(খ) ৰাষ্ট্ৰীয় উদ্যানৰ ঘোষণা পত্ৰ মতেই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সীমা নিৰ্দ্ধাৰিণ কৰি খুটি পোতা হৈছে।

## Re : Tribal Belt, Block and Tribal Sub-plans.

**Shri Pramila Rani Brahma asked:**

* 58. Will the Minister of Revenue be plesed to state:

(a) Total nos. of Triabal Belt and Block and Tribal Sub-plans are there in Assam to protect the interest of Tribal people?

(b) what is the total number of population of each tribal Belt and Block and Tribal Sub-plan areas?

(c) Whether it is a fact that the other non-tribal communities have been settling in those areas?

(d) If it is true what communities are they and the numbers of non-tribal peoples settling there? (Since when they are there may be signified)

(e) whether the Govt. of Assam had taken any policy to protect all those areas?

(f) If it was taken what is the measures of successful step taken by the Govt?

**Shri Devananda Konwar (Minister, Revenue) replied:**

(a) Total nos. of Tribal Belt - 17 nos.

Total nos. of Tribal Block - 30 nos.

Total nos. of Tribal Sub-Plan Area - 19 nos area.

(b) As the population of tribal belt and block area has not been enumerated seperately, the population of tribal sub-plan area is shown below as per 1991 census.

| | | | |
|---|---|---|---|
| 1. | Kokrajhar | ITDP | 623901 |
| 2. | Dhubri | ,, | 29597 |
| 3. | Goalpara | ,, | 222771 |
| 4. | Barpeta | ,, | 170602 |
| 5. | Nalbari | ,, | 222317 |
| 6. | Rangia | ,, | 49110 |
| 7. | Guwahati | ,, | 218970 |
| 8. | Morigaon | ,, | 188690 |
| 9. | Mongaldoi (Udalguri) | ,, | 281355 |
| 10. | Tezpur | ,, | 90451 |
| 11. | Majuli | ,, | 73338 |
| 12. | Jorhat | ,, | 39586 |
| 13. | Golaghat | ,, | 42825 |
| 14. | Sibsagar | ,, | 17734 |
| 15. | Dibrugarh | ,, | 101937 |
| 16. | Tinsukia & Sadia | ,, | 39789 |
| 17. | North Lakhimpur | ,, | 127430 |
| 18. | Dhemaji & Jonai | ,, | 266982 |
| 19. | Silchar | ,, | 237212 |
| | | **Total** | **2831103** |

(c) Yes.

(d) Apart from Hills and Plains tribes, cultivators pertaining to tea garden tribal, Santhals, Nepali, Cultivator and graziers, scheduled castes, Koch Rajbonghis of erstwhile Goalpara District, and persons belonging to Nath community are also protected within the tribal belt and blocks and they have been settling in those ares. Further, persons residing within the belts and blocks prior to the creation of blocks are also eligible to settle within theses belts and blocks.

(e) Yes.

(d) The tribal belts and blocks are already protected areas under Chapter-X of Assam Land and Revenue Regulation. In these belts and blocks, Deputy Commissioner can evict any unuthorised person occupying even Patta Land-whether it is Annual Patta or periodic Patta. Government has posted 8 (eight) mentation of the provisions of chapter X and 3 ADC Chapter X for implementation of the provisions of Chapter X. Government has also issued guidlines from time to time to the Deputy Commissioners for strict implementation of the provisions of Chapter-X.

**বিষয় ঃ কাৰ্বি লাংপি বিদ্যুৎ প্ৰকল্প।**

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী য়ে সুধিছে ঃ**

* ৫৯। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প সম্পূৰ্ণ হ'লে অসম ৰাজ্যিক বিজুলী বৰ্ডে কিমান মূল্যৰ ৰাজহ বছৰি আহৰণ কৰিবলৈ সক্ষম হ'ব?

(খ) এই প্ৰকল্প সম্পূৰ্ণ কৰিবলৈ কিমান টকাৰ প্ৰয়োজন আৰু এই ক্ষেত্ৰত পাৱাৰ ফাইনেন্স কৰ্পোৰেচনে কিমান টকা ঋণ আগবঢ়াবলৈ ইচ্ছা প্ৰকাশ কৰিছে আৰু ইতিমধ্যে প্ৰকল্পটোত কিমান টকা ব্যয় হৈছে?

(গ) এই ঋণ বৰ্ত্তমানেও চৰকাৰে গ্ৰহণ কৰিব নিবিচৰাৰ কাৰণ কি?

(ঘ) কাৰ্বি লাংপি বিদ্যুৎ প্ৰকল্পটোৰ সমকক্ষ এটা বিদ্যুৎ প্ৰকল্প নতুনকৈ নিমাৰ্ণ কৰিবলৈ হ'লে বৰ্ত্তমান মূল্যমানত কিমান টকাৰ প্ৰয়োজন হ'ব?

**শ্ৰী দেবানন্দ কোঁৱৰ (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) এই প্ৰকল্পটো সম্পূৰ্ণ কৰি বিদ্যুৎ উৎপাদন আৰম্ভ কৰিলে সেই সময়ৰ উৎপাদন আৰু বিদ্যুৎৰ নিৰিখৰ ওপৰত ৰাজহ নিৰ্ভৰ কৰিব।

(খ) বৰ্ত্তমান মূল্যমানত প্ৰকল্পটো সম্পূৰ্ণ কৰিবলৈ বৰ্ত্তমান ১৭৮.৭২ কোটি টকাৰ প্ৰয়োজন হ'ব। পাৱাৰ ফাইনেন্স কৰ্পোৰেচনে এই প্ৰকল্পটোৰ বাবে ১২৫ কোটি টকাৰ ঋণ সাহাৰ্য্য হিচাপে আগবঢ়াইছে। এতিয়ালৈকে ২১৩.৬২ কোটি টকা খৰচ কৰা হৈছে। (সূত সহ)

(গ) ৰাজ্য চৰকাৰে বিবেচনা কৰি আছে।

(ঘ) কাৰ্বি লাংপীৰ (৫০x২) মেগাৱাট শক্তি সম্পন্ন) সমকক্ষ নতুন প্ৰকল্প নিৰ্মাণ কৰিবলৈ বৰ্ত্তমান মূল্যমান অনুসৰি প্ৰায় ৬০০ কোটি টকাৰ প্ৰয়োজন হ'ব পাৰে।

## Re : 5 M.V.A Transformers.

**Shri Mission Ranjan Das asked:**

* 60. Will the Minister of Power be pleased to state:

(a) What are the reasons of not providing a 5 M.V.A. Transformer at Karimganj Town?

(b) When the same would be provided?

**Shri Devananda Konwar (Minister, Power) replied :**

(a) Installation of 5 MVA Transformers for any location including Karimganj is determined by local grid requirements and availability of resources.

(b) One 5 MVA transformers has already been procured and issued for installation at Karimganj sub-station. Installation work is under progress.

## Unstarred
## Question and Answers

### বিষয় ঃ অচল হৈ থকা ট্ৰান্সৰ্ফমাৰ।

শ্ৰী আলি আকবৰ মিঞা য়ে সুধিছেঃ

৬০। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান অসমত কিমানটা 'ট্ৰেন্সৰ্ফমাৰ' অচল/বিকল অৱস্থাত আছে? (জিলা ভিত্তি তালিকা প্ৰস্তুত কৰি তথ্য সদনৰ মেজত দাখিল কৰিব)

(খ) যোৱা পাঁচ বছৰত কিমানটা অচল 'ট্ৰেন্সফৰ্মাৰ' ভাল কৰা হ'ল আৰু চলিত বছৰত কিমানটা ভাল কৰাৰ ব্যৱস্থা লোৱা হৈছে? (বিধান সভা সমষ্টি ভিত্তিত তালিকা বনাই সদনৰ মেজত তথ্য দাখিল কৰিব)

(গ) চলিত ও অহা বছৰত কোন কোন গাওঁত গ্ৰাম্য বৈদ্যুৎতিকৰণৰ ব্যৱস্থা কৰাৰ আঁচনি গ্ৰহণ কৰা হৈছে? (জিলা ভিত্তিত তেনে গাঁও ও আঁচনিৰ নাম উল্লেখ কৰি তথ্য সদনৰ মেজত দাখিল কৰিব)

শ্ৰী দেবানন্দ কোঁৱৰ (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমত বৰ্ত্তমান ২৩৮৫ টা ট্ৰেন্সফৰ্মাৰি বিকল হৈ আছে। ইয়াৰ সবিশেষ বৈদ্যুতিক চক্ৰ ভিত্তিত তালিকা সংগ্ৰহৰ ব্যৱস্থা কৰি থকা হৈছে।

(খ) যোৱা পাঁচ বছৰত ১১/০৪ কিলোভল্টৰ ২৮৪৯ টা ট্ৰেন্সফৰ্মাৰি মেৰামতি কৰা হৈছে। আৰু ১০৯ টাৰ মেৰামতি কাম চলি আছে। (বিধান সভা সমষ্টি ভিত্তিত সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰি থকা হৈ আছে।)

(গ) চলিত বছৰত (২০০১-২০০২) তলত দিয়া আঁচনি সমূহ কাৰ্য্যকৰীকৰণৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(১) জনজাতি বসতিপূৰ্ণ গাওঁ (Non-Lapsable Central pool of Resources) আৰ্চনিৰ অধীনত) ইয়াৰ বাবে মুঠ ধাৰ্য্য কৰা টকাৰ পৰিমাণ হ'ল ১৩৫.০০ লাখ টকা। ইয়াৰ প্ৰথম কিস্তিৰ ৬৮.০০লাখ টকাহে এতিয়ালৈকে পোৱা গৈছে। এই টকাৰে ১১ খন গাওঁৰ বৈদ্যুৎতিকৰণৰ কাম চলি আছে। গাওঁৰ তালিকা পৰিশিষ্ট 'খ' ত গাঁঠি দিয়া হ'ল। ২ য় কিস্তিৰ টকা পালে আৰু ৯ খন গাওঁৰ কাম হাতত লোৱা হ'ব। মুঠ ২০ খন গাওঁৰ তালিকা দিয়া হ'ল। (See the Annexure-II)

(২) গ্ৰাম্য বৈদ্যুতিকৰণ (MNP 2000-01) এই আঁচনিত মুঠ ৩৯৮ খন গাওঁত বিদ্যুৎ সম্প্ৰসাৰণ কৰাৰ আঁচনি লোৱা হৈছে। জিলা ভিত্তিত গাওঁৰ তালিকা সংগ্ৰহ কৰি থকা হৈ আছে।

(৩) ৰাজ্যিক বাৰ্ষিক পৰিকল্পনাৰ (২০০০-০২) ৰ অধীনৰ REP (MNP) আঁচনিৰ ২৬৫২.০০ লাখ টকাৰে ৫১৪ খন গাওঁত বৈদ্যুৎ সম্প্ৰসাৰণৰ আঁচনি লোৱা হৈছে। প্ৰথম কিস্তিত পোৱা ১৩২৬.০০ লাখ টকাৰে ২৮৫ খন গাঁৱৰ কাম হাতত লোৱা হৈছে।

(৪) ৰাজ্যিক বাৰ্ষিক পৰিকল্পনাৰ (২০০১-০২) ৰ অধীনত PMGY (Pradhan Mantri Gramodyog Yojona) আঁচনিৰ ৬০১১.০০ লাখ টকাৰে তলত দিয়া ধৰণেৰে আঁচনিসমূহ কাৰ্যকৰীকৰণৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰে প্ৰথম কিস্তিত ৩০০৫.৫০ লাখ টকা পোৱা হৈছে।

ৰাজ্যিক বাৰ্ষিক পৰিকল্পনাৰ (২০০১-০২) ৰ অধীনৰ REP (MNP) আঁচনি আৰু প্ৰধান মন্ত্ৰী গ্ৰামোদ্যোগ যোজনাৰ (২০০১-০২) অধীনত যথাক্ৰমে ২৮৫ খন আৰু ৩২৪ খন গাওঁৰ বৈদ্যুতিকৰণৰ ব্যৱস্থা লোৱা হৈছে।

গাওঁৰ তালিকা সংগ্ৰহ কৰা হৈ আছে।

## বিষয় ঃ মাটি কিনা-বেচাৰ অনুমতি পত্ৰ।

**শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছেঃ**

৬১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) মাটি কিনা-বেচা কৰাত জিলা উপায়ুক্তৰ অনুমতি ল'ব লাগে যাৰ ফলত ৰেজিষ্টাৰ দলিল কৰাত ৰাইজৰ অসুবিধা হৈছে আৰু চৰকাৰৰ বুজন পৰিমাণৰ ৰাজহ ক্ষতি হৈছে, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) মাটি বেচা-কিনা কৰাৰ অনুমতি লোৱাৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবনে?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) এই ব্যৱস্থাৰ যোগেদি কোনো ৰাজহৰ ক্ষতি হোৱা নাই। কিনা-বেচাৰ যোগেদি কোনো ভূমি যাতে অযোগ্য লোকৰ হাতলৈ নাযায় আৰু পঞ্জীয়ণৰ মূল্য যাতে উচিত হয়, সেই কথা চোৱাৰ কাৰণে উপায়ুক্তৰ অনুমতি লোৱাৰ নিয়ম প্ৰৱৰ্ত্তন কৰা হৈছে।

(খ) এই ব্যৱস্থা সদ্যহতে উঠাই লোৱাৰ কথা চৰকাৰে চিন্তা কৰা নাই।

## Re : Replacment of Transformers.

**Shri Ratish Ranjan Choudhury asked:**

62. Will the Minister of Power be pleased to state:

(a) In response to starred question No.69 dated 3.10.2001 it was stated that altogether 23 nos. of transformers are lying damaged at various places of Ratabari (SC) constituency and if so, what action has been taken by the Govt. to repair and replace the damaged transformers?

(b) It was revealed on the floor of the Assembly that Govt. has chalked out plan to electrify 14 nos. of villages under the Ratabari (SC) Constituency in 1st phase and if so, whether these are done by this time?

(c) If not, when the electricity facility will be provided to the remote villages?

(d) Whether Govt. has plan to sanction necessary fund during 2002-2003 financial year for electrification by extending electric line to additional villages?

**Shri Devananda Konwar (Minister, Power) replied:**

(a) Out of 28 nos. of damaged transformers 10 nos. have already been replaced. The rest 10 nos. will be replaced in due cource subject to availability of fund.

(b) Not yet done.

Intensification has been taken up in a phase menner subject to availability of funds. During 2001-2002, seven villages have been taken up.

(c) Effort will made to provide electricity to all the villages of Assam by 2007 as per policy guidlines of the Govt. of India for rural electrification.

(d) Yes.

## বিষয় ঃ ঘূৰ্ণী বতাহত ক্ষতিগ্ৰস্ত পৰিয়াল।

**শ্ৰী বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছেঃ**

৬৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ১৬ জানুৱাৰী ২০০২ ইং তাৰিখে ধুবুৰী জিলাৰ গৌৰিপুৰ সমষ্টিৰ ঢেপঢেপী গাওঁ পঞ্চায়ত এলেকাত আৰু ওচৰ চুবুৰীয়া গাওঁ বিলাকত প্ৰচণ্ড ঘূৰ্ণী বতাহ (ধুমুহা) হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি হয়, তেন্তে কিমানটা পৰিয়াল ক্ষতিগ্ৰস্থ হৈছে আৰু মুঠ ক্ষয়ক্ষতিৰ পৰিমাণ কিমান? (পৰিয়ালৰ তালিকা সহ তথ্য দাখিল কৰিব)

(গ) ক্ষতিগ্ৰস্থ পৰিয়াল বিলাকৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়।

(খ) আগমনী আৰু গোলোকগঞ্জ চক্ৰ এলেকাত যোৱা ১৬-১-২০০২ ইং তাৰিখত হোৱা ধুমুহাত মুঠ ১৩৫১ (এক হাজাৰ তিনিশ একাৱন্ন) টা পৰিয়াল ক্ষতিগ্ৰস্থ হয়। তাৰ ভিতৰত ৮১৮ টা পৰিয়াল সম্পূৰ্ণকৈ ২৯৮ টা পৰিয়ালৰ আংশিক ক্ষতি হয় আৰু ২৩৫ টা পৰিয়ালৰ খেতি নষ্ট হয়। এইবোৰৰ উপৰিও ৬ খন শিক্ষানুষ্ঠান আৰু ৫ টা মন্দিৰ ক্ষতিগ্ৰস্থ হয়।

মুঠ ক্ষয়ক্ষতিৰ পৰিমাণ ও মূল্য আনুমানিক ২৯,০৪,৬০০/-

(ঊনত্ৰিশ লাখ চাৰি হাজাৰ ছয়শ টকা)

(পৰিয়ালৰ তালিকা ও তথ্য দাখি কৰা হ'ল)। (See the Annexure- III)

(গ) ধুমুহাত ক্ষতিগ্ৰস্থ পৰিয়ালৰ পুনৰ সংস্থাপনৰ সাহাৰ্য্যৰ বাবে এটি প্ৰস্তাৱ জিলা উপায়ুক্তই যোৱা ২২/২/২০০২ ইং তাৰিখে চৰকাৰৰ ওচৰত দাখিল কৰিছে আৰু উক্ত প্ৰস্তাৱটো চৰকাৰে পৰীক্ষা কৰি আছে।

## Re : Total Govt. Debts.

**Shri Misabahul Islam Laskar asked:**

64. Will the Minister of Finance be pleased to state:

(a) What was the State Governments total debts on 1-4-91, 1-4-96 and 1-4-2001?

**Shri Devananda Konwar (Minister, Finance) replied:**

(a) The total debt of the State Govt. on 1-4-91, 1-4-96, and 1-4-2001 was Rs.4309.44 crores, Rs. 5329.11 crores and Rs. 10013.14 crores respectively.

## Re : Statfed.

**Shri Kali Ranjan Deb asked:**

65. Will the Minister of Co-operation be pleased to state:

(a) Is it a fact that 'Statfed' has submitted a proposal for allowing them managerial subsidy of Rs. 12.00 crores for inclusion in State Govt. budget for 2002-2003?

(b) Is it also a fact that Statfed has submitted another proposal for a sum of Rs. 4.60 crores for creating a suffer stock of essential commodities for market intervention?

(c) If so, whether Govt. will accomodate their proposal in the budget of 2002-2003?

(d) If not, why?

**Shri Bharat Chandra Narah (Minister, Co-operation) replied:**

(a) Yes.

(b) Yes.

(c) The Govt. is not in a position to accomodate the proposal in the budget of 2002-2003.

(d) As the total allocation made by planning & Dev. Department for Co-operative Sector is only Rs. 7.75 crores which doesnot cover even the salary component, the department is not in a possition to accomodate the proposal.

## Re : Survey Report.

**Shri Abdul Jabbar asked:**

66. Will the Minister of Revenue be pleased to state:

(a) What is the total area of Orang Forest Sanctuary as per last survey report? (Furnish the year of Survey Report)

(b) Whether it is a fact that the Govt. has evicted periodic patta holders of Kachomari Nepali gaon and against the eviction a case is pending in the Hon'ble Gauhati High Court?

(c) Whether it is also a fact that Forest Department has encroached periodic and Eksona Patta lan of No.1 Kachari Bheti tup and Kasomari Nepali gaon?

(d) Whether the Govt. will take steps to drive back the Forest Department to its own territory?

**Shri Devananda Konwar (Minister, Revenue) replied :**

(a) Total area of Orang forest sanctuary is 7880.79 hactors.

(Year of last survey is 8-4-99)

(b) No, it is not a fact that Govt. have evicted periodic patta holders of Kachomari Nepali gaon. A civil writ petition No.3346/2000 is pending in the Hon'ble Gauhati High Court.

(c) No

(d) Does not arise.

## বিষয় ঃ চি, ডি, পি, অ' চাকৰি।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছেঃ**

৬৭। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিভাগৰ তৰফৰ পৰা কেইজন মান চি, ডি, পি, অ'ক চাকৰীৰ পৰা আজৰি কৰি দিয়া হৈছে নেকি?

(খ) যদিহে আজৰি কৰা হৈছে কিমান জনক কৰা হৈছে?

(গ) আজৰি কৰাৰ কাৰণ জনাব নেকি?

**শ্রী গৌতম ৰয় (মন্ত্রী, সমাজ কল্যাণ) য়ে উত্তৰ দিছেঃ**

(ক) হয়।

(খ) ১৩ জনক।

(গ) সমাজ কল্যাণ বিবাগে লোক সেৱা আয়োগৰ জৰিয়তে ১৯৯৭ চনত ২৭ জন চি, ডি, পি, অ' নিযুক্তিৰ বাবে বিজ্ঞপ্তি প্রকাশ কৰিছিল। লোকসেৱা আয়োগে উত্তীর্ণ প্রার্থীৰ তালিকা ২০০০ চনৰ জুলাই মাহত সমাজ কল্যাণ বিভাগলৈ প্রেৰণ কৰে। উক্ত ২৭ জন প্রার্থীক নিযুক্তি দিয়াৰ বাবে উচ্চ ন্যায়ালয়ৰ আদেশ অনুসৰি ১৯৯৯ চনৰ ডিচেম্বৰ মাহত নিযুক্তি দিয়া ১৩ জন চি, ডি, পি, অ'ক চাকৰীৰ পৰা আজৰি দিয়া হয়।

## বিষয় ঃ কেন্দ্রীয় সমবায় বেংকৰ পূণর্জীৱন।

**শ্রী হিতেন্দ্র নাথ গোস্বামী য়ে সুধিছে ঃ**

৬৮। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) শিৱসাগৰ জিলা কেন্দ্রীয় সমবায় বেংকৰ পুনৰজীৱিত প্রক্রিয়া বৰ্ত্তমান কি পর্য্যায়ত আছে? (বিতং তথ্য দিব)

(খ) বেংকটোৰ মুঠ শাখাৰ সংখ্যা কিমান আৰু ক'ত এই শাখা সমূহ অৱস্থিত?

(গ) ইয়াৰে কেইটা শাখা কর্মৰত অৱস্থাত আছে?

(ঘ) কেন্দ্রীয় চৰকাৰৰ কোনো আংচনিৰ অধীনত বেংকটোৰ বেলেঞ্চ চিট নিকা কৰাৰ বাবে কোনো পুঁজি লাভ কৰাৰ সম্ভাৱনা আছে নেকি?

(ঙ) যদি আছে এই সম্পৰ্কে লাভ কৰা অগ্রগতি কি? (বিতং তথ্য দিব)

(চ) নার্বাডিৰ জৰিয়তে বেংক পূর্ণজীৱিত কৰাৰ কোনো প্রস্তাৱ আছে নেকি?

(ছ) বেংকৰ নতুন পৰিচালনা সমিতিখন কেতিয়া গঠন কৰা হ'ল আৰু এই কমিটিখনত কাক কাক অন্তর্ভূক্ত কৰা হৈছে?

(জ) ইয়াৰ আগৰ সমিতিখনৰ তালিকাও সদনত দিব নে?

**শ্রী ভৰত চন্দ্র নৰহ (সমবায় মন্ত্রী) য়ে উত্তৰ দিছে ঃ**

(ক) বেংকটোৱে সন্তোষজনক ভাৱে অগ্রগতি হ'ব পৰা নাই। সেইবাবে ২০০০-২০০৫

চনৰ বাবে Development Action Plan যুগুতাই নাবাৰ্ডিৰ পৰামৰ্শমতে কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ বাবে প্ৰেৰণ কৰা হৈছে।

(খ) বেংকটোৰ মুঠ শাখাৰ সংখ্যা ১৭ টা। সেইবোৰ তলত উল্লেখ কৰা ঠাই সমূহত অৱস্থিতঃ-

১) যোৰহাট ২) শিৱসাগৰ ৩) গোলাঘাট ৪) কমলাবাৰী ৫) সোণাৰী
৬) সৰু পথাৰ ৭) বোকাখাট ৮) নাজিৰা ৯) তিতাবৰ ১০) মৰাণ
১১) আমগুৰি ১২) টিয়ক ১৩) ভগামুখ ১৪) দেৰগাওঁ ১৫) বৰুৱাবামুণ গাওঁ
১৬) কহৰা ১৭) ফৰকাটিং

(গ) বেংকটোৰ ১৭ টা শাখাই কৰ্মৰত অৱস্থাত আছে।

(ঘ) বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঙ) বিষয়টো এতিয়াও কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(চ) হয়, আছে।

(ছ) যোৱা ইং ৬-১২-২০০১ তাৰিখে নতুন পৰিচালনা সমিতি গঠন কৰা হয়। নতুন পৰিচালনা মণ্ডলীৰ সদস্যসকল হ'ল ঃ-

| | | |
|---|---|---|
| ১) শ্ৰী অপূৰ্ব বৰুৱা | – | সভাপতি |
| ২) ,, পদ্ম শৰ্মা | – | উপ সভাপতি |
| ৩) ,, দীপ গগৈ | – | সদস্য |
| ৪) ,, ৰাণা গোস্বামী | – | ,, |
| ৫) ,, দিলীপ গগৈ | – | ,, |
| ৬) ,, ৰঞ্জন কটকী | – | ,, |
| ৭) ,, পৰেশ বৰা | – | ,, |
| ৮) যুটীয়া পঞ্জীয়ক সমবায় যোৰহাট মণ্ডল | – | ,, |
| ৯) নাবাৰ্ড প্ৰতিনিধি | – | ,, |

| | | | |
|---|---|---|---|
| ১০) | সচিব, পৰিচালন সঞ্চালক | | |
| | শিঃ জিঃ কেঃ সঃ বেংক | - | ,, |
| ১১) | মাণ্ডলিক পৰিচালক এপেক্স বেংক | - | ,, |
| ১২) | প্ৰতিনিধি কেন্দ্ৰীয় সমবায় বেংক | | |
| | কৰ্মচাৰী সন্থা | - | ,, |

(গ) আগৰ সমিতিৰ তালিকাখন হ'ল ঃ

| | | | |
|---|---|---|---|
| ১) | শ্ৰীসুনীল কুমাৰ শৰ্মা | - | সভাপতি। |
| ২) | ,, ভক্তিমান প্ৰধান | - | উপ-সভপতি। |
| ৩) | ,, লেঃ কঃ বি, কে বৰুৱা | - | সদস্য। |
| ৪) | শ্ৰী দীননাথ বৰুৱা | - | ,,। |
| ৫) | ,, অপূৰ্ব বৰুৱা | - | ,,। |
| ৬) | মাণ্ডলিক যুটীয়া পঞ্জীয়ক | | |
| | সমবায় বিভাগ | - | ,,। |
| ৭) | কৰ্মচাৰী সন্থাৰ (বেংক) প্ৰতিনিধি | - | ,,। |
| ৮) | মাণ্ডলিক পৰিচালক এপেক্স বেংক | - | ,,। |
| ৯) | সচিব/পৰিচালক সঞ্চালক শিৱসাগৰ | | |
| | কেন্দ্ৰীয় সমবায় বেংক | - | ,,। |

## বিষয় ঃ অসম সমবায় সূতাকল খোলাৰ ব্যৱস্থা।

**শ্ৰী চন্দন কুমাৰ সৰকাৰে সুধিছেঃ**

৬৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বন্ধ হৈ থকা অসম সমবায় সূতাকল, বইটামাৰীত খোলাৰ ব্যৱস্থা চৰকাৰে লৈছে নেকি আৰু যদি লৈছে, কেতিয়া খুলিব আৰু উৎপাদন আৰম্ভ হ'ব?

(খ) ১৯৯৭ চনৰ পৰা ২০০১ মাৰ্চলৈকে বইটামাৰী সূতাকলৰ নামত কিমান টকা মঞ্জুৰী দিয়া হৈছে আৰু কিমান টকা বেংকৰ পৰা (একাউন্টৰ) উঠাই খৰচ দেখুৱাইছে?

(গ) বৰ্ত্তমানলৈকে কিমান টকা উক্ত সমবায় সূতাকলৰ একাউন্টত জমা আছে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) পূৰ্বৰ চৰকাৰৰ দিনত সূতাকলটোৰ পৰিচালনা ব্যক্তিগত খণ্ডৰ হাতত দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। বিষয়টো বৰ্ত্তমান পুনৰ বিবেচনাধীন হৈ আছে।

| | | | |
|---|---|---|---|
| (খ) মুঠ অৰ্থ সাহাৰ্য্য | = | ১,৬৯,৯৫,০০০.০০ | টকা |
| মুঠ খৰচ | = | ১,৫১,৫৪,৬৬৬.৪৯ | টকা |
| বেংক একাউন্টৰ পৰা খৰচ | = | ৭৩,৬১,৭৪৪.২০ | টকা |

(গ) ৩১-৩-২০০১ তাৰিখলৈ

একাউন্টত জমা = ১৯.১১ লাখ টকা

## বিষয় ঃ পৌৰ নিগমৰ ভূমি ৰাজহ সংগ্ৰহ।

**শ্ৰী গুণীন হাজৰিকা য়ে সুধিছে ঃ**

৭০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গুৱাহাটী পৌৰ নিগম এলেকাত বছৰি কিমান টকাৰ ভূমি ৰাজহ সংগ্ৰহ হয়?

(খ) এই ৰাজহ অকল ম্যাদি পট্টাৰ গৰাকী সকলৰ পৰাই লোৱা হয়নে?

(গ) এই পৌৰ নিগম এলেকাত চৰকাৰী মাটি বেদখলৰ হিচাব চৰকাৰৰ হাতত আছেনে?

(ঘ) যদি আছে, মুঠ কিমান বিঘা মাটি বেদখলত আছে আৰু চৰকাৰে কিমান টকাৰ ৰাজহ এই বেদখলৰ বাবে হেৰুৱাইছে?

**শ্ৰী দেৱানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী পৌৰ নিগম এলেকাত বৰ্ত্তমান বছৰি ১৭,৯৩,৪৩০ টকা (সোতৰ লাখ তিৰান্নবৈ হেজাৰ চাৰিশ ত্ৰিশ টকা) ভূমি ৰাজহ সংগ্ৰহ কৰা হয়।

(খ) এই ৰাজহ ম্যাদি পট্টাৰ গৰাকী সকলৰ উপৰিও একচনা পট্টা নিস্পিখেৰাজ, গ্ৰান্ট আদিৰ পৰাও লোৱা হয়।

(গ) আছে।

(ঘ) ১৭,২৬৪ বিঘা ১ কঠা ৬ লেচা (সোতৰ হেজাৰ দুইশ চৌশষ্ঠি) বিঘা এক কঠা ছয় লেছা চৰকাৰী মাটিত যিহেতু তৌজি বাহিৰা মূল্য ধাৰ্য্য কৰা হোৱা নাই সেয়ে ৰাজহ হেৰুৱাৰ পৰিমাণ দিব পৰা নাযায়।

## বিষয় ঃ বিকল্প বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ।

**শ্ৰী ৰণেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছেঃ**

৭১। মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ সমষ্টিত কোন কোন গাঁৱত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ বিকল হৈ আছে? (তালিকা সহ জনাব)

(খ) উক্ত বিকল হৈ থকা ট্ৰেন্সফৰ্মাৰ বিলাক মেৰামতি কৰি অথবা নতুন ট্ৰেন্সফৰ্মাৰ বহুৱাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

(গ) গৌৰীপুৰ সমষ্টিৰ অৰ্ন্তগত ভাৰত বাংলাদেশ সীমান্তৰ মালিয়া আৰু বেৰভাঙ্গী গাওঁ পঞ্চায়ত এলেকাত বৈদ্যুতিক লাইন টনা হৈছে অথচ বিদ্যুৎ প্ৰবাহৰ কোনো ব্যৱস্থা এতিয়ালৈ হোৱা নাই, এই সম্পৰ্কে চৰকাৰ অৱগতনে?

(ঘ) যদি হয়, উক্ত গাঁও পঞ্চায়ত এলেকা বিলাকত কেতিয়া বৈদ্যুতিকৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব?

**শ্ৰী দেৱানন্দ কোঁৱৰ (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ সমষ্টিৰ তলত উল্লেখিত গাওঁ বিলাকত বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ বিলাক বেয়া হৈ আছে।

১) হাতীবান্ধা ২) দোলমাখা ৩) জালাবিলা ৪) শান্তিপুৰ খোপাটি
৫) পলাশগুৰি ৬) বংশি বৰা ৭) চৰ যোগীপাৰা ৮) লালমোহনেৰ আলগা
৯) দল লিংত্ৰৰ আলগা ১০) দেবোত্তৰ হাঁ সদা ৬ নং ১১) গোৱামাৰী (২ নং)
১২) দোলী গাওঁ ১৩) খুটা বানৰা ১৪) আলমগঞ্জ ১৫) খুদীমাৰী (২ নং)
১৬) দাতভাঙ্গী ১৭) সাজেঁৰ কুটি ১৮) হসুৰ দহ (২ নং)

(খ) ধনৰ প্ৰাপ্তি সাপেক্ষে বিকল হৈ থকা ট্ৰেন্সফৰ্মাৰ বিলাক মেৰামতিৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) অৱগত।

(ঘ) এই অঞ্চলত বিজুলী সৰবৰাহ কৰাৰ বাবে বিভিন্ন আঁচনি বৰ্ত্তমান বিদ্যুৎ পৰিষদে অৰ্থ প্ৰাপ্তিৰ সাপেক্ষে পৰ্য্যায় ক্ৰমে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা হাতত লৈছে।

## বিষয় ঃ নতুন ট্রেন্সফৰ্মাৰ স্থাপন।

**শ্ৰী মিশন ৰঞ্জন দাস জিজ্ঞাসা করেছেনঃ**

৭২। মাননীয় বিদ্যুৎ বিভাগের মন্ত্রী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি?

(ক) এ, এস, ই, বি করিমগঞ্জ ডিবিশনের অন্তর্গত দূৰ্ল্লভছড়া সাব ডিভিশনের এলাকাধীন বাজার ঘাট পাহারতল পলভহর প্রভৃতি গ্রামের জন্য বিদ্যুৎ সরবরাহকারি টেন্সফৰ্মারিটি দীর্ঘদিন থেকে নষ্ট হওয়ায় বর্নিত এলাকা সমূহের গ্ৰাহকগণ দীর্ঘদিন থেকে বৈদ্যুৎতিক আলোহিন অৱস্থায় আছেন, এব্যাপারে সরকার অবহিত আছেন কি?

(খ) যদি আছেন, তাহলে শিঘ্রই নতুন ট্রান্সফর্মারি স্থাপন করে উক্ত এলাকার বিদ্যুৎ গ্রাহকদের জন্য বৈদ্যুতিক আলোর ব্যৱস্থা গ্রহণ করবেন কি এবং যদি না কেন?

(গ) সম্প্রতি বিভাগীয় কত্তৃপক্ষ নতুন ট্রেন্সফর্মারি বরাদ্দ না হওয়া পর্য্যন্ত উত্তর বাজারঘাট গ্রামস্থিত-রবীন্দ্র চক্রবৰ্ত্তীর বাড়ীর নিকটবৰ্ত্তী ট্রেন্সফর্মারি থেকে দক্ষিণ বাজার ঘাট স্থিত আক্রম আলীৰ বাড়ী পর্য্যন্ত এবং পাহাড়তল গ্রামের ট্রেন্সফর্মারি থেকে প্রদীপ কুমার দাসের বাড়ী পর্য্যন্ত কয়েকজন গ্রাহক দিগকে অস্থায়ী ভাবে বিদ্যুৎ সংযোগ করে দিয়েছেন। মৌখিক নির্দেশের মাধ্যমে বাকি থাকা গ্রাহকগণ বার বার দারি জানানো স্বত্ত্বেও অনুৰূপভাবে আলোর ব্যৱস্থা না করার বিষয়ে অৱগত আছেন কি?

(ঘ) শীঘ্রই উক্ত এলাকার গ্রাহকদিগকে নিকটবৰ্ত্তী যে কোন একটি ট্রেন্সফৰ্মারি থেকে বিদ্যুৎ সংযোগ করত আলোর ব্যৱস্থা করে দিবেন কি?

**শ্ৰী দেবানন্দ কোঁৱৰ (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়।

(খ) কৰা হ'ব।

(গ) আছে।

(ঘ) দিব পৰা নাযাব।

## বিষয় ঃ হাতীঘূলি বান্ধ।

**শ্ৰী জগদীশ ভুঞাই সুধিছে ঃ**

৭৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) তিনিচুকীয়া জিলাৰ হাতীঘূলি বান্ধটো ভাঙি থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(খ) উক্ত বান্ধটো নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহাৰ্য্যৰ কোনো আঁচনি আছে নেকি?

(গ) যদি আছে, উক্ত আঁচনি কেন্দ্ৰীয় চৰকাৰৰ কাৰিকৰী অনুমোদনৰ বাবে কেতিয়া প্ৰেৰণ কৰা হৈছিল? (তাৰিখ জনাব)

(ঘ) কেন্দ্ৰীয় চৰকাৰে কাৰিকৰী অনুমোদন কেতিয়া দিছে? (তাৰিখ জনাব)

(ঙ) বৰ্ত্তমান আঁচনিখন কি পৰ্য্যায়ত আছে?

(চ) বান্ধৰ নিৰ্মাণৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জ্ঞাত ।

(খ) হয় আছে।

(গ) "A/E measures to protect Saikhowa protection bund Ph-III including Silting device to divert combined channel of Lohit and Debang to its original course" নামৰ আঁচনি এখন চিঠিৰ নং-

ACE/FC/WD-135/2 Dated 17-12-97 যোগে কেন্দ্ৰীয় চৰকাৰৰ কাৰিকৰী অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছিল।

(ঘ) চিঠিৰ নং 59/Buridehing/97/FM-II/13 dated 5.1.98 যোগে কেন্দ্ৰীয় জল আয়োগে অনুমোদন জনাইছে। আকৌ চিঠি নং - 12(I)3/98-Vol-II, I & CAD dt. 17.4.98 যোগে কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা আয়োগে ৩৪৫.৮৩ লাখ টকা ব্যয় সাপেক্ষে বিত্তীয় বিনিয়োগৰ অনুমোদন দিছে।

(ঙ) আঁচনিখনৰ বৰ্ত্তমানে প্ৰাৰম্ভিক পৰ্য্যায়ৰ কাম যেনে- নিবিদা আহ্বান ঠিকাদাৰৰ মাজত কামৰ আবন্টন আদি চলি আছে।

(চ) বান্ধৰ নিৰ্মাণৰ বাবে ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বিভাগে স্থানীয় একাংশ ৰাইজৰ বাধাৰ সন্মুখীন হৈছে। এই সমস্যা দূৰ হোৱাৰ পিছতেই প্ৰয়োজনীয় পুঁজিৰ আবন্টন সাপেক্ষে আঁচনিখনৰ ৰূপায়নৰ কাম হাতত ল'ব পৰা যাব বুলি আশা কৰা যায়।

## বিষয় ঃ বাননিয়ন্ত্ৰণৰ আঁচনি।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

৭৪। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ব্ৰহ্মপুত্ৰ নদীৰ ভয়াবহ গড়াখহনীয়াই বৰপেটা জিলাৰ চেঙা, বাঘবৰ সমষ্টিৰ অধ্যুষিত সংখ্যালঘু অঞ্চলসমূহৰ গাওঁবোৰ নিশ্চিহ্ন হোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) জিলাখনত ব্ৰহ্মপুত্ৰৰ প্ৰৱল গড়াখহনীয়াই আৰু যাতে অধিক গাওঁ নিশ্চিহ্ন কৰিব নোৱাৰে তাৰ বাবে দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত বাননিয়ন্ত্ৰণৰ আঁচনি গ্ৰহণ কৰিছে নেকি?

**শ্ৰী ভৰত নৰহ (বাননিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়, অৱগত।

(খ) দশম পঞ্চবাৰ্ষিক পৰিকল্পনাত অৰ্ন্তভূক্তিৰ বাবে আঁচনি প্ৰস্তুত কৰি থকা হৈছে।

## বিষয় ঃ পুনৰ সংস্থাপনৰ ব্যৱস্থা।

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছেঃ**

৭৫। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কোকৰাঝাৰ জিলাত এতিয়ালৈকে মুঠ কিমানজন আদিবাসী আৰু বড়ো সকলৰ আশ্ৰয় শিবিৰ আছে?

(খ) কিমানটা আদিবাসী আৰু বড়ো পৰিয়ালক এতিয়ালৈকে পুনৰ সংস্থাপন দিয়া হ'ল? (সদনৰ মজিয়াত পুনৰ সংস্থাপন হোৱা পৰিয়ালৰ সংখ্যা দাখিল কৰিব)।

(গ) পুনৰ সংস্থাপনৰ বাবদ কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ কিমান ধন মোকলাই দিয়া হ'ল?

(ঘ) এতিয়ালৈকে কিমানটা বড়ো আৰু আদিবাসী পৰিয়াল আশ্ৰয় শিবিৰত আশ্ৰয় লৈ আছে আৰু তেওঁলোকৰ কাৰণে কিমান দিনৰ কাৰণে খাদ্য যোগান ধৰা হয়?

(ঙ) এই খাদ্য যোগানৰ বাবে মাহিলী চৰকাৰৰ পৰা কিমান টকা খৰচ হয়?

(চ) অস্বাস্থ্যকৰ পৰিৱেশ আৰু অপৰিপুষ্টিজনীত আহাৰৰ বাবে আজি পৰ্য্যন্ত কিমানজন বড়ো আৰু আদিবাসী শৰণাৰ্থীৰ মৃত্যু হৈছে আৰু কিমানজন এতিয়া অচিন ৰোগত ভূগি আছে?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৫৪ টা।

(খ) ৪,৫৯১ টা। ইয়াৰ ভিতৰত কোকৰাঝাৰ মহকুমাত ১,২২১ টা আদিবাসী আৰু ৫১০ টা বড়ো পৰিয়াল আৰু গোঁসাইগাওঁ মহকুমাত আদিবাসী ৯৯৭ টা আৰু বড়ো ১,৮৬৩ টা পৰিয়াল আছে।

(গ) কোকৰাঝাৰ জিলাত এতিয়ালৈকে পুনৰ সংস্থাপনৰ বাবদ মুঠ ৪,০৬,৩০,৪০০/- টকা ৰাজ্য চৰকাৰৰ খৰচ হৈছে। এই শিতানত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ ৰাজকোষলৈ এটা থুলমুল অনুদানহে আগবঢ়াইছে।

(ঘ) এতিয়ালৈকে ৬,০৮৯ টা বড়ো আৰু ২৭,০২০ টা আদিবাসী পৰিয়াল আশ্ৰয় শিবিৰত আছে। তেওঁলোকৰ ৰাজহ বিভাগৰ সাহাৰ্য্য বিধি (Assam Relief Manual ) মতে মাহত ১০ দিন কৈ খাদ্য দি থকা হৈছে।

(ঙ) বৰ্ত্তমানে মাহে ৮৩,৮৫,২৩১/- টকা খাদ্য যোগানৰ বাবদ কোকৰাঝাৰ জিলাত (G.R. হিচাবে) ৰাজ্য চৰকাৰৰ খৰচ হয়।

(চ) সচাঁ নহয়।

## বিষয় ঃ নিয়মীয়া দৰমহা দিয়াৰ ব্যৱস্থা।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছেঃ**

৭৬। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ষ্টেটফেড প্ৰতিষ্ঠানত কাম কৰা কৰ্মচাৰী সকলে নিয়মীয়াকৈ দৰমহা পাই আছেনে?

(খ) যদি নাই; তেওঁলোকক নিয়মীয়াকৈ দৰমহা দিয়াৰ বাবে কৰ্ত্তৃপক্ষই কি ব্যৱস্থা লৈছে?

(গ) এই প্ৰতিষ্ঠানটোক আৰ্থিকভাৱে সবল কৰি তুলিবলৈ চৰকাৰে কি ব্যৱস্থা লৈছে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় মন্ত্ৰী)'য়ে উত্তৰ দিছে ঃ**

(ক) অধিকাংশ কৰ্মচাৰীয়ে নিয়মিতভাৱে দৰমহা পোৱা নাই।

(খ) ষ্টেটফেড কৰ্তৃপক্ষই চেষ্টা চলাই আছে।

(গ) অনুষ্ঠানটোক আৰ্থিকভাৱে সৱল কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ প্ৰচেষ্টা চলাই থকা হৈছে। এই ক্ষেত্ৰত বিভিন্ন বিত্ত প্ৰতিষ্ঠানৰ পৰা সহায় পাবৰ কাৰণে যোগাযোগ ৰখা হৈছে। তৎসত্বেও এইটো অনস্বীকাৰ্য্য যে চৰকাৰৰ অৰ্থনৈতিক সৱলতাৰ ওপৰতহে অনুষ্ঠানটোৰ আৰ্থিক দিশৰ উন্নয়ন জড়িত হৈ আছে।

## বিষয় ঃ মথাউৰিৰ সংখ্যা।

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

৭৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান অসমত কিমানটা মথাউৰী (ক,খ,গ) আছে?

(খ) ইয়াৰে কিমানটা মথাউৰী বানপানীয়ে ভঙাৰ পিচত মেৰামতি নকৰাকৈ আছে?

(গ) ধেমাজি জিলাৰ আৰনে চাপৰি, পিপলুগুৰি, ভুলুকা চাপৰি, কাৰেং চাপৰি, জীয়াঢল নদীৰ বাননিয়ন্ত্ৰণৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি, যদি লৈছে সৰ্বমুঠ কিমান আঁচনি লৈছে?

(ক) বৰ্ত্তমান অসমত মুঠ ৩৯৫ টা মথাউৰী আছে। তাৰে (ক) শাখাত - ১৪০ টা 'খ' শাখাত - ১০৩ টা, 'গ' শাখাত - ৭৯ টা আৰু 'ঘ' শাখাত - ৭৩ টা মথাউৰী আছে।

(খ) ৮৩ টা মথাউৰী বানপানীয়ে ভঙাৰ পিছত মেৰামতি নকৰাকৈ আছে।

(গ) ধেমাজি জিলাৰ আৰনে চাপৰি, পিপলুগুৰি, ভলুকা চাপৰি, কাৰেং চাপৰি, জিয়াঢল নদীৰ বাননিয়ন্ত্ৰণৰ বাবে চৰকাৰে প্ৰস্তুত কৰা ৬ খন আঁচনিৰ নাম আৰু বৰ্ত্তমানৰ পৰ্য্যায়ৰ বিৱৰণ তালিকা পৰিশিষ্ট 'খ' ত দাখিল কৰা হৈছে আৰু সংলগ্ন কৰি দিয়া হ'ব। (See the Annexure- IV)

(ঘ) লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা মহকুমাৰ ব্ৰহ্মপুত্ৰৰ মাতমৰা গৰাখহনীয়া প্ৰতিৰোধৰ আৰু মথাউৰী নিৰ্মাণৰ বাবে প্ৰায় ২৬৯৫.৬৫ লাখ টকাৰ ব্যয় সাপেক্ষে লোৱা ৫ খন আঁচনি প্ৰস্তুত কৰা হৈছে। (পৰিশিষ্ট 'গ' ত তালিকা সংলগ্ন কৰি দিয়া হ'ল।) (See the Annexure-V)

**বিষয় ঃ সৰ্বমঙ্গলমৰ সংস্থা পঞ্জীয়ন।**

**শ্ৰী নীলমণি সেন ডেকাই সুধিছে ঃ**

৭৮। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) সৰ্বমঙ্গলম নামৰ স্বেচ্ছাসেৱী সংস্থাটো (Societies Registration Act) ৰ অধীনত পঞ্জীভূক্ত হয়নে?

(খ) যদি পঞ্জীভূক্ত, তেতিয়া হ'লে সংস্থাটোৱে বছৰেকীয়া সভা সমিতি পাতি Registrar Society ৰ অধীনত হিচাপ পত্ৰ দাখিল কৰিছেনে?

(গ) যদি কৰা নাই, Registration বাতিলৰ অইন কিবা ব্যৱস্থা কৰিছে নেকি?

(ঘ) সৰ্বমঙ্গলমৰ বিষয়ববীয়া আৰু সদস্য সকলৰ তালিকা সদনত দাখিল কৰিবনে?

(ঙ) সৰ্বমঙ্গলমৰ Accounts ত কিমান টকাৰ লেন-দেন হৈছিল?

**শ্ৰী দেবানন্দ কোঁৱৰ (বিত্ত মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়। অৱশ্যে সমিতি সমূহৰ পঞ্জীয়কৰ কাৰ্য্যালয়ৰ নথীমতে সংস্থাটোৰ পঞ্জীয়নৰ কাৰ্য্যকাৰিতা ১১/৩/২০০০ তাৰিখত শেষ হোৱা দেখা যায়।

(খ) নাই কৰা।

(গ) কৰা হোৱা নাই।

(ঘ) তালিকা সংলগ্ন কৰা হ'ল। (See the Annexure- VI)

(ঙ) জ্ঞাত নহয়।

**বিষয় ঃ সমবায় সমিতিৰ টকা আত্মসাৎ।**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

৭৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা দহ বছৰে বিভিন্ন জিলাৰ সমবায় সমিতিৰ সম্পাদক আৰু অন্যান্য ব্যক্তি সকলে কোন কোন সমিতিৰ কিমান কিমান টকা আত্মসাৎ কৰিছে ও ধাৰে লৈ ঘুৰাই দিয়া নাই? (জিলা ভিত্তিত সমিতিৰ বিপৰীতে সম্পাদক আৰু অন্যান্য সম্পাদক আৰু অন্য ব্যক্তিৰ নাম ও টকাৰ পৰিমাণ উল্লেখ কৰি তথ্য দাখিল কৰিব।)

(খ) চিঠি নং CE/(P)533/95/3, dtd. 21-9-95 ৰ বাদে সম্পাদক ও অন্যান্য ব্যক্তি সকলৰপৰা উক্ত টকা তোলাৰ বাবে পৰৱৰ্ত্তী কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে আৰু যদি কৰিছে, কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) উপৰোক্ত ধৰণে সমিতিৰ ব্যৱসায়ত লোকচান অনা সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'বনে আৰু যদি হয় কেনে ব্যৱস্থা গ্ৰহণ কৰা হ'ব?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বিভিন্ন জিলাৰ সমবায় সমিতিৰ টকা আত্মসাৎ কৰা সম্পাদক আৰু অন্যান্য ব্যক্তি সকলৰ তালিকা (টকাৰ পৰিমাণসহ) সদনত দাখিল কৰা হ'ল।

(খ) সেই চিঠিত উল্লেখ কৰা নিৰ্দেশৰ ওপৰত টকা ফিৰাই পোৱাৰ বাবে আত্মসাৎ কৰা সম্পাদক ও অন্যান্য ব্যক্তি সকলৰ ওপৰত বিভাগীয় অনুশাসনমূলক ব্যৱস্থা লৈ থকা হৈছে।

(গ) হ'ব।

আইনগত ব্যৱস্থা অনুযায়ী আত্মসাৎ কৰা টকা ফিৰাই পাবৰ নিমিত্তে Civil Liability ব্যৱস্থাৰে CDC (Co-op Demand Certificate) জাৰি কৰা হ'ব আৰু লগতে Criminal Liability ৰ বাবে Proceeding আদালতৰ জৰিয়তে গোচৰ তৰা হ'ব।

## বিষয় ঃ সমবায় সমিতিৰ সংখ্যা।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

৮০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজখনত সৰ্বমুঠ কিমানখন সমিতি তদৰ্থ ভিত্তিত আছে?

(খ) উক্ত সমবায় সমূহৰ কিমানখন সমিতি তদৰ্থ ভিত্তিত আছে?

(গ) বৰ্ত্তমান সমবায় সমিতিৰ জৰিয়তে জনসাধাৰণে কি কি সামগ্ৰী কিমান পৰিমাণৰ লাভ কৰে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (সমবায় মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত সৰ্বমুঠ ৮৭০৪ খন সমবায় সমিতি আছে।

(খ) ৰাজ্যখনত ৮৭০৪ খন সমবায় সমিতিৰ ভিতৰত ৫০৮ খন তদৰ্থ ভিত্তিত আছে।

(গ) বৰ্ত্তমান সমবায় সমিতিৰ জৰিয়তে জনসাধাৰণে ক্ৰমে এ, পি, এল, বি, পি, এল, অন্তোদায়া, অন্নপূৰ্ণা আঁচনিৰ অধীনত চাউল আৰু সূলভ মূল্যৰ চেনী, কেৰাচিন আদি সামগ্ৰী লাভ কৰি আছে। এই সামগ্ৰীবোৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে সময়ে সময়ে নিৰ্দ্ধাৰিণ কৰি দিয়া মূল্যসূচী আৰু পৰিমাণৰ ভিত্তিত সমবায় সমিতিয়ে জনসাধাৰণক বিতৰণ কৰে।

## বিষয় ঃ নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন।

**শ্ৰী মিশন ৰঞ্জন দাস জিজ্ঞাসা করেছেনঃ**

৮১। মাননীয় বিদ্যুৎ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি?

(ক) বিগত ২০-০৬-২০০০ ইং তারিখে গৌহাটীস্থিত আসাম রাজ্যিক বিদ্যুৎ পরিষদ প্ৰধান কাৰ্য্যালয় থেকে Suptd. Engineer (Pep) কৰ্ত্তৃক কাছাড় সার্কেলের Suptd. Engineer এরনিকট No. CE/(D)/PP/T-2/SI/CPC/95/113/77 প্ৰদত্ত পত্ৰের মৰ্মানুযায় কাছাড় সার্কেলের Suptd. Engineer করিমগঞ্জ ডিবিশনের Executive Engineer এবং দুল্লভছড়া সাবডিবিশনের Asstt. Executive Engineer বাজারঘাট গ্ৰাম সেবক কোয়াৰ্টারের নিকটবৰ্ত্তী স্থানে একটি নতুন ট্ৰেন্সফৰ্মাৰ স্থাপনের জন্য উক্ত পত্ৰ প্ৰেরণের ১৮ মাস অতিক্ৰান্ত হওয়ার পর পৰ্য্যন্ত বিভাগীয় কি কি কাৰ্য্যকরি পদক্ষেপ নিয়েছেন, বিশদ তথ্য সদনের মেঝে দাখিল করিবেন?

(খ) বৰ্ত্তমান অৰ্থবৰ্ষে উক্ত স্থানে একটি নতুন ট্ৰেন্সফৰ্মারি স্থাপন করবেন কি?

**শ্ৰী দেবানন্দ কোঁৱৰ (শক্তিমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বাজাৰঘাট গ্ৰাম সেৱক কোৱাৰ্টাৰৰ ওচৰত এটা ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ বাবে এষ্টিমেট অনুমোদন কৰা হৈ আছে। কিন্তু প্ৰয়োজনীয় ধনৰ (Plan Fund) অভাৱত কৰিব পৰা হোৱা নাই।

(খ) চলিত আৰ্থিক বছৰত নতুন ট্ৰেন্সফৰ্মাৰ স্থাপন কৰাৰ সম্ভাৱনা নাই।

## বিষয় ঃ চাহ উৎপাদন।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

৮২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) প্ৰতি কিলোগ্ৰাম চাহত অসম চৰকাৰে কিমান পৰিমাণৰ ৰাজহ পায়?

(খ) ৰাজ্য চৰকাৰৰ ৰাজকোষত চাহৰ পৰা আহিব লগা ৰাজহৰ পৰিমাণ বিগত কেইবছৰৰ পৰা নিম্নগামী হোৱাৰ কাৰণ কি?

(গ) কিমান পৰিমাণৰ চাহ বিক্ৰীৰ অভাৱত এনে গুদামত পৰি আছে?

**শ্ৰী দেবানন্দ কোঁৱৰ (বিত্তমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) অসম চৰকাৰে প্ৰতি কিলোগ্ৰাম হিচাপত চাহৰ ওপৰত ৰাজহ নাপায় কেৱল চাহৰ বিক্ৰী মূল্যৰ ওপৰত নিম্নলিখিত হাৰত কৰ ৰাজহ পায়।

(১) স্থানীয় বজাৰত বিক্ৰীৰ ক্ষেত্ৰত - ৮ শতাংশ

(২) আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত -

(ক) অন্য ৰাজ্যত পঞ্জীয়নভূক্ত বিক্ৰেতালৈ বিক্ৰী কৰিলে - ১০ শতাংশ

(৩) (ক) গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ জৰিয়তে বিক্ৰী কৰিলে - ২ শতাংশ।

(খ) গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ পৰা কিনি অন্য ৰাজ্যৰ পঞ্জীয়ন ভূক্ত বিক্ৰেতালৈ বিক্ৰী কৰিলে - কৰ নাই।

(গ) গুৱাহাটী চাহ নিলাম কেন্দ্ৰৰ পৰা কিনি স্থানীয়ভাবে বিক্ৰী কৰিলে - ৬ শতাংশ।

(৪) অন্য ৰাজ্যলৈ Stock Transfer কৰি পঠালে - কৰ নাই।

ইয়াৰ উপৰিও অসম চৰকাৰে প্ৰতি কিলোগ্ৰাম কেঁচা চাহপাতৰ ওপৰত ব্ৰহ্মপুত্ৰ উপত্যকাত ৩২ পইচা আৰু বৰাক উপত্যকাত ২৯ পইচা হিচাপে কৰ ৰাজহ পায়।

(খ) সাধাৰণ বিক্ৰী কৰ আইন আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইনৰ অধীনত চাহৰ পৰা আহিব লগা ৰাজহৰ পৰিমাণ বিগত বছৰ কেইটাত হ্ৰাস হোৱা নাই, কেৱল কৃষি আয়কৰ আইনৰ অধীনত সংগৃহীত ৰাজহৰ পৰিমাণ বিগত কেইবছৰ কেইটাত তুলনামূলক ভাবে নিম্নগামী হৈছে। ইয়াৰ কেইটামান মূল কাৰণ হ'ল ঃ-

(১) চাহ নিলাম কেন্দ্ৰত চাহৰ মূল্য হ্ৰাস।

(২) কম মূল্যত চীন, শ্ৰীলংকা, কেনিয়া আদি দেশৰ পৰা বিদেশী চাহ আমদানি কল্পে ভাৰতীয় চাহৰ চাহিদা হ্ৰাস।

(৩) চাহৰ ৰপ্তানী হ্ৰাস।

(৪) তুলনামূলক ভাৱে চাহৰ সলনি ব্যৱহৃত পানীয়ৰ পয়োভৰত চাহৰ চাহিদা হ্ৰাস।

(৫) তুলনামূলক ভাবে অসমত চাহ উৎপাদন ব্যয় অধিক হোৱা হেতু লাভাংশৰ পৰিমাণ হ্ৰাস।

আনহাতে কেচাঁ চাহপাতৰ উৎপাদন চাহপাতৰ চাহিদাৰ ওপৰত নিৰ্ভৰশীল হোৱা হেতু ২০০০-২০০১ বিত্তীয় বৰ্ষত কেচাঁ চাহপাতৰ ওপৰত সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ আগৰ বছৰতকৈ কিছু হ্ৰাস পাইছে।

(গ) এনে তথ্য এই বিভাগত নাই।

## বিষয় ঃ জনজাতি খণ্ড আৰু আবেষ্টনী খণ্ড।

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছেঃ**

৮৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত কিমানটা জনজাতি খণ্ড আৰু আবেষ্টনী খণ্ড আছে আৰু এইবোৰ কেতিয়া বলবৎ কৰা হৈছিল?

(খ) কাৰ কাৰ ভূমি খণ্ড সংৰক্ষিত কৰাৰ কাৰণে এই খণ্ড আৰু আবেষ্টনী সৃষ্টি কৰা হৈছিল?

(গ) কিমান অসংৰক্ষিত শ্ৰেণীৰ লোকক এতিয়ালৈকে বা আজিৰ তাৰিখলৈকে সংৰক্ষিত এলেকাত সংস্থাপিত কৰা হ'ল?

(ঘ) চৰকাৰে এনে বে-আইনী লোকৰ মাটি দখল মুক্ত কৰাৰ ব্যৱস্থা হাতত লৈছে নেকি?

(ঙ) যদি কৰিছে, কিমান মাটি দখলমুক্ত কৰিলে জিলা ভিত্তিত তথ্য দাখিল কৰিব?

**শ্ৰী দেবানন্দ কোঁৱৰ (ৰাজহ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) অসমত ৩০ টা জনজাতি খণ্ড আৰু ১৭ টা জনজাতি আবেষ্টনী আছে। এইবোৰ

নিম্নোক্ত তাৰিখত বলবৎ কৰা হৈছে। এপ্ৰিল ১৯৪৫, আগষ্ট ডিচেম্বৰ ১৯৪৭, জুন-জুলাই ১৯৪৮, আগষ্ট, ডিচেম্বৰ ১৯৪৯, ফেব্ৰুৱাৰী, চেপ্তেম্বৰ, নভেম্বৰ, ডিচেম্বৰ ১৯৫০, মাৰ্চ ১৯৫১, চেপ্তেম্বৰ ১৯৫৩, ফেব্ৰুৱাৰী-১৯৫৮, এপ্ৰিল - ১৯৬৪, ফেব্ৰুৱাৰী- ১৯৭৭, ফেব্ৰুৱাৰী- ১৯৭৮, এপ্ৰিল- ১৯৭৯, মাৰ্চ, আগষ্ট ১৯৮২, জুন ১৯৮৩, জুলাই, নবেম্বৰ ১৯৮৪, জুন ১৯৮৯।

(খ) তলত দিয়া সম্প্ৰদায়ৰ লোকৰ ভূমি খণ্ড সংৰক্ষিত কৰাৰ কাৰণে এই জনজাতীয় খণ্ড আৰু আবেষ্টনী সমূহ সৃষ্টি কৰা হৈছিল।

(১) ভৈয়াম জনজাতি (২) পাহাৰীয়া জনজাতি (৩) চাহ জনজাতি (৪) চাওঁতাল (৫) অনুসূচীত জাতি (৬) গোৱালপাৰা, ধুবুৰী, কোকৰাঝাৰ আৰু বঙাইগাওঁ জিলাৰ খিলঞ্জীয়া কোছ ৰাজবংশী সকল (৭) নেপালী কৃষক আৰু গোপালক সকল (৮) নাথ সম্প্ৰদায়।

(গ) এই সংৰক্ষিত এলেকা সমূহ সৃষ্টি হোৱাৰ আগতে যিবিলাক অসংৰক্ষিত শ্ৰেণীৰ লোক এই অঞ্চলত বসবাস কৰি আহিছিল, তেওঁলোকৰ বাহিৰে অন্য লোকক এই সংৰক্ষিত এলেকাসমূহত সংস্থাপিত কৰা হোৱা নাই।

(ঘ) প্ৰচলিত আইন অনুসৰি বে-আইনী লোকৰ মাটি দখল মুক্ত কৰাৰ ব্যৱস্থা আছে। আৰু সেই অনুসাৰে প্ৰয়োজনীয় ব্যৱস্থা লৈ থকা হৈছে।

(ঙ) সৰ্বমুঠ ২৭৩৪ বিঘা ৪ কঠা ৩ লেচা মাটি বেদখল মুক্ত কৰা হৈছে।

## বিষয় ঃ টকা আৱন্টন।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছেঃ**

৮৪। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) দশম বিত্ত আয়োগৰ অনুমোদন ক্ৰমে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক ১৯৯৬-৯৭ চনৰ পৰা ২০০১-০২ বিত্তীয় বৰ্ষ পৰ্য্যন্ত মুঠ কিমান পৰিমাণৰ টকা আবন্টন দিছে?

(খ) উক্ত টকা উক্ত সময়ছোৱাত কোন কোন বিভাগক কিমানকৈ দিয়া হৈছে?

(গ) উক্ত টকা বিভাগসমূহে কি কি শিতানত কিমান টকা খৰচ কৰিলে?

শ্ৰী দেবানন্দ কোঁৱৰ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) দশম বিত্ত আয়োগৰ অনুমোদন ক্ৰমে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক ১৯৯৬-৯৭ চনৰ পৰা ২০০১-০২ বিত্তীয় বৰ্ষলৈকে আৱন্টন দিয়া ধনৰ পৰিমাণ সৰ্বমুঠ ৭৪৮১১৪.০০ লাখ টকা।

(খ) ১৯৯৬-৯৭ বৰ্ষৰ পৰা ২০০১-০২ বিত্তীয় বৰ্ষলৈকে বিত্ত বিভাগে সংশ্লিষ্ট বিভাগসমূহক মুকলি কৰি দিয়া ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'লঃ

| বিভাগ/শিতানসমূহ | | ১৯৯৬-৯৭ বৰ্ষৰ পৰা ২০০১-০২ চনলৈ মুকলি কৰা ধনৰ পৰিমাণ |
|---|---|---|
| (১) | | (২) |
| (১) <u>ৰাজহ বিভাগ</u> | | |
| দুৰ্যোগ সাহায্য শিতান | - | ১৯৭৪৬.০০ লাখ |
| (২) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ | - | ৪১৬৭.৫০ লাখ |
| (৩) পৌৰ প্ৰশাসন বিভাগ | - | ৪৪৩.৭৫ লাখ |
| (৪) <u>উন্নীতকৰণ আৰু বিশেষ সমস্যা মঞ্জুৰী</u> | | |
| (ক) গৃহ বিভাগঃ | | |
| আৰক্ষী আবাস গৃহ নিমাৰ্ণ | - | ৭৪৬১.৭৪ লাখ |
| আৰক্ষী চকী নিমাৰ্ণ | - | ৬১.২০ লাখ |
| আৰক্ষী প্ৰশিক্ষণ | - | ১৫১.৫১ লাখ |
| অগ্নি নিৰ্বাপক সেৱা | - | ১৯৮.৮৮ লাখ |
| কাৰাগাৰ | - | ১৫৫.০০ লাখ |
| **মুঠ** | **- (ক)** | **৮০২৮.৩৩ লাখ** |
| (খ) <u>ৰাজহ বিভাগ</u> ঃ | | |
| তথ্য কেন্দ্ৰ নিৰ্মাণ | - | ১১৯.০০ লাখ |

(গ) <u>বিত্ত বিভাগ</u>

| | | |
|---|---|---|
| কোষাগাৰত কম্পিউটাৰ প্ৰৱৰ্ত্তন | - | ২৩০.০০ লাখ |

(ঘ) <u>শিক্ষা বিভাগঃ</u>

| | | | |
|---|---|---|---|
| প্ৰাথমিক বিদ্যালয়ৰ খোৰাপানী ব্যৱস্থা | | - | ২৫২০.৩৬ লাখ |
| মজলীয়া বিদ্যালয়ৰ খোৰাপানী ব্যৱস্থা | | - | ১১৯.০১ লাখ |
| ছাত্ৰীৰ শৌচাগাৰ নিৰ্মাণ | | - | ২৮৪.৮৫ লাখ |
| কন্যা শিক্ষাৰ উন্নয়ন | | - | ৩৪৩.৭৫ লাখ |
| | **মুঠ** | **- (ঘ)** | **৩৩৪৭.৯৭ লাখ** |

(ঙ) <u>গুৱাহাটী উন্নয়ণ বিভাগ</u> ঃ

| | | | |
|---|---|---|---|
| সচিবালয় ভৱন নিমাৰ্ণ | | - | ৮৮৩.২২ লাখ |
| | মুঠ | - (৪) | ৩৩৪৭.৯৭ লাখ |
| | সৰ্বমুঠ | - | ৩৬৯৬৫.৭৭ লাখ |

(গ) উক্ত টকা বিভাগসমূহে বিভিন্ন শিতানত কৰা খৰচৰ পৰিমাণ তলত দিয়া হ'লঃ

| বিভাগ/শিতানসমূহ (১) | | খৰছ কৰা টকাৰ পৰিমাণ (২) |
|---|---|---|
| (১) ৰাজহ বিভাগ | | |
| দুৰ্যোগ সাহায্য শিতান | - | ১৯৭৪৬.০০ লাখ |
| (২) পঞ্চায়ত আৰু গ্ৰামোন্নন বিভাগ | - | ১১৫৭.০০ লাখ |
| (৩) পৌৰ প্ৰশাসন বিভাগ | - | ৪৪৩.৭৫ লাখ |
| (৪) উন্নীতকৰণ আৰু বিশেষ সমস্যা মঞ্জুৰী | | |
| (ক) গৃহ বিভাগ ঃ | | |
| আৰক্ষী আবাস গৃহ নিমাৰ্ণ | - | ৭৩৫২.৪৪ লাখ |

| | | |
|---|---|---|
| আৰক্ষী চকী নিমাৰ্ণ | - | ৫০.১০ লাখ |
| আৰক্ষী প্ৰশিক্ষণ | - | ১৫১.৫১ লাখ |
| অগ্নি নিৰ্বাপক সেৱা | - | ১৯৮.৮৮ লাখ |
| কাৰাগাৰ | - | ১৩৭.০০ লাখ |
| মুঠ | - (ক) | ৭৮৮৯.৯৩ লাখ |

(খ) ৰাজহ বিভাগ ঃ

| | | |
|---|---|---|
| তথ্য কেন্দ্ৰ নিমাৰ্ণ | - | ৮২.৯১ লাখ |

(গ) বিত্ত বিভাগ

| | | |
|---|---|---|
| কোষাগাৰত কম্পিউটাৰ প্ৰৱৰ্ত্তন | - | ২৩০.০০ লাখ |

(ঘ) শিক্ষা বিভাগঃ

| | | |
|---|---|---|
| প্ৰাথমিক বিদ্যালয়ৰ খোৱাপানী ব্যৱস্থা | - | ২৫২০.৩৬ লাখ |
| মজলীয়া বিদ্যালয়ৰ খোৱাপানী ব্যৱস্থা | - | ১৯৯.০১ লাখ |
| ছাত্ৰীৰ শৌচাগাৰ নিমাৰ্ণ | - | ২৮৪.৮৫ লাখ |
| কন্যা শিক্ষাৰ উপনয়ন | - | ৩৪৩.৭৫ লাখ |
| মুঠ | - (ঘ) | ৩৩৪৭.৯৭ লাখ |

(ঙ) গুৱাহাটী উন্নয়ণ বিভাগঃ

| | | |
|---|---|---|
| সচিবালয় ভৱন নিমাৰ্ণ | - | ৫১০.১৫ লাখ |
| মুঠ | - (৪) | ১২০৬০.৯৬ লাখ |
| সৰ্বমুঠ | - | ৩৩৪০৭.৭১ লাখ |

## বিষয় ঃ নতুন আই, চি, ডি, এচ প্ৰকল্প।

**শ্ৰী গুণীন হাজৰিকা ই সুধিছেঃ**

৮৫। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কেন্দ্ৰীয় চৰকাৰে নতুন আই, চি, ডি এচ (ICDS) প্ৰকল্প সমূহ ২৮ ফেব্ৰুৱাৰীৰ ভিতৰত ৰূপায়ন নকৰিলে বন্ধ কৰা হ'ব বুলি চিঠি দিছে নেকি?

(খ) অসমত নতুন (ICDS) প্ৰকল্প এতিয়ালৈকে কিমান ৰূপায়ন নকৰাকৈ আছে তালিকা দাখিল কৰিব নেকি?

(গ) নতুন (ICDS) প্ৰকল্পত নিযুক্তি প্ৰাপ্তত কোনো কৰ্মী সহায়িকা এতিয়ালৈকে দৰমহা নোপোৱাকৈ আছে নেকি আৰু যদি আছে তেনে প্ৰকল্পত আৰু কৰ্মী সহায়িকাৰ সংখ্যা কিমান?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ পৰা তেনে কোনো নিৰ্দেশনা পোৱা নাই। কেন্দ্ৰীয় চৰকাৰ সাহাৰ্য্য আঁচনিৰ ৰূপায়ণৰ খতিয়ান দাঙি ধৰিব নোৱাৰিলে আগন্তুক বিত্ত বৰ্ষত সাহাৰ্য্য কৰ্ত্তন হ'ব। গতিকে উক্ত প্ৰকল্প সমূহ ৰূপায়নৰ বাবে পাব লগা যথাযথ ধন যিটো এতিয়াও মুকলি কৰি দিয়া নাই সেয়া বন্ধ হোৱাৰ সম্ভাৱনাও অধিক।

(খ) নতুন ৮৯ টা আই চি, ডি, এছ্ প্ৰকল্পৰ আঁচনি ৰূপায়নৰ ব্যৱস্থা কৰা হৈছে।

(গ) 'খ' প্ৰশ্নোত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ বিধায়কৰ উন্নয়ন পুঁজি।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী য়ে সুধিছেঃ**

৮৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিধায়ক স্থানীয় এলেকা উন্নয়ন পুঁজিৰ পৰা আৱন্টন দিয়া বিভিন্ন আঁচনিৰ টকা নিৰ্মাণ সমিতিক আদায় দিওঁতে চাৰি শতাংশ টকা বিক্ৰীকৰ হিচাবে কটাৰ বাবে চৰকাৰী নিৰ্দেশ আছে নেকি?

(খ) (১) যদি আছে, ৰাজহুৱা অনুষ্ঠান সমূহৰ স্বাৰ্থত এই বিক্ৰী কৰ প্ৰত্যাহাৰৰ ব্যৱস্থা কৰিবনে?

(২) যদি নাই, যোৰহাট জিলাত ২০০০-২০০১ চনৰ পৰা উপাযুক্তজনে এনে ধৰণে বিক্ৰীকৰ কৰ্ত্তনৰ বাবে কিয় নিৰ্দেশ দিছে? যিহেতু ইয়াৰ আগেয়ে কোনো উপাযুক্তই এনে নিদেৰ্শজাৰী জিলাখনত কৰা নাছিল।

**শ্ৰী দেবানন্দ কোঁৱৰ (বিত্তমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) পুঁজি আৱন্টন দিওঁতে চাৰি শতাংশ বিক্ৰীকৰ কটাৰ বাবে কোনো চৰকাৰী নিৰ্দেশ নাই।

(খ) ১) প্ৰশ্ন নুঠে।

২) জনা নাযায়।

## বিষয় ঃ কেন্দ্ৰৰ পৰা লাভ কৰা অনুদান।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ই সুধিছেঃ**

৮৭। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যৰ বান নিয়ন্ত্ৰণৰ বাবে ৰাজ্যখনে কেন্দ্ৰৰ পৰা লাভ কৰা অনুদান অথবা ধন লাভ কৰা ক্ষেত্ৰত কেনে নীতি পালন কৰা হয়?

(খ) বান নিয়ন্ত্ৰণৰ সমুদায় ব্যয় কেন্দ্ৰীয় চৰকাৰে ব্যয় কৰিবৰ বাবে বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(গ) যদিহে ব্যৱস্থা গ্ৰহণ কৰা নাই এই সৰ্ম্পকত ব্যৱস্থা গ্ৰহণ কৰা হ'বনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) অসম চৰকাৰে বান নিয়ন্ত্ৰণৰ বাবে ১৯৭৪-৭৫ চনৰ পৰা কেন্দ্ৰৰ পৰা ১০০ শতাংশ ঋণ হিচাবে ধন লাভ কৰিছে। কেৱল ১৯৯৬-৯৭ চনত·এবছৰৰ বাবে এককালীন অনুদান লাভ কৰে। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰৰ বিত্ত বিভাগৰ Expenditure Finance Committee আৰু Committee for Administering the non-lapsable Central pool of resources মৰ্মে নৱম পাচঁবছৰীয়া পৰিকল্পনাৰ শেষৰ দুই বছৰৰ (অৰ্থাৎ ২০০০-০১ আৰু ২০০১-০২) বাবে বছৰি ২০.০০ কোটি টকা হিচাবে non-lapsable Central pool of resources ৰ পৰা অসমক বাননিয়ন্ত্ৰণৰ বাবে মোকলাই দিয়া হয় আৰু এই ধন ১০০ শতাংশ অনুদান।

(খ) ৰাজ্যখনৰ বান নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় সমুদায় ব্যয় কেন্দ্ৰীয় চৰকাৰে বহন কৰাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পৰ্য্যায়ত বাৰম্বাৰ দাবী আৰু অনুৰোধ জনাই আহিছে।

(গ) 'খ' প্ৰশ্নৰ উত্তৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ ICDS কাৰ্য্যালয়।

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মাই সুধিছেঃ**

৮৮। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) গোসাইগাওঁ উন্নয়ণ খণ্ড কাৰ্য্যালয়ৰ অধীনত ICDS কাৰ্য্যালয়ৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে সেইখন ICDS কাৰ্য্যালয়ত কিমানজন চাকৰিয়াল (office staff) আছে আৰু যদি নাই তেন্তে কেতিয়া নিযুক্তি দিয়া হ'ব?

(গ) বৰ্ত্তমান কিমানজন কৰ্মচাৰীয়ে সেইখন কাৰ্য্যালয়ত কাৰ্য্যনিৰ্বাহ কৰি আছে?

**শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ, মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়, অৱগত।

(খ) বৰ্ত্তমান দতমা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া আৰু অন্য প্ৰকল্পৰ পৰা অনা মুখ্য সেৱিকাৰ দ্বাৰা উক্ত প্ৰকল্পৰ কাম চলাই থকা হৈছে। ৰাজ্য চৰকাৰৰ বিত্তীয় নাটনীৰ বাবে অন্যান্য পদ সমূহত নিযুক্তি বন্ধ ৰখা হৈছে যদিও প্ৰকল্পটো চলাবলৈ অংগণবাদী কৰ্মী আৰু সহায়িকা সমূহৰ বাচনি প্ৰক্ৰিয়া ইতিমধ্যে প্ৰায় সম্পূৰ্ণ কৰা হৈছে।

## বিষয় ঃ বিক্ৰী কৰৰ পৰিমাণ।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছেঃ**

৮৯। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ১৯৯৯-২০০০ আৰু ২০০১-২০০৩ এই দুটা বিত্তীয় বৰ্ষত অসম চৰকাৰে সংগ্ৰহ কৰা মুঠ বিক্ৰী কৰৰ পৰিমাণ কিমান?

(খ) উক্ত বৰ্ষ দুটাত চৰকাৰে প্ৰায় ৩৪০ কোটি টকা পৰিমাণৰ বিক্ৰীকৰ সংগ্ৰহ কৰাত ব্যৰ্থ হৈছে নেকি?

(গ) যদি হৈছে তাৰ কাৰণ কি?

(ঘ) পৰিশোধ নকৰা প্ৰতিষ্ঠান কেইটা কি কি?

**শ্ৰী দেবানন্দ কোঁৱৰ (বিত্তমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) ১৯৯৯-২০০০ বিত্তীয় বৰ্ষত অসম চৰকাৰে সংগ্ৰহ কৰা বিক্ৰীকৰৰ পৰিমাণ আছিল ৭১৫.৩৮ কোটি টকা। ২০০১-২০০২ বিত্তীয় বৰ্ষত ডিচেম্বৰ মাহলৈকে সংগ্ৰহ কৰা বিক্ৰী কৰৰ পৰিমাণ হৈছে ৭২০.০৯ কোটি টকা (সাময়িক)।

(খ) হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

## Re : Nurul Amin Stadium.

**Shri Gunin Hazarika asked:**

90. Will the Minister of Sports and Youth Welfare be pleased to state:

(a) Is there any proposal from Nagaon Sports Association to Government of Assam for Renovation and upgradation of present infrastructure of Nurul Amin Stadium, Nagaon?

(b) If yes, what is the present status?

**Shri Gautam Roy (Sports and Youth Welfare Minister) replied:**

(a) Yes, there is a proposal for upgradation of present infrastructure of Nurul Amin Stadium, but not renovation proposal.

(b) The propqsal is under examination for placing under Non-Lapsable scheme of the Central Government.

## বিষয় ঃ পুনৰ সংস্থাপনৰ আঁচনি।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছেঃ**

৯১। মাননীয় সাহার্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

বিগত কেইটা বছৰত বড়ো অধ্যুষিত অঞ্চল বঙাইগাওঁ, কোকৰাঝাৰত সৃষ্টি হোৱা অশান্তিৰ ফলত গৃহহাৰা হৈ বছৰৰ পিছত বছৰ ধৰি এতিয়াওঁ অনাহাৰে আশ্ৰয় শিৱিৰত থকা লোকসকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে আঁচনি গ্ৰহণ কৰিছে নেকি?

**শ্ৰী তৰুণ গগৈ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) হয়, কৰা হৈছে।

## বিষয় ঃ বান নিয়ন্ত্ৰণ বিভাগৰ টকা।

**শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মই সুধিছেঃ**

৯২। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) কোকৰাঝাৰ জিলাৰ বান নিয়ন্ত্ৰণ বিভাগত ১৯৯৬ চনৰ পৰা আজিৰ তাৰিখলৈ কিমান ধন মোকলাই দিয়া হ'ল?

(খ) এই আৱন্টিত ধনেৰে কি কি কাম কৰা হ'ল।

(গ) কোকৰাঝাৰ জিলাৰ সৰু সুৰা নদী, উপনদী, যেনে- গুৰুফেলা, গঙ্গীয়া, সৰৈমাংগা গৌৰাং সোনকচ গড়াখহনীয়াৰ যি ভয়ংকৰ ৰূপ ধাৰণ কৰিছে ইয়াৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, তেন্তে এই নদী বিলাকৰ গড়াখহনীয়াৰ প্ৰতিৰোধৰ কিবা ব্যৱস্থা কৰিছেনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) ১৯৯৬ চনৰ পৰা কোকৰাঝাৰ জিলাত বান নিয়ন্ত্ৰণৰ বাবে মুঠ ৬৪৯.৯৫ লাখ টকা মোকলাই দিয়া হয়।

(খ) এই আৱন্টিত ধনেৰে বিভিন্ন শিতানত মুঠ ৭২ খন আঁচনিৰ কাম সম্পূৰ্ণ ৰূপায়ণ কৰা হয়।

বিভিন্ন শিতানত লোৱা এই আঁচনি সমূহৰ তালিকা প্ৰাক্ কলনত মূল্যৰ সৈতে শিতান অনুযায়ী সংলগ্ন পৰিশিষ্ট 'খ' দেখুওৱা হ'ল।

(গ) হয়, অৱগত।

(ঘ) এই নদী বিলাকৰ গড়াখহনীয়া প্ৰতিৰোধৰ বাবে কিছুমান আঁচনি ইতিমধ্যে সম্পূৰ্ণ কৰা হৈছে আৰু কিছুমান আঁচনি হাতত লোৱাৰ ব্যৱস্থা কৰা হৈছে।

## বিষয় ঃ বৃদ্ধ পেঞ্চন।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছেঃ**

৯৩। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) চলিত বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন (National Old Age Pension) কিমান পৰিমাণৰ টকা মোকলাই দিছে?

(খ) উক্ত টকাবোৰ বৃদ্ধ পেঞ্চনধাৰী সকলক দিয়া হ'লনে?

(গ) কোন কোন জিলাত কিমান পৰিমাণৰ টকা কিমানজন বৃদ্ধ পেঞ্চনধাৰীক দিয়া হ'ল?

শ্ৰী গৌতম ৰয় (সমাজ কল্যাণ, মন্ত্ৰী) যে উত্তৰ দিছেঃ

(ক) চলিত বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন (National Old Age Pension) আঁচনিৰ জৰিয়তে সৰ্বমুঠ ২০৮৯.৫৩ (বিশ কোটি উন্নানব্বৈ লাখ তেৰান্ন হাজাৰ) টকা মোকলাই দিয়ে।

(খ) দি থকা হৈছে।

(গ) জিলা ভিত্তিত মোকলাই দিয়া টকাৰ পৰিমাণ আৰু বৃদ্ধ পেঞ্চনধাৰীৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ-

| | | | | | |
|---|---|---|---|---|---|
| ১) বৰপেটা | ৫১.৪২ | লাখ | ১৪৫৭৪ | জন | পেঞ্চনধাৰী। |
| ২) বঙাইগাওঁ | ৩৪.৭৮ | লাখ | ৭৪৩১ | ,, | ,, |
| ৩) কাছাৰ | ২৩.৪০ | লাখ | ১৬৮০ | ,, | ,, |
| ৪) দৰং | ৮১.১১ | লাখ | ৯০১২ | ,, | ,, |
| ৫) ধেমাজী | ৪৮.৯৩ | লাখ | ৫২৪৬ | ,, | ,, |
| ৬) ধুবুৰী | ৪৯.২৩ | লাখ | ৯৮৯২ | ,, | ,, |
| ৭) ডিব্ৰুগড় | ৩৫.৮৮ | লাখ | ১১৩৭ | ,, | ,, |
| ৮) গোৱালপাৰা | ৩১.১৫ | লাখ | ৬৬৭৪ | ,, | ,, |
| ৯) গোলাঘাট | ৩৮.৭১ | লাখ | ৭৫৩২ | ,, | ,, |
| ১০) হাইলাকান্দি | ১৪.০৪ | লাখ | ২৩২৮ | ,, | ,, |
| ১১) যোৰহাট | ৮৪.৭৯ | লাখ | ৮৬২৬ | ,, | ,, |
| ১২) কামৰূপ | ৪১১.৮২ | লাখ | ৪৩৩২২ | ,, | ,, |
| ১৩) কাৰ্বিআংলং | ২.৯৪ | লাখ | ৮৩২ | ,, | ,, |
| ১৪) কৰিমগঞ্জ | ১৪.০০ | লাখ | ৩১৪০ | ,, | ,, |
| ১৫) কোকৰাঝাৰ | ৬৭.০৮ | লাখ | ৭১১৬ | ,, | ,, |
| ১৬) লক্ষীমপুৰ | ১২২.৬৫ | লাখ | ১৩০৮৩ | ,, | ,, |
| ১৭) মৰিগাওঁ | ৮৪.৪৯ | লাখ | ৮১৮০ | ,, | ,, |

| | | | | | |
|---|---|---|---|---|---|
| ১৮) উঃকাছাৰ পাৰ্বত্য | ৩৭.৪৪ | লাখ | ৪০০০ | ” | ” |
| ১৯) নগাওঁ | ৪২১.২০ | লাখ | ৪০২৯৬ | ” | ” |
| ২০) নলবাৰী | ১৪৬.৮৫ | লাখ | ৩৯৯৫৫ | ” | ” |
| ২১) শিৱসাগৰ | ৭৮.৫৫ | লাখ | ৯১৮৫ | ” | ” |
| ২২) শোণিতপুৰ | ১৪৫.৯২ | লাখ | ১৪৭৭৫ | ” | ” |
| ২৩) তিনিচুকীয়া | ৬৩.১২ | লাখ | ৩৪০১ | ” | ” |

**Mr. Speaker :** Now, Question Hour is over.

## POINT OF ORDER

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা অতি দুখৰ কথা মই উত্থাপন কৰিব বিচাৰিছো। আমাৰ ইয়াত সদন চলি থকা সময়তে যোৱা কালি সন্ধিয়া চাৰে সাত বজাত দিশপুৰ পেট্ৰল ডিপোৰ ওচৰত বৰা উপাধিৰ কোনো এজন পুলিচ অফিচাৰে ভবেন ঘিমলি আৰু উৎপল শৰ্মা নামৰ সাংবাদিক আৰু ফটোগ্ৰাফাৰ এজনক বেয়াকৈ মৰিয়াই থানালৈ লৈ যায়। অৱশ্যে পিচত এৰি দিয়াৰ কথা নহয় যদি মদ খাইছিল মেডিকেল কৰাব পাৰে কিন্তু তাকে নকৰি লৈ যোৱাৰ কোনো মানে নাছিল।

(কেইবাজনো মাননীয় সদস্যই একেলগে ক'বলৈ থিয় হয় কাৰো কথা ঠিকমতে ধৰিব পৰা নাযায়।)

* **শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা কাম কৰিলে ভাল হয় নেকি? প্ৰত্যেকেই নিজৰ কথা কৈ থাকিলে হয় নেকি? আচলতে সকলো সমষ্টিৰ বিধায়কক প্ৰশ্ন কৰিবলৈ সুবিধা দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সদনত যিমান প্ৰশ্ন আলোচনা কৰিব পৰা যায় সিমানেই ভাল। মাননীয় সদস্যসকলে সহায় নকৰিলে অধ্যক্ষই একো কৰিব নোৱাৰে। I am giving the ruling. We will take care in future so that we can accomodate more questions. In this regard all members are requested to co-operate with me.

* **শ্ৰী পানীৰাম ৰাভা ঃ** আমাৰ প্ৰশ্ন থাকে কিন্তু পৰিপূৰক প্ৰশ্ন কৰিবলৈ সুধিবলৈ সময় নাথাকেই। প্ৰশ্ন বিলাক নোসোধাকৈয়ে পাৰ হৈ যায়।

---

* Speach not corrected

# REPORT OF THE BUSINESS ADVISORY COMMITTEE

**Mr. Speaker :** Now, item no. 2.

Report of the Business Advisory Committee, 6-3-2002.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 1.30 p.m. on 5th March, 2002 in the conference room of my office chamber at Dispur to discuss about fixation of the priority of the Supplimentary Demands for Grants as well as to refix a date for disposal of the questions listed for 4th March, 2002.

The committee considered the priority of the discussion of moving Supplimentary Demands for Grants. In consideration of importance and urgency, the committee had decided the Supplimentary Demands for Grants, 2002 would be taken up by the House of priority basis as follows:

1. Grant No.56 - Rural Development (Panchayat)
2. Grant No.34 - Urban Development. (M.A.D)
3. Grant No.31 - Urban Development. (T & C.P. & G.D.D.)
4. Grant No.29 - Medical and Public Health.

Other Supplimentary Demands for Grants would come up for discussion serially.

The Committee further decided to hold sitting of the House on 9th March, 2002 from 9.00 A.M. to 10.00 A.M. to take up the questions which were listed for 4th March, 2002 and could not be taken up on that day.

I hope, this has the approval of the House.

* **ডঃ জয়নাথ শৰ্মা :** ৫৭ নং গ্ৰামোন্নয়নত আলোচনা কৰাৰ সুযোগ আছিল। কিন্তু মই অকল ৱাট মোচন মোভ কৰিম। ৫৬ নং পঞ্চায়তত আলোচনা কৰিব পৰা হ'ব।

---

* Speach not corrected

# VOTING ON SUPPLIMENTARY DEMANDS FOR GRANTS

**Mr. Speaker :** Now, item No.3. Discussion if any, on the Supplimentary statment of Expenditure charged on the considered Fund of the state for the, 2001-2002.

Now, item No.4. Grant No.56, Hon'ble Minister for Panchayat to move.

* **Dr. Bhumidhar Barman (Minister, Panchayat) :** On the recomendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 858.80 lakh be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 2002 in connection with "Panchayat and Rural Development".

**Mr. Speaker :** There are as amany as three cut motions to be moved by Dr. Zoii Nath Sarma, Sri Diesh Chandra Sarkar and others and Sri Pranb Kalita.

I now request the Hon'ble members to move the cut motion one by one.

* **Dr. Zoii Nath Sarma :** Sir, I beg to move that the total provision of 858.80 lakhs under Supplimentary Demands for Grant No.56 in respect of "Panchayat and Rural Development" at page 43-44 of the list of Supplimentary Demands be reduce by Rs.100/- i.e. the amount of the whole Supplimentary Demands of Rs.858.50 lakhs do stand reduced by rupees 100.00.

**Mr. Speaker :** Now, Sri D.C. Sarkar to move.

* **শ্ৰী দিনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, “২০০১-২০০২” চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ৪৩ (তিয়াল্লিশ) পৃষ্ঠাত থকা “গ্ৰাম্য উন্নয়ন (পঞ্চায়ত)” শিতানৰ ৫৬ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ৮৫৮.৮০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমূদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৮৫৮.৮০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।”

**Mr. Speaker :** Shri Pranab Kalita.

* Speach not corrected

* **ডঃ জয়নাথ শৰ্মা ঃ** চাৰ, বি, এ, চি ৰ মিটিংত ৰুৰেল ডেভেলপমেন্ট আছে বুলি কৈছিল। বি, এ, চি ৰ মিটিংৰ পৰা আমাৰ ৰিপ্ৰেজেনটিভ ওলাই আহিছে।

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** চাৰ, যোৱাকালি বি, এ, চি মিটিংত ডি, আৰ, ডি, এ ৰ ওপৰত আলোচনা কৰা হ'ব বুলি কৈছিল। পঞ্চায়তৰ ওপৰত আলোচনা কৰা হ'ব বুলি আমি কিন্তু নেজানো। সেই কাৰণেই আজি ডি, আৰ, ডি, এৰ ওপৰত আলোচনা কৰা ভাল হ'ব বুলি মই ভাবো।

* **Dr. Ardhendu Kumar Dey (Minister) :** Sir, yesterday the matter was pointed out by Hon'ble Member Shri Bimolangshu Roy was giving importance on Rural Development and Panchayat. Iwas asking him on whether Rural Development or DRDA is required to which he spoke about Rural Development and and Panchayat. We may accepted and actually gave importance to the opinion of Hon'ble member.

* **Dr. Zoii Nath Sarma :** Let the Hon'ble Minister move both Grant No. 56 and 57.

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** চাৰ, সংশ্লিষ্ট বিভাগৰ মাননীয় মন্ত্ৰী গৰাকী সদনত উপস্থিত আছে। গতিকে আপত্তি থাকিব নালাগে।

**Mr. Speaker :** Is it the sense of the House to take up Grant No.57 also?

(few voice: yes, yes)

* **Dr. Ardhendu Kumar Dey (Minister) :** You are to take opinion of the Hon'ble Minister, Sir.

* **Dr. Bhumidhar Barman (Minister) :** Sir, at the moment I am not prepared for it.

* **ডঃ জয়নাথ শৰ্মা ঃ** সেইটো কলেই নহ'ব চাৰ। ইয়াত ৫৭ নম্বৰ মঞ্জুৰীটো আছে। গতিকে সেইটো ক'লে কেনেকৈ হ'ব। ৰুৰেল ডেভেলপমেন্ট বিভাগৰ বিষয়ে যদি ডিচকাচ কৰা নহয় তেতিয়াহ'লে মই ওৱাক আউট কৰিলো।

(মাননীয় সদস্য গৰাকীয়ে সদন কক্ষ ত্যাগ কৰে)

**Mr. Speaker :** Now I call upon Sri Dinesh Chandra Sarkar or Shri Parimal Suklabadya or Shri Sushil Dutta or Sri Tameshwar Teli or Shri Bimolangshu Roy or Shri Ranjit Dutta to speak on it.

---

* Speach not corrected

* **শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ অনা হৈছে তাৰ সমৰ্থনত মই ক'ব বিচাৰিছো যে পঞ্চায়তে আমাৰ ৰাইজৰ স্বাৰ্থৰ হকে কাম কৰিব লাগিছিল সেই কাম যথা যথ ভাবে কৰিব পৰা নাই। ইমান দিনে পঞ্চায়ত নিৰ্বাচন অনুস্থিত নোহোৱাৰ কাৰণে পঞ্চায়তৰ যিবিলাক কাম-কাজ সেই কাম কাজ বিলাক নিৰ্বাচিত প্ৰতিনিধিৰ বিপৰীতে বিষয়া কৰ্মচাৰী সকলে কৰি আছিল। কিন্তু তেওঁলোকে কোনো প্ৰকাৰেই ৰাইজৰ স্বাৰ্থৰ প্ৰতি মন কাণ কৰা নাছিল। দেখা গৈছে যে পঞ্চায়তৰ কাম-কাজ ৰূপায়ন কৰাৰ দায়িত্বত বি, ডি, অ সকল আছিল। তেওঁলোকে কাৰ নিৰ্দেশত কেনেকৈ এই কাম বিলাক কৰিছিল ৰাইজে গম নাপায়। ৰাইজৰ লগত সম্পৰ্ক নথকাৰ কাৰণে এই বিভাগটোৱে ৰাইজৰ স্বাৰ্থৰ হকে কি কাম কৰিছে সেই বিষয়ে ৰাইজে একো নাজানে। সেইকাৰণে আমি যিটো কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো সেই প্ৰস্তাৱটো মই সমৰ্থন যোগ্য বুলি মই ভাবো। উদাহৰণ স্বৰূপে মই ক'ব বিচাৰিছো যে যিবিলাক ব্লক ডেভেলপমেন্ট অফিচ আছে, এই অফিচ বিলাকত যিবিলাক কাম হয় পঞ্চায়তৰ লগত তাৰ কোনো সম্পৰ্ক নাই। পঞ্চায়তৰ লগত সম্পৰ্ক নোহোৱা কামবোৰেই তাত কৰা হয়। মোৰ ধাৰণা হৈছে যে বি, ডি, অ সকল চৰকাৰৰ নিয়ন্ত্ৰণত আছে নে নাই? তেওঁলোকে যিহকে পাইছে তাকেই কৰিছে। পুখুৰীৰ পৰা কিমান টকা আহিছে, হাট, বজাৰৰ পৰা কিমান টকা আহিছে মুঠতে ক'ৰ পৰা কিমান টকা আহিছে তাৰ কোনো তথ্যপাতি নাই। যি পঞ্চায়তে ৰাইজৰ স্বাৰ্থৰ পৰিপন্থী কাম কৰে সেই পঞ্চায়তৰ কাৰণে টকা এলটমেন্ট কৰাতো সম্ভৱ নহয়।

**Mr. Speaker :** Is there any other mover Mr. Bimolangshu Roy may please speak.

* **Shri Bimolangshu Roy :** Hon'ble Speaker sir, On the Grant of Supplimentary Demand Hon'ble Minister has asked for an additional amount of Rs. 858.80 lakhs for giving in aid to Panchayat institution as the existing budget provision is in adequate for the purpose. It is a fact that some Panchayat employees more particularly the Panchayat Secretaries are not getting their salaries for months togather. Now, they have resorted to strike on many occasions. They refused to cooperate with Govt. programmes. We know Sir, some Panchayat Secretaries, who are commerce graduate, and have been posted on ad hoc basis at a monthly remuneration of Rs. 900 only during the regime of late Hiteswar Saikia with the hope that subsequently they would get some amount of justice

---

* Speach not corrected

by doubling their adhoc salaries to the tune of Rs. 1800 p.m. We know Sir, even a day labourer gets a wage of Rs. 100 per day. So, the Govt. require some additional amount to meet the expenses. I do not dispute it. But at the same time we find, honourable Sir, that recently after the Panchayat elections the Govt. has decided to utilise the funds received from centre to the tune of Rs.428 crores as the Hon'ble DRDA Minister told the House. They are getting enough money from the centre and one only hopes that this is properly utilised. But unfortunately we find sir, that a construction sub-committee has been constituted. Chaques are being issued by the construction Sub-committee worth crores of rupees and only by issuing cheques it has been shown by the Govt. that money has been utilised and they are asking for the second installment of the fund. What is most unfortunate is that sir, in the process of development work in the rural areas where these construction sub-committee has been constituted. with these Junior Engineers. and BDO's under the persons who is not even an elected representatives. Cheques are being issued for crores and crores of rupees on the Panchayat Secretaries for who our Hon'ble Minister is moving for an additional amount. Panchayat Secretaries are the persons who are working at the grass-root levels who are to be paid. Then why the Panchayat Secretaries for whom our Panchayat Minister is moving for grants. if we can not involve them in the development process rural development will be a force. I know Sir, this is a matter what I am speaking for sometime. This is a vital matter. We sanction fund for the additional grant for the Panchayat staff. So, we are within the admit to place our anguish here. If we are to pay salaries which is required. I personally feel that the Panchayat Secretaries should be given proper scale of pay. But at the same time we find that Govt. should utilise their services for the development work. Which I have raised before the Augest House and I believe the Hon'ble Minister will definitely point this. We are the construction sub-committee we could utilise the money. So, sir I am raising this cut-motion before the house. Thanking you Sir,

* **শ্ৰী গুণীন হাজৰিকা** ঃ অধ্যক্ষ মহোদয়, ৫৬ নং দাবী মঞ্জুৰীৰ ওপৰত মই এটা কথা

---

* Speach not corrected

জানিব বিচাৰিছো। যিহেতু পঞ্চায়ত নিৰ্বাচনৰ পিছত জিলা পৰিষদ গঠন হ'ব, সেয়ে মহকুমা পৰিষদ সমূহক কিয় অতিৰিক্ত মঞ্জুৰীৰ প্ৰয়োজন হৈছে? কাৰণ জিলা পৰিষদ সমূহ তালৈ যোৱাৰ পিছত মহকুমা ভঙ্গ হৈ যাব পাৰে। সেয়ে এই মঞ্জুৰী কি কাৰণে বিচাৰিছে? ৫৬ নং আৰু ৫৭ নং হেড্‌টো একেলগে ল'ব লাগে। এতিয়াৰ পৰা জিলা পৰিষদৰ সভাপতিজন ডি, আৰ, ডি, এৰ সভাপতি হ'ব। চেক্ৰেটাৰী সকলে ১৮ মাহ দৰ্মহা নাপায়। টেক্স কালেক্টৰ বিলাকে দৰ্মহা নাপায়। বহুত পঞ্চায়তত নতুন নিয়োগ নোহোৱাৰ কাৰণে ৰাজহ সংগ্ৰহ কৰিব পৰা নাই। সেই হেতুকে পঞ্চায়ত সমূহ স্বনিৰ্ভৰশীল কৰিবৰ কাৰণে ষ্টেট প্লেনিং গঠন কৰিছে। ৰাজহ আৱন্টনৰ ক্ষেত্ৰত এটা সিদ্ধান্ত ল'ব লাগে। এই পৰিপূৰক মঞ্জুৰী কেইটাৰ ক্ষেত্ৰত এই প্ৰশ্ন কৰিব বিচাৰিছো।

* **শ্ৰী সুশীল দত্ত** ঃ অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত কেইটামান কথা ক'ব বিচাৰিছো। পঞ্চায়ত কৰ্মচাৰীৰ দৰ্মহাৰ সংক্ৰান্তত মাননীয় সদস্য বিমলাংশু ৰয়ে কৈ গৈছে। এতিয়া ডি, আৰ ডি, এৰ শিতানত যিবিলাক কাম ৰৈ আছে, সেই পঞ্চায়ত সমূহৰ কনষ্ট্ৰাকচন কমিটিত পঞ্চায়ত চেক্ৰেটাৰী সমূহক ৰখা হোৱা নাই। পঞ্চায়তৰ কাম-কাজ কৰিবলৈ যাওঁতে সেই পঞ্চায়ত এলেকাৰ যিমান উন্নয়নমূলক কাম-কাজ হ'ব তাত চেক্ৰেটাৰী জনৰ ভূমিকা বেছিকৈ থাকে। ১৮ শ টকা দৰ্মহা পায় সিও অনিয়মীয়া। সেইকাৰণে ধৰ্ণা, অসহযোগ কৰিছে। কনষ্ট্ৰাকচন কমিটিত এওঁলোকক সদস্য হিচাবে ৰাখিব লাগে। বহুত পঞ্চায়তত চেক্ৰেটাৰী সমূহ নিয়োগ কৰা হোৱা নাই। এজন চেক্ৰেটাৰীৰ ৩/৪ টা দায়িত্ব আছে। পঞ্চায়ত গঠন কৰি কাম-কাজ কৰিবলৈ মাৰ্চৰ ভিতৰত পঞ্চায়ত সমূহ গঠন হ'ব বুলি মন্ত্ৰী মহোদয়ে কৈছে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী)** ঃ মাৰ্চ মাহত কন্সটিটিউচন কৰিম।

* **শ্ৰী সুশীল দত্ত** ঃ পঞ্চায়ত সমূহৰ বজাৰ হাট চেটেলমেন্‌চৰ ক্ষেত্ৰত দূৰ্নীতিৰ অৱলম্বন কৰা হয়।

অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব বিচাৰিছো যে, পঞ্চায়ত সমূহত যিবিলাক বজাৰ হাট আছে সেইবিলাক চেটেলমেন্ট দিয়াৰ ক্ষেত্ৰতো বিভিন্ন ধৰণৰ দূৰ্নীতি হৈছে। যোৱা বিধান সভাৰ অধিবেশনতো মোৰ দুখন বজাৰৰ ক্ষেত্ৰত যে অনিয়ম হৈছে এই সম্পৰ্কে কৈছিলো। চিলেকচন কমিটিয়ে ৭ লাখ টকা দিয়া হায়াৰ বিদাৰক দিবলৈ দিছিল কিন্তু পিচত দেখা গ'ল ৪ লাখ টকা দিয়া জনকহে চেটেলমেন্ট দিয়া হ'ল। হায়েষ্ট বিদাৰক নিদিলে ৰেভিনিউ নাপাও। আৰু এটা কথা মই ক'ব বিচাৰিছো যে, মাষ্টাৰ ৰুলত যিবিলাক জে ই আছে সেই জে ই বিলাককো কিছুমান কামৰ কাৰণে মেম্বাৰ চেক্ৰেটাৰী

* Speach not corrected

কৰি ৰখা হৈছে। অৱশ্যে এই ক্ষেত্ৰত কিছু গাইড লাইনো আছো। মাষ্টাৰ ৰুলত চাকৰি অনিয়মীয়া গতিকে মই ভাবো মাষ্টাৰ ৰুলত থকা লোকক মেম্বাৰ চেক্ৰেটাৰী কৰিব নালাগে। পঞ্চায়তৰ যি নিয়ম বা দায়িত্ব দিব লাগে মাৰ্চ মাহৰ ভিতৰতে দিব লাগে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, আমাৰ গ্ৰান্ট নং ৫৬ ৰ শিতানত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে সেই সম্পৰ্কিত মই দুটামান বিষয় উত্থাপন কৰিব বিচাৰিছো। প্ৰথম কথা হৈছে, এইটো ক'ব লাগিব যে, পঞ্চায়তৰ চেক্ৰেটাৰী পদটো এটা ইম্পৰটেন্ট ব্যক্তিৰ পদ। এই ব্যক্তিজন তৃণমূল পৰ্য্যায়ৰ উন্নয়ণমূলক কামত জড়িত থাকে। যেতিয়া পঞ্চায়ত নাথাকে পঞ্চায়তৰ চেক্ৰেটাৰীজনে এই গোটেই কাম-কাজ বিলাক সুচাৰুৰূপে পৰিচালনা কৰাৰ দায়িত্বত থাকে। আমাৰ পঞ্চায়তৰ কাৰ্য্যালয়বিলাক যি ধৰণে থাকিব লাগে সেই ধৰণে নাই। যোৱা ১৯৯১-৯২ চনত যেতিয়া পঞ্চায়ত নিৰ্বাচন হৈছিল তেতিয়া ৯০ হাজাৰ কৰি টকা পঞ্চায়তৰ ঘৰ নিৰ্মাণ কৰাৰ কাৰণে দিয়াৰ কথা আছিল। আগৰ পঞ্চায়ত বিলাক ভাঙি সৰু সৰু পঞ্চায়ত কৰা হ'ল। কিন্তু কাৰ্য্যালয় নাথাকিলে কাম কৰাত অসুবিধা হয়। সেইকাৰণে আজি আমি পঞ্চায়তৰ কৰ্মচাৰীৰ দৰমহা দিয়াৰ বাবে টকা বিচাৰিছো। কিন্তু দৰমহা দিয়াটো ডাঙৰ কথা নহয়। কাৰ্য্যালয়ত বহি কাম কৰিব পাৰিছেনে নাই সেইটো চাব লাগে। ৯০ হাজাৰ টকা দি ঘৰ নিমাৰ্ণ হোৱাৰ পিচতো কাৰ্য্যালয়ৰ পৰা কিয় ফাংচন নকৰে সেইটো নাজানো। অপ্ৰিয় সত্য হ'লেও এইখিনিতে এটা কথা মন কৰিব লাগিব যে, এতিয়া ৩০ শতাংশ সদস্যৰ পদ মহিলাক দিয়া হৈছে, মহিলাৰ বাবে ৰিজাৰ্ভ কৰা হৈছে। কিন্তু কিছুমান অঞ্চলত মহিলা সকলে সামাজিক কাম-কাজ বিলাকত যি ধৰণে আগভাগ ল'ব লাগে সেইধৰণে ল'ব পৰা নাই। এই মহিলা সকল অনভিজ্ঞ হোৱাৰ বাবে পঞ্চায়তৰ চেক্ৰেটাৰী জনেই সৰ্বেসৰ্বা হৈ গৈছে। গতিকে পঞ্চায়তৰ চেক্ৰেটাৰীজন ঠিক হ'ব লাগে। গতিকে দৰমহা দিয়াৰ লগে লগে নিৰ্দিষ্ট এটা সময়ত অফিচত থকাৰ বাবেও দাইৰেকচন দিব লাগে।

* **Dr. Ardhendu Kumar Dey (Minister) :** Mr. Speaker Sir, I would like to raise a point of order. In the explanatory note of Supplimentary Demands it is stated that an additional amount of Rs.858.80 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 2002 in connection with "Panchayat and Rural Development". অধ্যক্ষ মহোদয়, চাপ্লিমেন্টৰী ডিমাণ্ডৰ কাট মোচনত পঞ্চায়তৰ যিটো কথা আহিছে সেইটোৰ ওপৰতহে আলোচনা হ'ব লাগে।

---

* Speach not corrected

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, মই নিজেও এসময়ত পাৰ্লিয়ামেন্টৰী এফেয়াৰচৰ মন্ত্ৰী আছিলো। সংসদী নিয়ম কানুন সেইটো জানো।

* **শ্ৰী গিৰিণ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে যিখিনি টকাৰ অনুমোদন বিচাৰিছে সেই দাবী মঞ্জুৰীত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। এই ক্ষেত্ৰত ইতিমধ্যে মাননীয় সদস্য শ্ৰী বিমলাংশু ৰয় প্ৰমুখ্যে কেইবাজনো মাননীয় সদস্যই এই বিষয়টোৰ ওপৰত বক্তব্য ৰাখিছে আৰু ময়ো মাননীয় মন্ত্ৰী মহোদয়ৰ এই বিষয়টোত বিশেষ দৃষ্টি আৰ্কষণ কৰি ক'ব খুজিছো যে পঞ্চায়ত চেক্ৰেটাৰী সকলে আজি কেইবামাহো ধৰি দৰমহা পোৱা নাই আৰু তাৰ ফলত তেওঁলোকৰ নানা আহুকালৰ সৃষ্টি হৈছে। গতিকে তেওঁলোকক পাবলগীয়া দৰমহাখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনিতে মই আন এটা কথা উত্থাপন কৰিব খুজিছো যে আমাৰ ৰাজ্যখনত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হৈ যোৱা আজি দুমাহেই হৈ গ'ল কিন্তু পঞ্চায়ত সমূহ আনুষ্ঠানিক ভাৱে গঠন হোৱা নাই। তাৰ লগে লগে জিলা পৰিষদো গঠন হোৱা নাই। গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে এই জিলা পৰিষদ আৰু পঞ্চায়ত সমূহ কেতিয়া গঠন কৰা হ'ব। তাৰোপৰি ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ কৰ্মসূচীৰ অধীনত যিবিলাক আবেদন গ্ৰহণ কৰা হৈছিল সেইবিলাক কোনে আৰু কেতিয়া কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব সেই বিষয়েও জনালে ভাল পাম।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰুল ১৫২ মতে এটা কথা কোৱা হৈছে যেঃ- "The debates on the supplimentary grants shall be confined to the items contituting the same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion." ইয়াত পঞ্চায়ত চেক্ৰেটাৰী সকলৰ দৰমহাৰ কথাটোকে আলোচনা কৰিব পাৰে।

* **শ্ৰী গিৰীণ বৰুৱা ঃ** মই সেই কাৰণেই এই কথাটো উল্লেখ কৰিছো যে পঞ্চায়তৰ চেক্ৰেটাৰী সকল আৰ, পি, আৰ, এচ,ত জড়িত। ৰাইজৰ পৰা যিবোৰ আবেদন পাইছে সেইবিলাক পঞ্চায়তৰ চেক্ৰেটাৰী সকলেই আনিছে। এই বিষয়টো জৰুৰী বিষয়। এতিয়া এই আবেদনখিনি আমি কাৰ পৰা লম।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** Point of order Sir, পঞ্চায়ত চেক্ৰেটাৰী সকলক দৰমহা দিয়াৰ সম্পৰ্কেহে ইয়াত আলোচনা হ'ব পাৰে।

---

* Speach not corrected

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** তেওঁলোকক দৰমহা দিবলৈ যাওঁতে তেওঁলোকৰ কৰ্ম সম্পৰ্কে আলোচনা কৰিব পাৰিনে নোৱাৰি?

* **শ্ৰী গিৰিণ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, মই আৰু বেছি কথা নকওঁ- মোৰ আৰু দুটা কথা হ'ল - এই চৰকাৰে জে, এচ, ওৱাই, ৰ চিলেকচন কেতিয়া কৰিব আৰু অনুগ্ৰহ কৰি আজিৰ সদনক জানিবলৈ দিব যে পঞ্চায়ত বিলাক কেতিয়াৰ পৰা কাৰ্য্যক্ষম কৰা হ্চব আৰু জে, এচ, ওৱাই কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হ'ব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পঞ্চায়ত বিভাগৰ যি পৰিপূৰক দাবী বিধান সভাত উত্থাপন কৰা হৈছে সেই ক্ষেত্ৰত ইতিমধ্যে কেইবাজনো মাননীয় সদস্যই তেওঁলোকৰ বক্তব্য দাঙি ধৰিছে। এই ক্ষেত্ৰত ময়ো মোৰ বাক্য ৰাখি ক'ব বিচাৰিছো যে আমাৰ পঞ্চায়ত বিভাগৰ কিছুমান কৰ্মচাৰীয়ে যোৱা ১০ মাহ পৰ্য্যন্ত দৰমহা পোৱা নাই আৰু তেওঁলোকৰ সেই দৰ্মহাখিনি দিয়াৰ কাৰণে যিখিনি দাবী মঞ্জুৰী বিচাৰিছে তাত আমাৰ আপত্তি কৰিবলগীয়া একো নাই। কিন্তু এটা কথা জানিব খুজিছো যে এই বিভাগত কিছুমান 'ওৰ্ৱক চৰ্জ' হিচাবে কাম কৰা মানুহ আছে আৰু তেওঁলোকক মাহে ১৮০০/- কৈ টকা দি থকা হৈছে। এই কৰ্মচাৰী সকলক নিয়মীয়া কৰাৰ কাৰণে চৰকাৰে কিবা চিন্তা কৰিছেনে নাই? আজি এই মহঙা দিনত তেওঁলোকে ১৮০০ টকাৰে এটা পৰিয়াল পোহপাল দিব নোৱাৰে। গতিকে তেওঁলোককো নিয়মীয়া কৰি দৰমহা দিয়াৰ কাৰণে যদি টকা কম হয় তেনেহ'লে আৰু টকাৰ দাবী উত্থাপন কৰিলেও আমি আপত্তি কৰিব নোৱাৰো। তেওঁলোকে গাওঁত নানান কষ্টৰ মাজেৰে কাম কৰিব লাগে আৰু সেই কাৰণে তেওঁলোকৰ চাকৰি নিয়মীয়া কৰিব লাগে আৰু সময়মতে দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ ডাঙৰীয়া, আমাৰ মাননীয় সদস্য শ্ৰীগোস্বামী ডাঙৰীয়াই পঞ্চায়ত বিলাকৰ অৱস্থাৰ কথা উল্লেখ কৰিছিল। স্বৰ্গীয় হিতেশ্বৰ শইকীয়া ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থকা কালত এটা পদক্ষেপ হাতত লোৱা হৈছিল আৰু তেতিয়া পঞ্চায়তৰ কাৰ্য্যালয় সমূহ নিৰ্মাণ কৰা হৈছিল। কিন্তু পিছলৈ এই ঘৰবোৰ ভাগি ছিগি নাইবা বানপানীয়ে উটুৱাই লৈ গ'ল। মোৰ ধেমাজী জিলাতে কেইবাটাও এনে ঘৰ উটুৱাই লৈ গৈছে। এতিয়া পঞ্চায়তৰ চেক্ৰেটাৰী বা অন্য কৰ্মচাৰী সকল কাৰ্য্যালয় বিলাকত বহাৰ কোনো উপায় নাই। গতিকে এই কাৰ্য্যালয় সমূহ পুনৰ নিৰ্মাণ কৰিবলৈ মই অনুৰোধ জনালো আৰু তাৰ লগে লগে পাৰিলে পঞ্চায়তৰ কাৰ্য্যালয় সমূহত একোটাকৈ টেলিফোন দিয়াৰ ব্যৱস্থা কৰিব পাৰি নেকি সেইটোও চৰকাৰে বিবেচনা কৰিব লাগে। বৰ্ত্তমান আমাৰ

* Speach not corrected

সকলো ঠাইতে টেলিফোন লাইন হৈছে। গতিকে টেলিফোন এটা থাকিলে আমাৰ কাম-কাজবোৰ কৰাত বৰ সুবিধা হ'ব। এইখিনিকে কৈয়েই পুনৰবাৰ পঞ্চায়ত কৰ্মচাৰী সকলৰ দৰমহা, চাকৰি নিয়মীয়াকৰণ, কাৰ্য্যালয় ভৱন নিৰ্মাণ, টেলিফোনৰ ব্যৱস্থা আদি আটাই কেইটা বিষয়ৰ প্ৰতি চৰকাৰে বিবেচনা কৰিব বুলি আশা ৰাখি মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

* **শ্ৰী আলি আকবৰ মিঞা ঃ** অধ্যক্ষ মহোদয়, শাসক দলৰ এজন চিনিয়ৰ মিনিষ্টাৰে তেখেতৰ চিটৰ পৰা উঠি গৈ গেলেৰীৰ পৰা কিবা কাগজ আনিব লগা হৈছে। এইটো কেনেধৰণৰ কথা? এনে এজন জ্যেষ্ঠ মন্ত্ৰী তেওঁৰ চিটৰ পৰা উঠি যাব লগা হোৱাটো অশোভনীয়।

(ইয়াৰ লগে লগে শাসক আৰু বিৰোধী দলৰ কেইবাজনো মাননীয় সদস্যই কথা কটা-কটি কৰে। কাৰো কথা ভালদৰে শুনা নাযায়।)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। মাননীয় মন্ত্ৰী গৰাকীয়ে কোনো অনিয়ম কৰা নাই। আপোনালোক বহক। ইয়াৰ পিচত শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে তেখেতৰ ভাষণ দিব।

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জনাত পঞ্চায়তৰ চেক্ৰেটাৰী সকলক এড্‌হক বেচিচত নিযুক্তি দিয়া হৈছিল আৰু আজি বহুদিন ধৰি তেওঁলোকে দৰমহা নোপোৱাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে। আন এটা কথা হ'ল মোৰ সমষ্টিৰ কেইবাটাও চেক্ৰেটাৰীৰ পদ খালী হৈ থকাৰ কাৰণে ব্লকৰ সম্প্ৰসাৰণ বিষয়াজনক তেওঁলোকৰ কামবোৰ চাবলৈ দিয়া হৈছে আৰু তাৰ ফলত সম্প্ৰসাৰণ বিষয়াসকলে তেওঁৰ নিজৰ কামৰ উপৰিও ডি, আৰ, ডি এ, ৰ কামকে আঁদি কৰি সকলো চাবলগীয়া হোৱা কাৰণে নান অসুবিধাৰ সৃষ্টি হৈছে। গতিকে এই পদ বিলাক সোনকালে পূৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আগতে আমি ৰেগুলাৰ বি, ডি, অ পাইছিলো, কিন্তু এতিয়া নাই। ব্লকত বি, ডি ,অ' বিলাক ৰাখিছে বিভাগীয় মন্ত্ৰীক মই ৰেগুলাৰ বি, ডি, অ' পোষ্টিং দিয়াৰ কাৰণে অনুৰোধ জনাইছো। বি, টি, চি, ত পঞ্চায়ত ইলেকশ্যন হোৱাৰ প্ৰতিশ্ৰুতি আমি পাইছো। সেইকাৰণে বি, টি, চি ৰ এলেকাত থকা ডি, চি ৰ ওপৰত নজৰ ৰাখি এচ, ডি, অ' ক সম্পূৰ্ণ পাৱাৰ দি লগতে স্থানীয় বিধায়ক সকলৰ লগত আলোচনা কৰি কাম কৰাৰ সুবিধা দিলে ভাল হয় আৰু আমাৰ পঞ্চায়তৰ যিখিনি কাম কৰিবলৈ আছে সেইখিনি কৰিবলৈ দিলে ভাল হয় আৰু আমাৰ পঞ্চায়তৰ যিখিনি কাম কৰিবলৈ আছে সেইখিনি কৰিবলৈ দিব লাগে। চেক্ৰেটাৰী সকলৰ মাজতো কোনো কোনো ক্ষেত্ৰত দুৰ্নীতিগ্ৰস্ত লোক দেখা যায়। তেওঁলোকৰ ওপৰত নজৰ দিব লাগে।

* Speach not corrected

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যজনে গ্ৰাণ্টৰ ওপৰত আলোচনা কৰিলে ভাল হয়।

* **শ্ৰী কৰেন্দ্ৰ চন্দ্ৰ বসুমতাৰী ঃ** আমাৰ যিখিনি এমপ্লয়ী আছে সেইখিনি ৰেগুলাৰ কৰিব লাগে। এই আশা ৰাখি মই সামৰিছোঁ।

**Mr. Speaker :** Now, Minister will give reply.

* **শ্ৰী ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আজি এই মঞ্জুৰীৰ সন্দৰ্ভত যি আলোচনা হ'ল মাননীয় বিধায়ক মহোদয় সকলে বহুমূলীয়া পৰামৰ্শ দিয়াৰ কাৰণে তেখেতসকলক ধন্যবাদ দিছোঁ।

মাননীয় সদস্য শ্ৰী শইকীয়া ডাঙৰীয়াই কৈছে যে ইয়াত খালী দৰমহা কথাটোহে। হয়, আগৰ বাজেটৰ টকাই নুজুৰিলে সেইকাৰণে মঞ্জুৰী অনা হৈছে।

শ্ৰীবিমলাংশু ডাঙৰীয়াই কৈছে পঞ্চায়ত চেক্ৰেটাৰী বিলাক ৰেগুলাৰ কৰিব লাগে। আমি চেষ্টা কৰি আছোঁ, ইফালে পি, এণ্ড টি আৰু ফাইনেন্স সুবিধা কৰিব পৰা নাই। আমি আশা ৰাখিছো ভাল ফলাফল পাম। বৰ্ত্তমান আৰ্থিক অৱস্থা বেয়া কাৰণে টকা পইচা দিব পৰা নাই। দিল্লীৰ ওচৰত আমি কনষ্ট্ৰাকচন চাব কমিটি সম্পৰ্কে কৈছো সেইটো ইয়াত নপৰে। তথাপিও কওঁ আমাৰ গাইদ লাইন কোনোবাই যদি ভঙ্গ কৰিছে নাজানো। গতিকে এই সম্পৰ্কে এইখিনিয়েই ক'লো।

আমাৰ হাজৰিকা ডাঙৰীয়াই কৈছে মহকুমা পৰিষদক কিয় টকা দিব লাগে? কথা হ'ল তেওঁলোকে চাকৰি কৰি আছে দৰমহা দিব লাগিব। আগৰ টকাৰে নোজোৰে, সেইকাৰণে চাপ্লিমেণ্টৰী হাউচত আনিব লাগিব। তেখেতে আন এটা ভাল কথা কৈছে ট্ৰেক্স কালেক্টৰৰ পোষ্ট খুলি আছে, এইবিলাক একেবাৰে ঠিক কথা। এই কথা বিত্ত মন্ত্ৰীয়ে শুনিছে আৰু আপোনালোকেও শুনিছে পঞ্চায়তৰ ঘৰ সম্পৰ্কে শ্ৰীহিতেন গোস্বামী ডাঙৰীয়াই কৈছে যে পঞ্চায়ত ঘৰবিলাক ১৯৯০ চনৰ, ময়েই সেই সময়ত পঞ্চায়ত মন্ত্ৰী আছিলো। বহুত ঘৰ সৰু বুলি কৈছে। এইটো সচাঁ যে কিছুমান ঘৰ লোৱা নাই, চেক্ৰেটাৰীবিলাক নিজৰ ঘৰত থাকে। এই ক্ষেত্ৰত ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য সকলে কোৱাৰ দৰে কন্সটিটিউচন ন মাৰ্চ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা হ'ব।

ইয়াৰোপৰি মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই কৈছে যে বহুতো চিনিয়ৰ বি, ডি, অ' ৰ পোষ্ট খালী আছে, থকাটো সচাঁ। টকা নোহোৱাৰ কাৰণে দিগদাৰী হৈছে আৰু চিনিয়ৰ বি, ডি, অ' নোহোৱাত অসুবিধা হৈছে। আমি ভাবিছো য'ত এজনো নাই আৰু য'ত দুজন আছে তাৰ পৰা এজনক আনি নোহোৱা ঠাইত দিয়া হ'ব। এই ক্ষেত্ৰত মাননীয়

---

* Speach not corrected

সদস্য সকলে আমাক সহায় কৰিব লাগিব। তেখেত সকলে যদি কয় আমাৰ বি, ডি, অ' ক বদলি কৰিব লাগিব তেন্তে আমাৰ দিগদাৰী হ'ব।

* **শ্ৰী দিলীপ শইকীয়া :** অধ্যক্ষ মহোদয়, অৰ্ডাৰটো এনেকৈ কৰিব যাতে হাইকৰ্টেও বদলি কৰিব নোৱাৰে।

* **ডঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :** অধ্যক্ষ মহোদয়, গাওঁ পঞ্চায়তৰ চেক্ৰেটাৰীক প্ৰথমতে ১০০০.০০ টকা পিচত ১২০০.০০ টকা আৰু শেষত ১৮০০.০০ টকা দৰমহা দিয়া হৈছে। কিছুমান কাৰণত এই ১৮০০.০০ টকাতো আমি দিব পৰা নাই, দিয়াৰ কাৰণে আমি প্ৰচেষ্টা হাতত লৈছো। অহা এক এপ্ৰিলৰ পৰা গাওঁ পঞ্চায়তে কাম আৰম্ভ কৰিব। অহা এপ্ৰিলৰ ৫ আৰু ৬ তাৰিখে দিল্লীত অল ইণ্ডিয়া জিলা পৰিষদৰ চেয়াৰমেন, আঞ্চলিক পঞ্চায়তৰ সভাপতিৰ লগত ৰুৰেল ডেভেলপমেন্টৰ মিনিষ্টাৰ, আমাৰো মিনিষ্টাৰ তালৈ যাব। তাত আমি সকলো কথা আলোচনা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি প্ৰতিটো বিভাগলৈ লিখিছো যে আপোনালোকে আমাক কি কি বিভাগ দিব খোজে সেইটো আমাক জনাওঁক। ইতিমধ্যে এইখিনিতে এষাৰ কথা কওঁ যে ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ (আৰ, পি, আৰ, এছ) এইটোৰ কাৰণে আমি চেক্ৰেটাৰী লোৱা নাই যদিও তেখেতসকলৰ সহযোগত সদায়ে থাকিব লাগিব। তেখেত সকলক আমি বাদ দি থকা নাই। গাইড লাইন ভঙ্গ কৰা নাই। ইয়াৰ কাৰণে এখন গভৰ্ণিং বডি আছে। যদি কৰবাত কিবা লগা হয়, তেতিয়া গভৰ্ণিং বডিয়ে কৰিব।

* **শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা :** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰী মহোদয়ে গভৰ্ণিং বডিখন অসুস্থ বুলি কৈছে। মাননীয় মহোদয়ে এই কথাষাৰ নিজে কৈছে।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা :** মাননীয় অধ্যক্ষ মহোদয়, গভৰ্ণিং বডিখন ডি, আৰ, ডি এৰ কাৰণেহে। সেয়েহে ইয়াত এই কথাষাৰ ওলাইছে। গভৰ্ণিং বডিখন ডি, আৰ, ডি এৰ কাৰণে সৰ্বোচ্চ বুলি কৈছে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) :** হয়, ডি, আৰ, ডি এৰ কাৰণে গভৰ্ণিং বডিখনেই সৰ্বোচ্চ। গৰ্ভণিং বডিৰ গাইড লাইন আমি মানিব লাগিব। যিটো নিয়ম। কাৰণ গভৰ্ণিং বডিৰ বিশেষ ক্ষমতা আছে।

* **শ্ৰী শুকুৰ আলী :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই প্ৰশ্ন কৰাৰ পিচত মাননীয় মন্ত্ৰী মহোদয়ে যেতিয়া উত্তৰ দি থাকে তেতিয়া সেই সময়ছোৱাত অন্য এগৰাকী সদস্যই সেই মূহুৰ্ত্তত প্ৰশ্ন নকৰি মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্নৰ উত্তৰটো শেষ কৰিবলৈ দিব

* Speach not corrected

লাগে। উত্তৰ দিয়া শেষ কৰাৰ পিচতহে অন্য এটা প্ৰশ্ন কৰিলে ভাল হয় বুলি আমি ভাবিছো।

(শুকুৰ আলীৰ প্ৰস্তাৱটো কিছু সংখ্যক মাননীয় সদস্যই সমৰ্থন জনায়)

* **ডাঃ ভূমিধৰ বৰ্মণ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী হ'লে ও গাইড লাইনত থকা কিছুমান নীতি-নিয়ম মানিব লাগিব। গভৰ্ণিং বডিয়েও গাইড লাইনবোৰ মানিব লাগিব। আঁচনিবিলাকৰ ক্ষেত্ৰতো নীতি-নিয়মৰ মতে হ'ব লাগিব।

* **শ্ৰী গুণীন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত জিলা পৰিষদ আৰু মহকুমা পৰিষদৰ কথা ওলাইছে। এতিয়া মহকুমা পৰিষদখন থাকিব নেকি? যদি মহকুমা পৰিষদখন নাথাকে তেতিয়াহ'লে জিলা পৰিষদে কাম কৰিব।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ দিনত তেওঁলোকে চলাইছে। মহকুমা পৰিষদতকৈ জিলা পৰিষদক বিশেষ ক্ষমতা দি দিম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, গাওঁবিলাকত গাওঁ পঞ্চায়ত হৈছে। মানুহৰ জীৱনটো বানপানী, গড়াখহনীয়া বা বানপানীয়ে মানুহৰ ঘৰ-দুৱাৰ উটুৱাই নিয়া আদি নানা ধৰণৰ দুৰ্যোগ আহে। এইবিলাক ৰোধ কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে গাওঁবিলাকত টেলিফোন সেৱা দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** আমাৰ অসমৰ বহুতো ঠাইত গাওঁ পঞ্চায়ত নাই। যি কেইখন আছিল তাকো ভাঙি গৈছে। গৰ্ভণিং বডিত আঁছনি প্ৰস্তুত কৰি পঞ্চায়তৰ ঘৰবিলাক ভাল কৰিব লাগে। এই বিষয়ত মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো। যাতে সেই পঞ্চায়তীৰাজ চিষ্টেমটো হয়।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** আমি কৰিমেই। কাৰণ আমি কংগ্ৰেছী।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমিও ক্ষমতা প্ৰদান কৰিম।

**Mr. Speaker :** Now, Dr. Zoii Nath Sarma, Shri Ramewar Teli, Shri Bimalangshu Ray, Shri Ranjit Dutta and Shri Pranab Kalita. Would you withdrawn the cut motions?

* **শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই গ্ৰান্টটো পাছ কৰি দিয়াৰ পিচত কৰ্মচাৰী সকলে আপ টু ডেট দৰ্মহা পাব নে নাই? এইটো আগতে মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে।

---

* Speach not corrected

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, লিষ্টত থকা আটাইবিলাক কৰ্মচাৰীয়ে দৰ্মহা পাব।

**Mr. Speaker :** It is the pleasure of the House to withdraw the cut motion with the leave of the House the cut motion is withdrawn. Now, I put the motion before the House for approval.. That the total provision of Rs. 858.00 lakhs under supplimentary Demand for Grant No.56 in respect of "Panchayat and Rural Development" at pages 43-44 of the list of supplimentary Demands be granted to the Minister Incharge to defray certain charges in currued in course of payment during the year 31st March, 2002 in connection with "Panchayat and Rural Development Department".

Those who are in favour of "Ayes"

Those who are in against say "Noes". Grant No. 56 is passed.

Now, Grant No.34. I request the Minister Incharge, Municipal Administration Department to move.

* **Shri Dinesh Prased Gowala :** On the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs. 150.00 lakhs be granted to defray certain charges which will come in the course of payment during the year ending 31st March, 2002 in connection with municipal Administration Deptt.

**Mr. Speaker :** There are as many as three cut motions in the name of Shri Pabindra Deka, Bimolangshu Roy, Shri Dinesh Chandra Sarkar, Shri Rameswar Teli, Shri Sushil Dutta, Shri Parimal Suklabaidya, Shri Ranjit Dutta, Shri Matindra Basumatary, Shri Rihon Daimary and Shri Karendra Nath Basumatary. I now request to move the cut motion one by one.

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, "২০০১-২০০২" চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২১-২২ পৃষ্ঠাত থকা "পৌৰ প্ৰশাসন বিভাগ" শিতানৰ ৩৪ নম্বৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১৫০.০০ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৫০.০০ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।"

**Mr. Speaker :** Hon'ble Member, Shri Bimolangshu Roy to speak.

---

* Speach not corrected

* **Shri Bimolangshu Roy :** Sir, that the total provision of Rs. 150.00 lakhs under supplimentary Demand for grant No.34 in respect of "Municipal Administration Department" at pages 21-22 of the list of Supplimentary Demands be reduced by Rs.100.00 i.e., the amount of the whole supplimentary Demand of Rs. 150.00 lakhs do stand reduced by Rs.100.00.

**Mr. Speaker :** Now, Shri Karendra Nath Basumatary to move.

* **Shri Karendra Basuamatary :** Sir I beg to move the total provision of Rs.150.00 lakhs under supplimentary demands for Grant No.34 in respect of "Municipal Administration Deptt". at pages 21-22 of the list of Supplementary Demands be reduced by Rs.100.00 i.e., the amount of the whole supplemantary Demand of Rs.150.00 lakhs do stand reduced by Rs.100.00.

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় পৌৰ প্ৰশাসন মন্ত্ৰী ডাঙৰীয়াই ১ কোটি ৫০ লাখ টকাৰ এটা অনুদান বিচাৰিছে। ইয়াত এক্সপেনাৰী নোটত কৈছে যে পৰিকল্পনা ৰূপায়নৰ বাবে ১ কোটি ৫০ লাখ টকা আৱশ্যক হৈছে। গতিকে পৰিপূৰক মঞ্জুৰী মঞ্জুৰ কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰ্ত্তমান নগৰীয়া পানী যোগানৰ যিটো ব্যৱস্থা হৈছে সেইটোৰ অত্যন্ত দুখ লগা অৱস্থা। আজি গুৱাহাটী মহানগৰীতে চৰকাৰী ভাবে যিটো পানী যোগান আঁচনি চলি আছে সেইমতে মাত্ৰ শতকৰা ৪০ শতাংশহে পানী যোগান ধৰিব পৰা অৱস্থা হৈছে বাকী শতকৰা ৬০ শতাংশলৈ পানী যোগান ধৰিব পৰা হোৱা নাই। তাৰোপৰি এই যে ৪০ শতাংশলৈ পানী যোগান দিয়া হৈছে তাকো বেছি ভাগ সময় বাধাপ্ৰাপ্ত হৈ থাকে। তদুপৰি আমাৰ ৰাজ্যখনত ৭৩ খন সৰু-বৰ নগৰ আছে সেইবিলাকতো পানী যোগান আঁচনিৰ অৱস্থা অত্যন্ত দুখলগা অৱস্থা। এই কথাটো সকলোৱে জানে আৰু বিভিন্ন বাতৰি কাকতত প্ৰকাশ পাইছে যে উপযুক্ত খোৱা পানীৰ অভাৱত ৰাজ্যখনৰ বিভিন্ন অঞ্চলত অজস্ৰ লোকে বেমাৰত ভূগিব লগা হৈছে। আন নালাগে টিহুত ১৯৬৫ চনতে এটা পানী যোগান আঁচনিৰ কাম আৰম্ভ কৰা হৈছিল আৰু সেই আঁচনিৰ কাম আৰম্ভ হ'ল ১৯৭৭ চনত, কিন্তু সেই আঁচনিৰ দ্বাৰা আজিলৈকে পানী নোলাল। তাৰ মালিকী স্বত্ব নোহোৱাৰ কাৰণে আঁচনিটোৰ কাৰ্য্যকৰী হোৱা নাই। জনস্বাস্থ্য কাৰিকৰী বিভাগে আঁচনিৰ কামটো সম্পূৰ্ণ কৰি টাউন কমিটিক চমজাই দিলে। টাউন কমিটিয়ে সেই আঁচনি পইচা-পাতি

* Speach not corrected

নোহোৱাৰ অজুহাত দেখুৱাই টাউন-কমিটিয়ে পানী যোগান আঁচনিটো কাৰ্যকৰী কৰা নাই। ফলত আজি ২৫/২৬ বছৰ পাৰ হ'ল সেই আঁচনিটো চলি আছে। কিন্তু তাৰ কোনো মূল্য নাই। অকল সেযেই নহয়, পাঠশালাতো তেনে অৱস্থাই হৈছে। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে অতিৰিক্ত মঞ্জুৰী বিচাৰিছে, সেইটো থিকেই আছে, ৰাজ্যখনত পানী যোগান ব্যৱস্থাটো উন্নত কৰাৰ কাৰণে নতুন পৰিকল্পনা লোৱাটো খুৱেই প্ৰয়োজন হৈছে। আজি যেতিয়াই সোধা যায় বিষযা মন্ত্ৰীয়ে কয় টকা নাই।

* **Shri Bharat Chandra Narah (Minister) :** Point of Order Sir, the scope of discussion of supplimentary Demand under Rule 152 speaks as follows. "The Debate on the supplimentary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlaying them save in so far as it may be necessary to explain or illustrate the particular items under discussion. গতিকে যিটো কাৰণত টকাটো বিচৰা হৈছে সেইটোৰ ওপৰত স্পেচিফিক আলোচনা হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** যিটো মঞ্জুৰী তাৰ ওপৰত স্পেচিফিক আলোচনা কৰিলে ভাল হয়।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** এইটো ৰুলতেই পৰিছে। নগৰীয়া পানী যোগান আঁচনিৰ ৰূপায়নৰ বাবেই নিৰ্দ্ধাৰিত পানী যোগান আঁচনিবোৰ লোৱা হৈছে সেইবোৰ সঠিকভাৱে ৰূপায়ন হোৱা নাই। আজি ৰাজ্যখনৰ বিভিন্ন অঞ্চলত দলংৰ ওপৰত দলং সম্পূৰ্ণ নোহোৱাকৈ পৰি আছে, আমাৰ মঞ্জুৰী বিলাক দিয়াত আপত্তি নাই, কিন্তু বেছিভাগ আঁচনি টকা থকা স্বত্ত্বেও কাৰ্য্যকৰী নোহোৱাকৈ পৰি আছে। সকলোৱে বিশেষকৈ মন্ত্ৰী বিষয়া সকলে কৈ থাকে টকা পইচা নোহোৱাৰ কাৰণে আঁচনিবিলাক সম্পূৰ্ণ কৰি তুলিব পৰা নাই। অন্যান্য আঁচনিৰ লগতে নগৰীয়া পানী যোগানৰ যিবিলাক পৰিকল্পনাৰ কাম চলি আছে সেইবিলাকৰ কাম সম্পূৰ্ণ হোৱা নাই। কিন্তু প্ৰতি বছৰেই প্লেনৰ টকা-পইচা খৰচ নোহোৱাকৈ ঘুৰি গৈ আছে। ১৯৯৭ চনৰে পৰা এচ, জি, এচ ওৱাই পৰিকল্পনাত টকা দি আছে কিন্তু সেই কাম বিলাক তাত যি টকা পইচা খৰচ কৰা হৈছে সেই টকা পইচাৰ ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া নাই। ১৯৯৪ চনৰে পৰা ইউটিলাইজেচন চাৰ্টিফিকেট নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান দিয়াটো বন্ধ ৰাখিছে।

গতিকে এইবিলাকৰ পৰা এইটো আমি পতিয়ন যাব পাৰো যে আমাৰ চৰকাৰৰ বিভিন্ন আৰ্চনিৰ কাৰণে অপযাপ্ত টকা আছে। টকা নাই বুলি ক'ব নোৱাৰে। আপোনালোক সকলোৱে জানে যে ডি, আৰ, ডি এৰ কিমান টকা ঘূৰি গৈ আছে।

* Speach not corrected

নলবাৰী চহৰত ১৯৯৭ চনৰ পৰা ১১ লাখ টকা পৰি আছে। আমাৰ মঞ্জুৰী দিয়াত আপত্তি নাই কিন্তু পৰিকল্পনাৰ কামবিলাক থিকমতে চলি আছে নাই আৰু কামবিলাক সঠিকভাবে কৰিছে নে নাই আৰু কামবিলাকৰ ইউটিলাইজেচন চাৰ্টিফিকেট সময়মতে দিয়া হৈছে নে নাই সেইবিলাক চাব লাগে, কিয়নোই উটিলাইজেচন চাৰ্টিফিকেট সময়মতে নিদিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা অহাতো বন্ধ হৈ পৰিব, কেৱল টকা নাই বুলি কৈ থাকিলে কামবিলাক পেলাই থলে আমাৰ আঁচনিবোৰ অসম্পূৰ্ণ হৈ পৰি থাকিব।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ এই কৰ্ত্তন প্ৰস্তাৱৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিলো যাতে নগৰীয়া পানী যোগান আঁচনিবিলাক যিমান সোনকালে পাৰা যায় সেইবোৰ কাৰ্য্যক্ষম কৰি দুখীয়া ৰাইজক বিশুদ্ধ খোৱা পানী যোগান দিব পাৰে তাৰ বাবে শীঘ্ৰে ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালোঁ।

* **শ্ৰী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৪ গ্ৰান্টৰ ওপৰত যিটো চাপ্লিমেন্টৰী ডিমাণ্ড কৰা হৈছে এই ক্ষেত্ৰত আমাৰ দলৰ ফালৰ পৰা কাটমোচন আছে। এই ক্ষেত্ৰত মই কিছু বক্তৃতা ৰাখিব খুজিছো। আমাৰ কোকৰাঝাৰখন হৈছে জনজাতীয় অধ্যুষিত চহৰ। চেন্ট্ৰেল গৰ্ভমেন্টৰ পৰা জনজাতীয় এলেকাৰ বাবে বেলেগকৈ টকা পানী যোগানৰ বাবে মোকলাই দিয়া হৈছিল। এই টকাটো ১৯৯১-৯২ তেই মোকলাই দিছিল। তেতিয়া মাটি বিছৰা হৈছিল। ১৯৯৫ চনলৈ প্ৰাক্তন মুখ্যমন্ত্ৰীৰ নেতৃত্বত কংগ্ৰেছ চৰকাৰ আছিল। তাৰ পিচত এ, জি, পি চৰকাৰ আহিল। আমাৰ ৰাজ্যৰ বিভিন্ন ঠাইত পানী যোগান আঁচনিৰ ব্যৱস্থা কৰা হ'ল। শদীয়া, ধেমাজী আদি সকলো ঠাইতে পানী যোগানৰ ব্যৱস্থা হ'ল। কিন্তু কোকৰাঝাৰ চহৰত একো নহ'ল। ফাঁকি দি আছে মাটি পোৱা নাই। এনেকুৱা নহয় যে মাটি পোৱা নাযায়। সদনত মই অনুৰোধ জনাইছিলো কোকৰাঝাৰত অতি সোনকালে পানী যোগান আঁচনি ৰূপায়ন কৰিব লাগে। কিন্তু বিভিন্ন চহৰত চেন্ট্ৰেল গৰ্ভমেন্টৰ আঁচনিৰ জৰিয়তে এই পানী যোগান আঁচনি ৰূপায়ন কৰা হ'ল। কিন্তু আমাৰ কোকৰাঝাৰত কৰা নহ'ল। আন্দোলনৰ সময়ত যিবিলাক ৰাস্তা-ঘাট, দলং ৰ ক্ষতি হৈছিল সেইবিলাক পুনৰ গঠন কৰিবলৈ চেন্ট্ৰেল গৰ্ভমেন্টৰ পৰা বি, টি, চি এলেকাত ৯০ কোটি টকা আৱন্টন দিয়া হৈছিল। বিভিন্ন বছৰত বিভিন্ন এচটিমেট আৰু প্ৰজেক্ট পঠোৱা হৈছিল। তাৰ ফলত ১৯৯১/৯২ চনত তিনিকোটি ১৯৯৫/৯৬ চনতে ৬ কোটি আৰু এতিয়া বঢ়াই ১২ কোটি কৰা হৈছে। এই সকলোখিনি টকা বি, টি, চি এলেকাৰ উন্নয়নৰ কাৰণে দিয়া হৈছে। কিন্তু তাৰ ভিতৰত এই পানী যোগান আঁচনিও ধৰা হৈছে। মই

---

* Speach not corrected

আজি সদনত মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে মৰিগাওঁ, ধেমাজী আদি চহৰৰ বাবে যি পানী যোগান আঁচনিৰ ব্যৱস্থা কৰা হৈছে সেই একে দৰে আমাৰ কোকৰাঝাৰ চহৰখনো অৰ্ন্তভূক্ত কৰিব লাগে। সুকীয়া ভাৱে কোকৰাঝাৰৰ আঁচনি চেন্ট্ৰেল গৰ্ভমেন্টৰ টকাৰে নহয় অসমৰ আন আন চহৰ বিলাকৰ লগত একে আঁচনিতেই কোকৰাঝাৰৰ পানী যোগান আঁচনি অৰ্ন্তভূক্ত কৰিব লাগে। আজি মন্ত্ৰী মহোদয়ে এচুৰেঞ্চ দিলে আমি কাট মোচন টো উইড্ৰ কৰিম। ধন্যবাদ।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগৰীয়া পানী যোগান উন্নয়নৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে নগৰীয়া পানী যোগানৰ ক্ষেত্ৰত অতিৰিক্ত এক কোটি পঞ্চাশ লাখ টকাৰ আৱশ্যক। এতিয়া কথা হৈছে অসমৰ কেইখন চহৰ আগতে সাঙুৰিলে আৰু কেইখন চহৰ এতিয়া সাঙুৰিছে। এই গুৱাহাটী চহৰতেই মানুহে ভাৰ বান্ধি পানী আনিব লগা হৈছে। এই গুৱাহাটীতেই মানুহে পানী কিনিবলগা হৈছে। যিখন অসমত বানপানীয়ে বছৰটোত জুৰুলা কৰে মানুহক সেই অসমতেই খোৱা পানীৰ হাহাকাৰ। য'ত এখন বিশাল ব্ৰহ্মপুত্ৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ। শোৱণশিৰি, মানাহ আৰু ক'ত নদী। ইমান বিলাক নদ-নদী থকাৰ পাচতো যদি ৰাইজৰ এনে অৱস্থা হয়, বৰ দুখৰ কথা। এই পানী যোগানৰ ক্ষেত্ৰত ১৫০ কোটি টকা অতি কম। পানী যোগান আঁচনি যদি সম্পূৰ্ণ কৰে এই টকাৰে একোৱেই নহ'ব। এতিয়া কথা হ'ল কেইখন নগৰ ইয়াত অৰ্ন্তভূক্ত কৰিব? কোকৰাঝাৰ কৰিব নে, ধেমাজীয়েই কৰিব? নে পবিন্দ্ৰ ডেকাৰ নগৰখনেই সাঙুৰিব? কোন কেইখন নগৰ সাঙুৰি ল'ব সেইটো মন্ত্ৰী মহোদয়ে বিতং ভাবে জনাব লাগে। আগৰ যিবিলাক পানী যোগান আঁচনি সম্পূৰ্ণ হোৱ নাই সেইবিলাক সম্পূৰ্ণ কৰিবনে নতুন আৰু আঁচনি হাতত ল'ব মন্ত্ৰী মহোদয়ে জনাব লাগে। অৱশ্যে কিছুমান ঠাইত এই পানী বিলাক মিচইউজ হৈছে। আমাৰ দিশপুৰৰ পানী টেঙ্কীৰ পৰা পানী পৰিয়েই থাকে। ১৫০ কোটি কিয় আৰু বেচি দিম যদিহে কাম বিলাক সম্পূৰ্ণ হয়। বিশেষকৈ গুৱাহাটী মহানগৰীত। এতিয়া গুৱাহাটী হৈছে মেট্ৰপলিটান চিটি। ইয়াত সকলো ফালৰ পৰা মানুহ আছে। প্ৰায় ভাগ মানুহ গুৱাহাটীতেই থাকে।

**(সকলো মানুহ নাথাকে- ভইচ)।**

মই প্ৰায়বিলাক মানুহ থাকে বুলি কৈছো সকলো বিলাক মানুহ থাকে বুলি কোৱা নাই। ১১ তাৰিখৰ পৰা মেট্ৰিক পৰীক্ষা। গা-নোধোৱাকৈয়ে ছাত্ৰ-ছাত্ৰী পৰীক্ষা দিবলৈ যাব লাগিব। ৯ বজাৰ পৰা কাৰ্য্যালয়ৰ কাম আৰম্ভ হ'ব বুলি শুনি আছো। তেতিয়াতো আৰু সাংঘাটিক হ'ব। গা-নোধোৱাকৈয়ে অফিচ কৰিব লাগিব। গতিকে

* Speach not corrected

মন্ত্ৰী মহোদয়ে যদি গুৱাহাটী মহানগৰীত পানী যোগানৰ ব্যৱস্থা সম্পূৰ্ণ কৰে ১৫০ কোটি কিয় আৰু টকা বিচাৰিলে দিবলৈ আপত্তি নাই। মোৰ বোধেৰে নতুন আঁচনি নলৈ আগৰ হাফ ডন খিনি সম্পূৰ্ণ কৰিব লাগে।

মাৰ্চৰ ১১ তাৰিখৰ পৰা পৰীক্ষা হ'ব। কৰ্মচাৰী সকলে গা-নোধোৱাকৈয়ে অফিচলৈ আহিব লগা হয়। গতিকে অসমৰ নগৰ অঞ্চলত পানী যোগান আঁচনি খৰতকীয়া ব্যৱস্থা ল'ব লাগে। মন্ত্ৰী মহোদয়ে যি টকা বিচাৰিছে সেইটো একো নহয়। লাখ লাখ টকা নহয়, মন্ত্ৰী মহোদয়ে আৰু টকা বিচাৰক। এই আঁচনিৰ যিখিনি কাম আধৰুৱা হৈ আছে সেই কাম খিনি খৰতকীয়া কৰক, এইটো মই অনুৰোধ কৰিছো।

* **Shri Bimolangshu Roy :** Hon'ble Speaker Sir, I have seen the demands for Grant No.34. Which is required for development of Urban Water Supply Scheme. As per requirement additional plan allocation has been sought for, but the Hon'ble Minister has not able to supply the meterials- then the demand is for what purpose? Hon'ble member, Mrs. P.R. Brahma has already raised this point in respect of this grant. But the Grant itself is vague. So, we will not take the burden for which purpose this demand is made. So, accordingly, we are to modify the need of the water supply scheme throughout the state. We know sir, there are most of the towns where Govt. cannot cover up water supply scheme. In some of the towns, populations have been left out. In some towns people donot get adequate water. Sir, there are some special guidlines. Now,the Deptt. is also doing some thing in the name of Urban Water Supply and the Swerage Board which is taking care of the needs of the Urban population. We know Sir, Central Govt. is providing adequate fund for water supply scheme. But, the Central Govt. I am told is not providing adequate fund to take care to the needs of Urban population in many constituencies. The Silchar Water Supply Scheme was established in 1960. It has become the liability of the Govt. The govt. is not providing adequate fund and manpower to maintain it. When Hon'ble Minister will be able to reply? We pay Rs.60/ - per month to the Municipality against the availability of water. I feel it is also a kind of business. Any Govt. has to run such scheme. It is

* Speach not corrected

not possible to supply water in urban population as per need. There is a Swerage Board Scheme going but its function is not satisfactory. I do not know when it will be able to get water because one third of teh population in Silchar is to-day facing such problem. Today, after 55 years of independance we have not been able complete the water Supply Scheme in Lumding. Similarly, in Karimganj, water supply is also not as per requirement of the Urban population. Water Supply scheme so started is in the half done way. Similarly. in Guwahati and other places such as BTC area as mentioned by Smti P.R. Brahma are also not adequate to meet the problem. This is very very unfortunate. I request the Hon'ble Minister to please look into it, so that the urban and rural areas are provided with sufficient water. In respect of Urban areas, I like to request the Hon'ble Minister to give a clear picture and also we want a clear picture about different attitude of the Govt. I want a clear answer whether Hon'ble Minister will arrange any fund for Silchar Water Supply Scheme which is of urgent nature. Thank you Sir.

* **শ্ৰী প্ৰেমধৰ বৰা ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা মই জানিব বিচাৰিছো যে অসমত স্বাধীনতাৰ ৫৫ বছৰ পিচত কিমান নগৰত এতিয়ালৈকে পানী যোগান আঁচনি কাৰ্য্যকৰী হৈছে আৰু কিমানত পানী যোগান হোৱা নাই? এই ক্ষেত্ৰত কিবা কাৰ্য্যসূচী আছে নে নাই মই জানিব বিচাৰিছো।

* **Shri Karendra Basumatary :** Mr. Speaker Sir, I want to draw the attention of the Hon'ble Minister. It is a fact that there is a Town Committee under Udalguri MAD. Particularly, Udalguri is a very bacward area and it is a newly created Sub-Division. So, whether Hon'ble Minister is taking due steps for providing water supply scheme for Udalguri. It should be given on top priority basis for Udalguri. Another town is Gosaigaon which is also under the MAD and that also needs to be given top priority. Now, Hon'ble MInister since he has mentioned to provide many and accordingly I request him to look into the Udalguri Sub-division to provide water on priority basis.

---

* Speach not corrected

* **শ্ৰী সৰ্বানন্দ সোণোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, পানী যোগান আঁচনিৰ যি আলোচনা চলিছে আৰু ইয়াৰ বাবে যি ফাগু বিচৰা হৈছে সেইটো যথেষ্ট নহয়। ধুবুৰী, শিলচৰ আদিত পানী যোগান আঁচনি চলি আছে। গাওঁৰ সাধাৰণ মানুহ বিলাকে পানী চাপ্লাই নাপায়, কিন্তু চহৰৰ মানুহ বিলাকে চাপ্লাই পানী ব্যৱহাৰ কৰে। গুৱাহাটী মেডিকেল কলেজতো চাপ্লাই পানী ৰোগী সকলে খাই আছে। ভাল পানী খাবলৈ হ'লে এক লিটাৰ মিনাৰেল ওৱাটাৰত বিশ টকা ভৰিব লাগে। এইটো এটা জৰুৰী বিষয় স্বাস্থ্যৰ লগত পোনপটীয়া ভাবে সম্বন্ধ থকা বিষয়।

অধ্যক্ষ মহোদয়, আজি এবটল মিনাৰেল ওৱাটাৰৰ দাম কুৰি টকা। কিনিবলগীয়া হৈছে ৰোগী সকলোৰে। বিষয়টো জৰুৰী। কিয়নো স্বাস্থ্যৰ লগত সম্পৰ্ক থকা বিষয়। আজি ডিব্ৰুগড় এখন পুৰণি চহৰ, কিন্তু তাতো পানী যোগানৰ কোনো ব্যৱস্থা নাই। মৰাণ, ধুবুৰী আৰু আন আন বহুতো ঠাইতো নাই। গতিকে বিষয়টো জৰুৰী হিচাবে গণ্য কৰি বিভাগীয় মন্ত্ৰী মহোদয়ে ইয়াৰ ব্যৱস্থা ল'ব লাগে। আচলতে ডেৰ কোটি টকাৰে কভাৰ নকৰে। গোটেই অসমৰ কাৰণে পানী যোগানৰ আঁচনি তৈয়াৰ কৰিব লাগে। ৬৬ খন চহৰ কভাৰ কৰি আঁচনি তৈয়াৰ কৰিব লাগে। বিভাগীয় ভাবে বেক্টেৰীয়া ফ্ৰি কৰিব পৰা হ'ব লাগে। মই নিজে গুৱাহাটী মহানগৰীৰ লাচিত নগৰ এলেকাত থাকো। তাতো পানী যোগানৰ ব্যৱস্থা ঠিকমতে নাই। গতিকে বিষয়টোত গুৰুত্ব দি অসমৰ ৬৬ খন চহৰত পানী যোগানৰ বাবে আঁচনি প্ৰস্তুত কৰিব লাগে। বেক্টেৰীয়া ফ্ৰি হ'ব লাগে। আমাৰ ডাঃ ভূমিধৰ বৰ্মণ ডাঙৰীয়া মন্ত্ৰী আছে। তেখেতে জানিব ৰোগী সকলৰ কাৰণে বা ভাল মানুহৰ কাৰণেও কি ধৰণৰ পানীৰ প্ৰয়োজন।

**(ভইচ- ডাক্তৰ আৰু বহুত মানুহ আছে ইয়াত)**

মই, তেখেত বিশেষ ভাবে জড়িত কাৰণে আৰু দায়িত্ব থকা কাৰণে উল্লেখ ৰাখিছো। মই আশা কৰিছো বিষয়টোত সদনে গুৰুত্ব প্ৰদান কৰিব আৰু বিভাগীয় ভাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ে তৎপৰ হ'ব।

* **Shri Sushil Dutta :** That the total provision of Rs. 150.00 Lakh under Supplimentary Demand for Grant No.34 in respect of "Municipal Administration Deptt." at pages 21-22 of the list of Supplementary Demand reduced by Rs. 100.00 i.e., the amount of the whole Supplementry Demand of Rs. 150.00 lakhs do stand reduced by Rs.100.00.

* Speach not corrected

অধ্যক্ষ মহোদয়, আৰবান ওৱাটাৰ চাপ্লাইত ডেৰ কোটি টকা বিচাৰিছে। কিন্তু মই ক'ব বিচাৰিছো যে লামডিং চহৰৰ কাৰণে পানী যোগান সম্পৰ্কিত কোনো আঁচনি নাই। গতিকে মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে লামডিং চহৰৰ কাৰণে পানী যোগানৰ আঁচনি গ্ৰহণ কৰে। নহ'লে ৩৪ নং গ্ৰান্টৰ টকা ৰিডিউচ কৰিব লাগে।

**Mr. Speaker :** I request Hon'ble Minister Urban Water Supply to reply.

**Shri Dinesh Prasad Gowala (Minister) :** Hon'ble Sir, I convey my thanks to Hon'ble members who has raised many things regarding the problem of water supply mainly in rural and Urbal water supply schemes in our state. Sir, the grant of Rs. 150.00 lakhs which I moved is specific for the commissioning of the 4 schemes namely the Golaghat, Dergaon, Lanka and Morioni. The budget provision for 2000-2001 was Rs. 850.00 lakhs for water supply. The amount was grossly inadequate in compansion to earlier allocation. But original budget provision for 2001-02 has been further reduced to Rs.700.00 lakhs for water supply. Considering the water supply as important sector which has been regarded as social service due weightage should be given for implementation of water supply scheme. Presently, there are 14 on going schemes, which are at different stages of construction. Out of Rs.700.00 lakhs, Rs.170.00 Lakhs for centrally sponsored scheme as state share and Rs.30.00 lakhs for salary component only. So, practically there remains Rs.500.00 lakhs for implementation of urban water supply schemes. This amount is grossly inadequate to commission any scheme. The total requirement of fund for completion of all on going schemes is Rs.128.00 crores. As such, if this level of allocation is not elevated, the supply of safe drinking water to the Urban population will remain an illusion, although our need is much higher. But considering the financial position of the State, we have just submitted proposal for additional amount of Rs.150.00 lakhs during the current year. This amount will be spent for the schemes will be spent for the schemes which are likely to be commissioned by 2002-03. The schemes are Golaghat, Lanka,

Dergaon and Morioni. Also a provision hs been made for scheme under implementation by the Public Health Engeering. Deptt. If the additional fund is not available the completion of on-going schemes will be delayed resulting time and cost overrum. This is specific for which the amount of Rs.150.00 lakh has been proposed. Sir, Hon'ble Member, Sri Pabindra Deka very rightly raised problem of water supply the datails of which is not in my hand. In Urban water supply schems, parts of water supply schems which is there and details of the schems which is not yet completed. there is a problem of personal supply scheme and the Deptt. has taken steps to commssion; but the problem of land which I think my Hon'ble member is aware of the same.

Sir, another problem of Urban Water Supply Scheme at Kokrajhar has been raised by Hon'ble MLA, Smti Pramila Rani Brahma. This was also raised earlier. The Hon'ble MLA must be fully aware. The details of the scheme is as under:

Assam Public Health Engeering Department have been prepared one scheme for providing water supply to the inhabitants of Kokrajhar town in 1989. After creation of the Board the Assam Urban Water Supply and Sewerage Board has been entrusted for implementation of Kokrajhar town water supply scheme in 1990-91 for an amount of Rs.602.00 lakhs. The work was alloted on turnkey basis to M/s International pumps and project, a Calcutta based firm.

The Executive Engineer, Assam Urban Water Supply & Sewarage Board, Dhubri Division immediately took up the matter with Kokrajhar Municipality Board, The Deputy Commissioner, Kokrajahr for allotment of 14 plots of Land showing tentative locations for construction of two nos. of treatment plan, one in each side of railway tracks, four nos. of reservoirs and ten nos. of deep tube wells. In total nine bighas four kathas of land was required.

Land for treatment Plan of Zone No.1 measuring 4 bigha, 18 lessa was required on 28-1-93 and was also handed over to the department. But the allotment was revoked as per direction of the Honourable Gauhati High Court and officially intimated to the Board by the D.C. Kokrajhar vide letter No.KRA/4/92/233 dtd. 6-12-94.

One Bigha Land was handed over on 21-8-95. boundary pillars were erected on this plot of land but vide KRA/72/92/259 dtd. 8-12-95 the Deputy Commissioner Kokrajhar has intimated that the owner of the land has appealed for examption in acquiring the plot of land. Again for Zone II 2 bighas 4 Kathas 1 lessa was handed over to the Board vide letter KRA 7/92/60 (A) dtd..23-4-93 by the D.C. Kokrajhar. But this plot also could not be made available for use since here also the DC Kokrajhar vide his no KRA 17/92/266 dtd. 5-5-2002 informed on prayer for examption of acquiring.

The DC have acquired 4 plot of land for installation of deep tube well under Zone No.2. Payment on account of acquisition of this plot of land was made from the Board during 1996 but for want of approval of award statement from the Govt. of Assam. Revenue Deptt. the land could not be handed over to the Board.

The Executive Engeener AUWS & SBD constantly made persuasion with the concerned authority since then.

The matter was taken up by the committee on welfare of SC and ST and a meeting was held on 20-7-2000 where the matter was throughly discussed. After detailed discussion the committee instructed the Board and the revenue Deptt. to take up this matter with the Deputy Commissioner, Kokrajhar to evolve a solution for arrangment of the land for implementation of Kokrajhar water supply scheme.

Accordingly on 27-7-2000 a meeting was held in the chamber of the DC, Kokrajhar under his chair for implementation of proposed

Kokrajhar Town Water Supply Scheme. The meeeting was attended by concerned officials of DC's office and Assam Urban Water Supply and Sewerage Board. The meeting has discussed the different aspect on difficulties in implementating the project. The member attending the meeting has visited jointly some sites in and around Kokrajhar town. After visiting the site the commitees has identified one plot of land for construction of treatment plant for zone no1 and one plot of land for ESR of zone NoII. The D.C will explore the possibility of getting the land for construction of other allied structures. The D.C Kokrajhar dated vide his letter 3-8-2000 has intimated the outcome of the meeting to the Commissioner and Secretary to Govt. of Assam.

As per agreement executed in 1991 on amount of Rs.62.00 lakhs was paid to the contractor as mobilisation advance and subsequently the said work has been taken away from the contractor. The contrctor has now moved to the hounourable high court against the cancellation order.

This estimate prepared in 1989 is unworkable. Hence, the cost of the Scheme has been revised to the price index of 2000 for an amount of Rs.12,19,36,000.00.

Again the Deputy Commissioner, Kokrajhar has intimated vide his letter in January 2002, that the said identified land also will not be available and requested to select some other plot of land.

The revised scheme prepared by the Assam Urban Water and Sewerage Board has been proposed to be executed by the Department for Welfare of Plains tribes and Backward classes under Non-Lapsable Central pool of fund. The CPHEEO have suggested some modification to consider the scheme under Non Lapsable Central Pool of Fund. The scheme after modification could be submitted within the month of March, 2002. Subject to availabilty of fund and availabilty of suitable land, the scheme could be completed within 30 months.

Sir, in reply to the query made by Hon'ble member, Shri Premadhar Bora, I would like to state that the total number of schems under A.U.W.S & S is 78 and the total number of schemes at hand is 30. Sir, other members have also raised the problem of water supply in different towns. Sir, this is a fact that there is problem in different towns of Assam also in Guwahati. Sir, in Guwahati area the water supply is being executed by three departments. Dispur water Supply is run by the PHE Deptt. Guwahati town by the G.M.C. and zoo Road Urban Water Supply. Sir, taking all these schemes G.M.C. has submitted greater Guwahati Water Supply Schemes and this has been submitted to Govt. of India and is under its active consideration. regarding water supply in different town. Sir, Urban Water Supply Board has taken up schemes to be completed in 59 towns with a population below 20000 in a phased manner.

* **শ্ৰী এটোৱা মুণ্ডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এ, জি, পি বিধায়ক সকল দেখোন এজনো নাই। অলপ সময়ৰ পিচত আহি তেওঁলোকে হুলস্থুল কৰিব।

* **শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনত বহুলাখ টকা এজন ঠিকাদাৰে কাম নকৰাকৈ উঠাই লৈ গ'ল। সেই টকা আকৌ ঘুৰাই আনিব পাৰিবনে নাই? সেই ঠিকাদাৰদনৰ নাম আৰু ফাৰ্মখনৰ নাম কি আছিল জানিব পাৰিম নেকি? ইমান টকা এখন ফাৰ্মে উঠাই লৈ যোৱাটো বৰ লাজৰ কথা এখন চৰকাৰৰ কাৰণে। অধ্যক্ষ মহোদয়, সেই কাৰণে মই কৈছো যে আমাৰ কোকৰাঝাৰ চহৰ, ওদালগুৰি, গোসাইগাওঁ ৰ পানী যোগান ধৰাৰ কাৰণে যিখিনি পইচা আদায় কৰি লৈ গ'ল সেইখিনি ঘুৰাই অনাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

* **শ্ৰী মতী প্ৰণতি ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সোণাৰী, নাজিৰা, লাকুৱা আদি ঠাইত পানী যোগান আঁচনি লৈছে যদিও আজিলৈকে হোৱা নাই। গতিকে সেইখিনি কাম কেতিয়ালৈকে হ'ব জনাবনেকি?

* **Shri Dinesh Prasad Gowala (Minister) :** Under Urban Water Supply there are 20 schems under the state Plan and 10 nos. under Central Plan out of which only 4 schemes have been commissined and there is a

* Speach not corrected

proposal for commission of another 4 schemes for which this Grant has been proposed and are prepared to take up the schemes which has not been commissioned. Regarding the Kokrajhar Urban Water Supply, I in all sincerity say to executive the scheme, The work was also given to a contrator, but due to dispute and other matters which are totally within the knowledge of the Hon'bel member and the contractor has filed a suit in the court. I request the Hon'ble member to sort out the problems to execute the schemes. The Board is very sincere to execute the scheme.

* **শ্ৰী মতী প্ৰমিলা ৰাণী ব্ৰহ্ম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সুধিব বিচাৰিছো যে কোন ঠিকাদাৰ বা ফাৰ্মক পইচা আদায় দিয়া হ'ল। সেই আদায় দিয়া পইচা চৰকাৰে ঘুৰাই আনিব পাৰিব নে নাই? অধ্যক্ষ মহোদয়, মাটিৰ ব্যৱস্থা কৰি দিছো, কিন্তু চৰকাৰে ল'বৰ কাৰণে ইচ্ছা কৰা নাই।

* **Shri Kafendra Basumatary :** The minister's reply does not reflect his sincerity.

* **Shri Dinesh Prasad Gowala (Minister) :** The Board has not taken up any scheme for Udalguri Water Supply Scheme. Regarding the names of the firms what has been stated earlier sir, the work has been alloted on a turnkey basis to M/S International Pump and Project, a Calcutta based firm. Rs.62 lakhs of work order has been cancelled. Details of the account I will show the Hon'ble Member. We will examine this matter Sir.

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা** ঃ চাৰ, ৬২ লাখ অলৰেদি পেমেন্ট কৰিলে নেকি? এইটো কোন চৰকাৰৰ দিনত কৰিলে?

* **শ্ৰী দীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আগৰ চৰকাৰৰ দিনত।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা** ঃ অধ্যক্ষ মহোদয়, এইটো ৰিকোভাৰি কৰিব নেকি?

**মাননীয় অধ্যক্ষ** ঃ আপুনি এতিয়া বহকচোন। মন্ত্ৰী মহোদয়ে ডিটেলচ্ ব্যৱস্থা ল'ব বুলি কৈছে।

* **শ্ৰী দীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এইটো এনকুৱাৰি কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

---

* Speach not corrected

* **শ্ৰী বিমলাংশু ৰয় ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে আমাৰ শিলচৰৰ কথা একো কোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি চৰ্টকাট কৰি একেবাৰে কৈ দিয়ক।

* **Shri Dinesh Prasad Gowala (Minister) :** I really thank that the Hon'ble Member has taken very keen initiative regarding Urban Water Supply Scheme. We are hopeful that the scheme we will be able to commission within March, 2002-2003.

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে কৈছোৱেই যে বহুত আঁচনি বহুত বছৰ আগতে সম্পন্ন হৈছে কিন্তু তাৰ পৰা পানী ওলোৱা নাই। গতিকে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি সমূহ কাৰ্য্যক্ষম কৰিবলৈ প্ৰয়োজন হ'লে ৰাইজৰ পৰা ট্ৰেক্স কালেকচন কৰি হ'লেও এইবোৰ নিজাববীয়াকৈ চলোৱাৰ ব্যৱস্থা কৰিব লাগে।

* **Shri Dinesh Prasad Gowala (Minister) :** Sir, the scheme has already been executed in Urban area mainly town area. After completion of the scheme the PHE handed over to the town area and it is the responsibility of them. In some cases PHE running the scheme without any budgetary provision. It is illegal and we are facing hardship in our state, under the leadership of late H.Saikia in 1991 and in 1993. We have for the first time taken up the scheme in the rural areas. This scheme was handed over to the Rural Water Supply committee. Sir, We are happy today that in our State 148 rural water supply schem are run by the Rural Water Supply association. We are hopeful that we will go for it.

**Mr. Speaker :** Hon'ble Member Shri Pabindra Deka to move cut motion. Would you like to withdraw your cut motion.

* **Shri Pabindra Deka :** I withdraw my cut motion.

**Mr. Speaker :** Is it the pleasure of the House to grant leave to withdraw the cut motion?

"Yes", "Yes", "Yes", "Yes",

With the leave of the House the cut motion is withdrawn. Now, I put

* Speach not corrected

the motion before the House that an additional amount of Rs.150 lakhs be granted to the Minister incharge to defray certain charges which will come in the course of payment during the year ending 31 st March, 2002 in connection with "Municipal Administration Deptt."

Those who in favour, say "Ayes". Whose who are not in favour, say "Noes"

"Ayes have it, Ayes have it, Ayes have it,

The motion is passed. Grant NO.34 is passed.

Now, Grant No.31.

**Shri Sarat Barkataky (Minister) :** Mr. Speaker Sir, on the recommedation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs.200.00 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31 st March, 2002 in connection with "Urban Development of T & CP and GDD".

**Mr. Speaker :** There are two cut motions submitted by Hon'ble members (1). Shri Bimolangshu Roy, Shri Dinesh Chandra Sarkar, Shri Parimal Suklabadya, Shri rameshwar Teli, Shri Ranjit Dutta and (2) Smti. Parmila Rani Brahma, Shri Tijendra basumatary, Shri Rameo Brahma, Shri Biwajit Daimary. Now I request the movers of the motion to move their cut motions one by one.

**Shri Bimolangshu Roy :** Mr. Speaker Sir, I beg to move that the total provision of Rs.200.00 lakhs under supplimentary Demand for Grant No.31 in respect of "Urban Development" - T & CP and GDD" at pages 19-20 of the list of Supplementary Demands be reduced by Rs.100.00 i.e. the amount of the whole suppementary Demand of Rs.200.00 lakhs do stand reduced by Rs.100.00.

**Smti. Pramila Rani Brahma :** Mr. Speaker Sir, I beg to move "that the total provision of Rs.200.00 lakhs under supplementary Demand for Grant No.31 in respect of "Urban Development" - T & CP and GDD"

be reduced by Rs.100.00 i.e. the amount of the whole supplementary Demand of Rs.200.00 lakhs do stand reduced by Rs. 100.00.

**Shri Bimolangshu Roy :** Hon'ble Speaker Sir, Hon'ble Minister has sought for an additional amount of Rs. 200.00 lakhs as advance from constituency Fund for implementation of the Guwahati Municipal Corporation Drainage Programme since the original budget provision has been exhausted and hence, he has sought for additional fund. In this respect, I would like to know from the Hon'ble Minister certain clarifications. Mr. Speaker Sir, in Guwahati, we have seen a few drainage programme which have been implemented during the last 3 or 4 years. In some areas, the work was very satisfactory but in some areas, we have noticed that the works are not at all satisfactory and upto the specification and finally we have seen that the T & CP Department through their experts first prepare a scheme. Then another group of experts approve the schemes and finally these schemes are implemented by another experts. But we find during the rainy season in many parts of the town that almost more than half of the city is submerged due to water- logging. So Sir, if during the rainy season the entire city goes under water than it is very likely that anybody can question the propriety of this type of work. We are spending crores of rupees for constructing draings in the cities for benefit of the people of Guwahti city. Unfortunately, we find sir, that these schemes have been implemented in most hapazard manner and there is no outlet for passing water and as a result, water is accumulated and the entire city is submerged by rain water. Sir, we know that the World Bank is providing fund for this type of schemes. Sir, ours is a very poor step and we cannot afford to spend so much of money for improvement of the towns and cities only. This is a very vital question and we expect a satisfactory reply from the Hon'ble Minister Sir. In this reply, hon'ble Minister will definitely speak out how much money have been utilised and when these schemes are likely to be implemented.

we would also like to know from the Hon'ble Minister whether they would take some concrets steps for solving this waterlogging programme

of Guwahati city. Because, this is a very serious problem and in rainy season, it is the common people who suffer very badly. This is one aspect Sir, another aspect I would like to know from the Hon'ble Minister is that there are other cities also in the State which are also suffering due to water-logging. We are also concerned about the amenities of the people of other cities, be it Jorhat, Dibrugarh, Silchar, Tinsukia or any other city. We would like to know whether any such drainage scheme has been drawn for other cities of the state. I know Sir, for Silchar, a storm drainage project was intiated, a schemes was drawn up for Rs.75 crores, but it is now in the cold storage. During the last Assembly Session, I raised a question on this subject and I was given to understand that the matter is being pursued. But it is not known, at what stage, it is being persued. Sir, there are other organisations also from where we can get money for some schemes. There are NGOs and other organisations who should come forward voluntarily to solve their own problems.

Sir, there is a very importsnt point which I like to mention here that is most of the Municipalities and Corperations is no financial sanction. If the Govt. and other voluntary organisations come forward. I think, this problem could be solved at least to some extent. we must have visign for the growth. With this vision in mind we should strive hard. We want that the people of the State should not suffer any longer and for that our Hon'ble Minister should take some concreate steps to mitigate the problems of the sufferings people of the State. With these few words, I conclude sir.

* **শ্ৰী মতী প্ৰমীলা ৰাণী ব্ৰহ্ম** ঃ অধ্যক্ষ মহোদয়, গ্ৰান্ট নং ৩১ ত মন্ত্ৰী মহোদয়ে, যিটো চাপ্লিমেন্টৰী ডিমান্দ বিচাৰিছে তাৰ ওপৰত আমি বিৰোধিতা কৰিবৰ কোনো যুক্তি নাই। তথাপিও মন্ত্ৰী মহোদয়ৰ ওচৰত কেইটামান কথা নটিচত আনিব লাগিব। সেই কাৰণেই মই কাট মোচনটো আনিব লাগিব। যিটোৰ কাৰণে গুৱাহাটী চহৰৰ উন্নয়নৰ ৰূপায়নৰ কাৰণে টকা বিচৰা হৈছে। গুৱাহাটী চহৰৰ যাতে উন্নয়ন কৰিব পাৰে তাৰ কাৰণে টকা বিচৰা হৈছে। এইটো অতি দৰকাৰ। আজি গুৱাহাটী চহৰখনত আধা ঘন্টা বা ১০ মিনিট বৰষুণ পৰিলেই হাহাকাৰৰ অৱস্থা হয়। গণেশগুৰি বা জুৰোডৰ ৰাষ্টাত

* Speach not corrected

গাড়ী ঘোৰা ৰিক্সা আদি একো চলিব নোৱাৰে। এইবিলাক চলাচল কৰাত কঠিন হৈ পৰে। সকলো ৰাইজে অসুবিধাৰ সন্মুখীন হয়। গতিকে যিটো ফান্দ বিচাৰিছে তাৰ দ্বাৰা গুৰুত্বপূৰ্ণ ভাৱে উন্নয়নৰ কামবিলাক কৰা দৰকাৰ। গুৱাহাটীত যিবিলাকত ড্ৰেইনৰ ব্যৱস্থা আছে সেইবিলাক পৰিস্কাৰ কৰিব লাগে। কিছুমান ড্ৰেইন পৰিস্কাৰ নকৰাৰ ফলত জনসাধাৰণ দুৰৱস্থাত থাকিবলগা হৈছে। এইবিলাক কামৰ প্ৰতি আমাৰ সকলোৰে নজৰ দিয়া উচিত। এনে অৱস্থা হৈছে ১০/১৫ মিনিট বৰষুণ দিলেই পানী আবদ্ধ হৈ যায়। ইয়াৰ এটা আশু সমাধান কৰিব লাগে। বৰ পৰিতাপৰ কথা যে, গুৱাহাটীৰ মাজ মজিয়াত থকা উলুবাৰীৰ কছাৰী বস্তি, পল্টন বজাৰ এলেকা য'ত জনজাতিসকলৰ ৰেষ্ট হাউচ আছে সেই এলেকা বিলাক ইমান দুৰ্গন্ধিযুক্ত যে, নাকত কাপোৰ নিদিলে সেইফালে যাব নোৱাৰি। গতিকে এই ঠাইবিলাক দুৰ্গন্ধি মুক্ত কৰিব লাগে। অসমৰ জনজাতি সকল দুগৰ্ন্ধযুক্ত, অস্বাস্থ্যকৰ পৰিৱেশত থাকিব নোৱাৰে। ড্ৰেইন বিলাকৰ পৰিস্কাৰ কৰা কোনো ব্যৱস্থা নাই। এই এলেকাত চহৰৰ মাজ মজিয়াত উলুবাৰী নিম্ন বুনিয়াদী বিদ্যালয়খন আছে। এই স্কুলৰ অৱস্থা অতি শোচনীয়। এই স্কুল স্বাধীনতা পোৱাৰ আগতে প্ৰতিষ্ঠিত যদিও আজি এনে অৱস্থা হৈছে স্কুল ঘৰ বুলি ক'ব নোৱাৰি। স্কুলৰ কোনো পৰিৱেশ নাই আৰবান এৰিয়া ডেভেলপমেন্ট ফান্দৰ পৰা টকা নি হ'লেও সোনকালে স্কুলৰ ওৱালখন বান্ধি দিব লাগে। এই সকলো বিলাক কথালৈ লক্ষ্য ৰাখি এই এৰিয়াটোৰ ড্ৰেইনেজ ব্যৱস্থাটো উন্নতি কৰিব লাগে আৰু পৰিস্কাৰ কৰি এৰিয়াতো দুৰ্গন্ধমুক্ত কৰিব লাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিলোঁ।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই মাননীয় সদস্য বিমলাংশু ৰয় দেৱ আৰু মাননীয় সদস্যা প্ৰমিলা ৰাণী ব্ৰহ্মদেৱক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ গুৱাহাটী চহৰৰ এটা গুৰুত্বপূৰ্ণ কথা তেখেতসকলে সদনত উত্থাপন কৰিছে। আজি আমি সকলোৱে অনুভৱ কৰিছো যে, গুৱাহাটী চহৰৰ উন্নয়নৰ কাৰণে আমি এটা ডাঙৰ এমাউন্ট চাপ্লিমেন্টৰী ডিমাণ্ড বিচাৰিছো আৰু অন্যান্য বিভাগৰ পৰা বিচৰা হৈছে। ইমান টকা ব্যয় কৰাৰ প্ৰিচতো সমগ্ৰ জনসাধাৰণে বাস কৰা গুৱাহাটীত আমাৰ ১২৬ জন বিধায়কৰ নিজা ঘৰ বা নহ'লেও সৰ্ম্পকীয় লোকৰ ঘৰো আছে। কিন্তু গুৱাহাটীৰ ড্ৰেইনৰ ব্যৱস্থা অতি শোচনীয় হৈ পৰিছে। আমাৰ এম, এল, এ হোষ্টেলৰ সন্মুখৰে নলা-নৰ্দমাবিলাক পৰিস্কাৰ নহয়। গতিকে ইমান টকা ক'ত খৰচ হৈছে এইটো আলোচনাৰ বিষয় হৈ পৰিছে। এইবাৰ নগৰ সমিতিয়েও নলা নৰ্দমা পৰিস্কাৰ কৰাৰ কথা আলোচনা কৰিছে। জি, এম, চি ফালৰ পৰা এটা মেচিন কিনি নলা নৰ্দমা পৰিস্কাৰ কৰাৰ কথা চিন্তা কৰিছে। অধ্যক্ষ মহোদয়, গুৱাহাটীৰ নামত প্ৰতি বছৰে বহু টকা খৰচ কৰা হৈছে।

* Speach not corrected

গণ পৰিষদ চৰকাৰৰ দিনতো টকা খৰচ কৰা হৈছে। আগতে আমাৰ চৰকাৰৰ দিনতো টকা খৰচ কৰা হৈছে আৰু আমি এতিয়াও টকা খৰচ কৰাৰ বাবে সাজু হৈছো। কিন্তু এই টকা উচিতভাবে ব্যৱহাৰ হৈছে নে নাই এই বিষয়টোৰ প্ৰতি দৃষ্টিপাত কৰিব লাগিব। গুৱাহাটীৰ বাবে ইৰিগেচন, ফ্লাদ কন্ট্ৰল, টাউন এন্দ কান্ট্ৰি প্লেনিং বিভাগে বহু টকা খৰচ কৰিছে কিন্তু বিশেষ কোনো উন্নয়ন হোৱা নাই। ১০ টা বছৰত গুৱাহাটীত সামগ্ৰীকভাবে উন্নয়ন হোৱা নাই। এই টকা বিলাক কত যায়।

এইবাৰ মোৰ সমষ্টিত যিখিনি টকা দিম বুলি মাননীয় মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে সেই টকা খৰচ কৰা ক্ষেত্ৰত আমি প্ৰত্যেকটো স্তৰতে পৰ্য্যবেক্ষণ কৰিম যাতে এটাও পইচাৰ অপব্যৱহাৰ হ'ব নোৱাৰে। মই আজি সদনত আমাৰ চৰকাৰৰ প্ৰত্যেকজন মন্ত্ৰীকে অনুৰোধ জনাও যে যোৱা ১০ বছৰে গুৱাহাটী মহানগৰীখনৰ উন্নয়নৰ কাৰণে যিমান টকা দিয়া হ'ল সেই টকাবোৰ উচিত ভাবে ব্যৱহাৰ কৰা হৈছে নে নাই তাৰ এটা পৰ্য্যবেক্ষণ হ'ব লাগে আৰু এই সময়ছোৱাত গুৱাহাটী মহানগৰীৰ বাসিন্দাসকলৰ জীৱিকা নিৰ্বাহিৰ মানদণ্ড কিমান উন্নত হৈছে তাৰো এটা পৰ্য্যবেক্ষণ কৰা উচিত। আজি সদনত পৰিপূৰক মঞ্জুৰী হিচাবে ২ কোটি টকা বিচৰা হৈছে। এই দাবী উচিত আৰু সেইকাৰণে মই ভাবো বিৰোধী পক্ষৰ সদস্য সকলে উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱ তেওঁলোকে উঠাই ল'ব। লগতে মই আমাৰ গড়কাপ্তানী বিভাগৰ জ্যেষ্ঠ মন্ত্ৰী শ্ৰীশৰৎ বৰকটকী দেৱক অনুৰোধ কৰিম যাতে যোৱা ১০ বছৰত গুৱাহাটী মহানগৰীৰ ৰাস্তা-পদুলিকে ধৰি উন্নয়নৰ কাৰণে যিমানখিনি টকা খৰচ কৰা হৈছে তাৰ এটা তন্ন তন্ন হিচাব হ'ব লাগে আৰু তাৰ লগে লগে আৰু এটা কথা ভালদৰে চোৱা উচিত যে আমাৰ যি সকল বিষয়াই স্কীম আদি তৈয়াৰ কৰি নানা ধৰণে টকা পইচা খৰচ কৰি পিচত আকৌ সেই স্কীম ফেইল হোৱাত তেওঁলোকে নানা কাৰণ দেখুৱাই গা এৰা দিব বিচাৰে। এনেকুৱা বহুতো ক্ষেত্ৰত আমাৰ যথেষ্ট টকা খৰচ হৈছে- কাম একো হোৱা নাই। গতিকে এনে বিষয়া সকলক তাৰ বাবে জগৰীয়া সাব্যস্ত কৰিব লাগে। কাৰণ, এনেকৈ টকা খৰচ কৰাৰ আগতে তেওঁলোকে এই কথাবোৰ চোৱা-চিতা কৰা উচিত আছিল। আমি এই কথাবোৰ লক্ষ্য নকৰাৰ কাৰণে আমাৰ বহুতো টকা-পইচা অথলে গৈছে। বিষয়া সকলক আমি পিচত প্ৰশ্ন কৰিলে তেওঁলোকে নানা কাৰণ দেখুৱাই আগতে টকা খৰচ কৰা ঠাইতে আকৌ টকা-পইচা খৰছ কৰি আমাৰ টকা পইচাৰ অপব্যৱহাৰ কৰিছে। সেই কাৰণে মই আজি এই আলোচনাত অংশ গ্ৰহণ কৰি এই সুযোগতে বিভিন্ন বিভাগ সমূহ গুৱাহাটী মহানগৰীৰ উন্নয়নৰ কাৰণে যোৱা ১০ বছৰত

কিমান টকা খৰচ কৰিলে তাৰ এটা তদন্ত হ'ব লাগে বুলি মই পুনৰবাৰ অনুৰোধ জনালোঁ আৰু মই আশা কৰিছো আমাৰ চৰকাৰৰ দিনত এই কাম কৰিব পৰা হ'ব। কাৰণ আমাৰ চৰকাৰৰ মন্ত্ৰী বিধায়ক সকল দূৰ্নীতিৰ প্ৰতি আগ্ৰহী নহয়। মই এটা সযোৰে ক'ব পাৰো যে গুৱাহাটী মহানগৰীৰ উন্নয়নৰ কাৰণে আমাৰ কোনো মন্ত্ৰী বা বিধায়কে টকা খাব বিচৰা নাই। এই কথাত কোনেও বেয়া পাবলগীয়া কথাও নাই। আমি সকলোৱে গুৱাহাটীৰ উন্নয়ণ বিচাৰিছো। আমি যিকোনো ক্ষেত্ৰতে চোকা দৃষ্টি ৰাখিম আৰু কোনেও যাতে কাম নকৰাকৈ বা আধা টকা খৰচ কৰি যিকোনো আঁচনিকে নষ্ট হ'বলৈ নিদিম। আমি সকলোৱে গুৱাহাটী মহানগৰীখন এখন সৰ্বাঙ্গ সুন্দৰ মহানগৰী হিচাবে গঢ়ি তুলিবলৈ চেষ্টা কৰিম আৰু মই আশা ৰাখিছো আমাৰ বৰ্ত্তমান গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ৰ জৰিয়তে আমি এই কাম বিলাক সুকলমে কৰিব পাৰিম বুলি গুৱাহাটীৰ চাৰিওজন বিধায়কে তেখেতক আবেদন জনাব। এইখিনি কৈয়ে মোৰ ভাষণৰ সামৰণি মাৰিলোঁ।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, গুৱাহাটী মহানগৰীৰ উন্নয়নৰ কাৰণে কাম-কাজৰ কাৰণে আজি সদনত যিখিনি টকা বিচাৰিছে সেইখিনি টকা একেবাৰে কম। গুৱাহাটী মহানগৰীৰৰ উন্নয়নৰ কাৰণে ইয়াৰ চাৰিওজন বিধায়কে মাত মাতিছে আৰু আজি ফটো সহ বাতৰি কাকতত তেওঁলোকৰ বাতৰি প্ৰকাশ পাইছে। আজি বিধান সভাত যুৱ নেতা শ্ৰীহিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰত মাত মতাৰ কাৰণে আমি ভাল পাইছো আৰু গুৱাহাটী মহানগৰীখনৰ উন্নয়ণৰ কাৰণে আমিও একেলগে সহযোগিতা আগবঢ়াম। এইখিনিতে এটা কথা উল্লেখ কৰিবলৈ বাধ্য হ'লো যে আজি কিছুদিন আগতে মই আমাৰ বিধান সভাৰ এষ্টিমেট কমিটিৰ সভাপতি আছিলো আৰু সেই কমিটিৰ হৈ আমি কেইজনমান বিধায়ক দিল্লীৰ পৰা কাশ্মীৰলৈ বিমানেৰে গৈ থাকোতে বিমানত এজন সাংবাদিকক লগ পাইছিলো। সেই সাংবাদিকজনে আমাৰ লগত পৰিচয় হোৱাৰ পিচত সুধিলে যে আপোনালোকৰ ৰাস্তা-পদুলি ইমান বেয়া কিয় আৰু গুৱাহাটী মহানগৰীখন ইমান অপৰিস্কাৰ কিয়? তেখেতৰ প্ৰশ্নত আমি সচাঁকৈয়ে বৰ লাজ পাইছিলো আৰু আমি ইটো-সিটো বহুতো কথা কৈ ফাঁকি দিব লগা হৈছিল। অধ্যক্ষ ডাঙৰীয়া, গুৱাহাটী মহানগৰীখনৰ যিবোৰ সমস্যা সেইবোৰ এটা বিভাগৰে সমস্যা নহয়। মহানগৰীখনৰ উন্নয়নৰ দায়িত্বৰ সংশ্লিষ্ট সকলো বিভাগ আৰু সকলো সচেতন নাগৰিকে ল'ব লাগিব। তাৰ বহিৰেও ইয়াৰ এটা ডাঙৰ এটা সমস্যা হৈছে য'তে ত'তে বেআইনী ভাবে মাটি বেদখল কৰি আৰু বিশেষকৈ সৰু সৰু পাহাৰ টিলা আদিত মানুহে বেদখল কৰি সেইবোৰ যধে-মধে কাটি ঘৰ বনোৱাৰ কাৰণে বাৰিষা গুৱাহাটী মহানগৰীখনৰ বানপানীৰ লগতে

* Speach not corrected

মাটিবোৰ উটি আহি নলা-নৰ্দমা বন্ধ কৰি এক ডাঙৰ সমস্যাৰ সৃষ্টি কৰাৰ ফলত মহানগৰীখনৰ উন্নয়নৰ কাম-কাজত বাধাৰ সৃষ্টি হৈ আহিছে। আমাৰ নিচেই ওচৰতে গণেশ মন্দিৰৰ কাষতে পাহাৰৰ ওপৰ পালে বেদখলকাৰীয়ে পাহাৰ কাটি ঘৰ সজাৰ কাৰণে আৰু সিফালে গণেশগুৰি বজাৰৰ ওপৰ ভাগতো ঠিক তেনেকৈয়ে ঘৰ সজাৰ কাৰণে গণেশগুৰিখনৰ অৱস্থা বাৰিষা কালত শোচনীয় হৈ পৰে। তেনেকৈ চান্দমাৰি অঞ্চলতো একে অৱস্থা হৈ আহিছে। গতিকে এই বেদখল কাৰ্য্যবোৰ বন্ধ কৰিব লাগে আৰু ওচৰ পাজৰৰ পাহাৰৰ মাটি কটাতো বন্ধ কৰিব পাৰিলেহে মহানগৰীখনৰ অন্য উন্নতিৰ কথা চিন্তা কৰিব পৰা হ'ব। তাৰ বাহিৰেও ৰাস্তাৰ দাতিত যিবিলাক পদপথ দিয়া হৈছে সেইবোৰত বজাৰ বহে। তাৰ ফলত এফালে পদপথত মানুহৰ চলাচল বন্ধ হৈ গৈছে আৰু আনফালে বজাৰ বহি ঠাইবোৰ বন্ধ কৰি নলাবোৰ বন্ধ কৰি পেলাইছে। এনেবোৰ কথাৰ কাৰণে আমি এইবাৰ পি, এ, চি কমিটিত এজন বিষয়াক কথাটো সোধোতে তেওঁ তেনেকৈহে ক'লে যে- গাওঁৰ পৰা দুখীয়া ল'ৰাবিলাক আহি বজাৰ পাতিছে। তেওঁলোকক নো আমি কেনেকৈ উচ্ছেদ কৰো? এজন বিষয়াৰ যদি এইটোৱে উত্তৰ হয় তেনেহ'লে কাম কেনেকৈ কৰিব? গণেশগুৰিৰ পৰা কছাৰীবস্তি হৈ যোৱা যিটো ৰাস্তা সেইটোত ৰাস্তাৰ ওপৰতে গাহৰি কাটি বজাৰ বহে। তাৰোপৰি নানা দূৰ্গন্ধ। সেইফালে যাবলৈ হ'লে নাকত সোপা দিব লাগে। গুৱাহাটীত তেনেকুৱা আৰু বহুত ঠাই আছে। গতিকে এইবোৰ বন্ধ কৰিব লাগে আৰু আমি সকলোৱে একমত হৈ মহানগৰীখনৰ উন্নয়নৰ হকে কাম কৰিব লাগে। মাননীয় সদস্য শ্ৰীহিমন্ত বিশ্ব শৰ্মাদেৱে যোৱা ১০ বছৰে মহানগৰীৰ উন্নয়নৰ কাৰণে কিমান টকা খৰচ কৰা হ'ল আৰু ক'ত ক'ত কিমান টকা খৰচ কৰা হ'ল সেইটো জানিবৰ কাৰণে উল্লেখ কৰা কথাতো আমি ভাল পাইছো। আমাৰ বিষয়া সকলে আধৰুৱা কাম কৰি ভাল পায় কিয়নো তাত তেওঁলোকৰ লাভ বেছি হয়। ফাঁচী বজাৰৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ পাৰ্কখন ডঃ মনমোহন সিঙে ধুনীয়াকৈ বনাইছিল। কিন্তু সেইখনত এতিয়া মানুহ সোমাব নোৱাৰা অৱস্থা হৈছে। গতিকে আমি সকলোৱে একগোট হৈ এই কথাবিলাক তন্ন তন্নকৈ চাব লাগে আৰু মহানগৰীখনৰ উন্নতিৰ কাৰণে সকলোৱে কাম কৰিলেহে মহানগৰীখন সুন্দৰ হ'ব।

গতিকে মহোদয়, গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে আৰু টকা বিচাৰিছে। তেখেতে বিষয়াসকলক সৈমান কৰাই কাম কৰাওক। বাকী আৰু ফাঁকি কিমান দিন চলিব। আমিও চৰকাৰত আছো, ৰাইজৰ প্ৰতিনিধি হৈ আমি ইয়ালৈ আহিছো। গতিকে কওঁ তেওঁলোকে এই কামখিনি কৰিব লাগে। মই কৈছো যে ধেমাজীত বানপানী হ'লে ৰাতিপুৱা তাত গা ধুৱলৈকে ভাল, কিন্তু গুৱাহাটীত বানপানী হ'লে ভৰি দিবলৈকে বেয়া লাগে।

তেতিয়া বিৰাজ শৰ্মা ডাঙৰীয়াক লৈ গ'লো গুৱাহাটীৰ বানপানী চাবলৈ। অধ্যক্ষ মহোদয়, গুৱাহাটীত বানপানী হ'লে মানুহ ফাইভ ষ্টাৰ হোটেলত থাকিব লগা হয়। গুৱাহাটী মহানগৰীক ভাল কৰাৰ দায়িত্ব সকলোৰে আছে। আমাৰ দিনতো নাবাৰ্ডৰ পৰা টকা লৈ কৰবাত কৰবাত ৰাস্তা কৰিছিলো। যিখিনি বাকী আছে এই চৰকাৰৰ দিনতে কৰিব লাগিব। শ্ৰীহিমন্ত বিশ্ব শৰ্মাই ১৯৯১ চনৰ কথা কৈছে। গুৱাহাটীৰ ভিতৰত আৰু কেইখন মান অভাৰ ফ্লাই লাগে। মহাৰাষ্ট্ৰত ৫১ খন ফ্লাই অভাৰ বনাইছে। ড্ৰেইনেজ বহল কৰক, তাৰবাবে আৱশ্যক হ'লে ঘৰ ভাঙি দিয়ক। প্ৰয়াত নগেন শৰ্মাৰ দিনত ঘৰ ভাঙি দিছিল, সেইবোৰে এতিয়া হাইকোৰ্ট কৰিছে। এই ক্ষেত্ৰত জনসাধাৰণৰ ক্ষেত্ৰতো দোষ আছে। ৰাস্তাৰ বাবে ১২ ফুট মাটি ৰাখিব লাগে। এতিয়া মানুহে মাটি কিনি ১০ ফুটহে ৰাস্তাৰ বাবে ৰাখিব বিচাৰে। এচ, আই, আৰ, ডি ৰ ঘৰটো এটা ডাঙৰ পুখুৰীৰ পাৰত সজা হৈছে কেতিয়াবা সেইবোৰ ভাঙি পৰিব।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় সদস্যজনে ভাল কথাই কৈছে, যি সময়ত বেদখল চলিছিল সেই সময়ত গুৱাহাটীৰ মেয়ৰ কুইন ওজা আছিল।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** কোন মেয়ৰ আছিল সেইটো কথা নহয়। আমি আশা ৰাখিছো গুৱাহাটী মহানগৰী কৰি তুলিব লাগিলে ভাৰতবৰ্ষৰ যিবিলাক মহানগৰ আছে সেইবিলাকৰ নিচিনা কৰিব লাগিব। ফুটপাথত যিবিলাক বেদখল চলি আছে বিধান সভা চলি থকা অৱস্থাতে সেইবোৰ উচ্ছেদ কৰিব লাগিব। তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই আৰু টকা বিচাৰক।

* **শ্ৰী সৰ্বানন্দ সোণোৱাল ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিভাগীয় মন্ত্ৰী বৰকটকী ডাঙৰীয়া আছে, মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰি ক'ব খুজিছো যে আমি যদি আন্তৰিকতাৰে গুৱাহাটী নগৰক সৰ্বাঙ্গ সুন্দৰ ঠাই আৰু মহানগৰ হিচাবে গঢ়ি তুলিব বিচাৰো তেনেহ'লে কেৱল ড্ৰেইনেজ চিষ্টেম উন্নত কৰিলেহে নহ'ব। এই ক্ষেত্ৰত মই শইকীয়া ডাঙৰীয়াৰ লগত একমত। এই ক্ষেত্ৰত মাত্ৰ দুই কোটি টকাই যথেষ্ট নহয়।

ভাৰতৰ চণ্ডিগড় নগৰখন কেনেকৈ ডেভেলপ কৰিছে সেই কথা চালে গলেই দেখা পাব তাৰ মানুহে চিভিক চেন্স এনেকৈ উন্নত কৰা হৈছে যে তাত চাৰিখন মানহে পান দোকান দেখা পাব। পান খাই য'তে-ত'তে পেলাই চহৰখন লেতেৰা কৰিব নোৱাৰে তাৰ সুন্দৰ ব্যৱস্থা কৰা হৈছে।

অধ্যক্ষ মহোদয়, জাপানত মানুহৰ চিভিক চেন্স অতি মনকৰিবলগীয়া। তাত দেখা গৈছিল টকিঅ' বাসী এজন মানুহে হাতত পলিথিনৰ বেগ লৈ জাৱৰ বুটলি ফুৰে,

* Speach not corrected

নগৰখন লেতেৰা হ'বলৈ নিদিয়ে, সেইটো তেওঁৰ পেশা নহয় নাইবা তাৰ বাবে তেওঁক কোনেও টকা পইচা নিদিয়ে। কেৱল মাত্ৰ নিজৰ ঠাইখন সুন্দৰ কৰি ৰখাৰ বাবেই তাৰ মানুহে তেনে কৰি ফুৰে। আমাৰ ইয়াতো নগৰখন উন্নত মানৰ কৰিবৰ হ'লে চিটি দুৱেলাৰৰ লগত মতৰ বিনিময় কৰিব লাগিব। মহানগৰীত বাস কৰা লোকৰ লগত মত বিনিময় কৰি সকলোৰে সমৰ্থন ল'ব লাগিব। গ্ৰীন গুৱাহাটী কনচেপ্টটো ল'ব লাগিব আৰু বেছি উন্নত আঁচনি গ্ৰহণ কৰিব লাগিব। গুৱাহাটীৰ চাউথ বেংকত বসবাস বেছি হে উঠিছে। আমি ফুট ব্ৰিজৰ সমৰ্থক নহয়, ৰ'দ ব্ৰিজৰহে সমৰ্থক। ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ নেতাৰ লগত মত বিনিময় কৰি অধিক টকাৰ আঁচনি লৈ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰতে গুৱাহাটীখনক সৰ্বাঙ্গি সুন্দৰ কৰি গুৱাহাটীৰ প্ৰেচটিজ ৰক্ষা কৰিব পাৰিব লাগিব। এই ক্ষেত্ৰত দুশ কোটি টকা পাল মৰা ধৰণৰ কাম হ'ব। প্ৰকৃতাৰ্থত আঁচনি তৈয়াৰ কৰি কাম কৰাৰ কাৰণে এই টকা একোৰেই নহয়।

গতিকে উন্নত ধৰণৰ আঁচনি লৈ ভাল কাম কৰিব লাগিব। ধন্যবাদ।

* **শ্ৰী পবিন্দ্ৰ ডেকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, টাউন এণ্ড কান্ট্ৰি প্লেনিং মন্ত্ৰী মহোদয়ে ২ (দুই) কোটি টকা বিচাৰিছে। বহুতো মাননীয় সদস্য সকলে কৈ আছে যে টকা কম হৈছে। মন্ত্ৰী মহোদয়ে টকা বিচাৰিছে যেতিয়া আমি টকা দিম। তাৰ আগতে ২৪ কোটি টকা দিয়া হৈছে। আৰু এবাৰ ৬ কোটি ৪৫ (পঞ্চলিশ) লাখ টকা দিয়া আছে। ইমানবোৰ টকা দিয়া হৈছে যেতিয়া গুৱাহাটী মহানগৰীখন ভাল হ'ব লাগে। সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত গুৱাহাটী মহানগৰীখন সুন্দৰ কৰি গঢ়ি তুলিব লাগে। এইখিনি কাম কৰিবলৈ কিছু অসুবিধা হয় কাৰণ ইয়াত মালিক বহুত হৈছে। গতিকে মই এটা প্ৰস্তাৱ আগবঢ়াব খুজিছো, মালিক সকল একেলগ হৈ কামবিলাক ভাগ কৰি ল'লে ভাল হয়। আমি জি এম, চিক কৰ-কাটল দিওঁ। গুৱাহাটীৰ নলা-নৰ্দমাৰ অৱস্থা শোচনীয়। নলা-নৰ্দমা, পানী আদিৰ বিষয়ে ক'বলৈ গ'লে ইটোৱে সিটো বিভাগলৈ পঠিয়ায়। এইদৰে ইটোৱে সিটোলৈ ঠেলি থাকে। ড্ৰেইনৰ কাৰণে ৪ (চাৰি) কোটি টকা এলট কৰা হৈছে। কাম কৰিছে জি, এম, চিয়ে। মানুহ লগাই ড্ৰেইনবোৰ কেৱল চাফাহে কৰে। যিবোৰ ড্ৰেইনত মেটেকা আৰু লেতেৰা বস্তুবোৰ পৰি থাকে সেইবোৰহে উঠাই চাফা কৰে। ড্ৰেইনৰ কাৰণে হেঙেৰাবাৰী গোটেই অঞ্চলটো পানীত বুৰ গৈ থাকে। লগতে গণেশগুৰি অঞ্চলতো সেই একে অৱস্থা। কাৰণ ২০ ফুটৰ ড্ৰেইনবোৰ কমি গৈ ৩ ফুট বা ৪ ফুটহে ৰয়গৈ। ড্ৰেইনৰ কাষত বেদখল কৰি বহা মানুহবিলাক উচ্ছেদ কৰিবলৈ ক'লে কয় আমি কি কৰিম? য'ত ২৫ ফুটৰ কাম কৰিব লাগে তাত কৰিছে কেৱল ৩ ফুটহে।

---

* Speach not corrected

আমি ১৯৭০ চনৰ পৰা ভৰলু মুখ খন্দাৰ কথা শুনিয়ে আছো। জি, এচ ৰোডৰ অৱস্থাও সেই একে হৈছে। খিলঞ্জীয়া সকলে আহি আন অথৰাইজদ মাটি দখল কৰি লয়। তাৰ পিচত নিগাজীকৈ বসবাস কৰিবলৈ লয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো ..................

(খিলঞ্জীয়া শব্দটো লৈ সদনত হুলস্থুল। কাৰো মাত শুনা নাযায়)

**মাননীয় অধ্যক্ষ ঃ** মই সেইটোকে ক'ব খুজিছো। কোনে ক'ত প্ৰশ্ন কৰিছে সেইটো ওলাব নালাগে। মাননীয় সদস্য গৰাকীয়ে ওপৰত কওক। এই খিলঞ্জীয়া শব্দটোৰ কাৰণে আপত্তি আহিছে। এইটো বাদ দিয়ক।

* **শ্ৰী পবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰেইন খন্দাৰ নামত কোটি কোটি টকা আত্মসাৎ কৰিছে বুলি আমি জানিবলৈ পাইছো। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে তদন্ত কৰি বিহিত ব্যৱস্থা ল'ব বুলি আশা ৰাখিলোঁ।

* **শ্ৰী হেমন্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত থকা গণেশপাৰা, কালাপাহাৰ আদি কেইখন মান ঠাইত ড্ৰেইনৰ কোনো চিষ্টেম নাই। ৰাস্তা আছে কিন্তু ৰাস্তাৰ দুয়োকাষে ড্ৰেইন নাই। শান্তিপাৰা অঞ্চলতো সেই এক অৱস্থা। যিবিলাক ড্ৰেইন আছে সেইবিলাক তেনেই সৰু। ৰাস্তা আৰু ড্ৰেইনৰ কথা পি, ডব্লিউ, ডিক ক'লে তেওঁলোকে টাউন প্লেনিংক ক'বলৈ কয়। টাউন প্লেনিঙক কোৱাত তেওঁলোকে কৈছে যে সেইবোৰ ৰিপিয়াৰ আৰু ভাল কৰিবৰ বাবে ফাণ্ড নাই। চৌধুৰী টকিজৰ ওচৰত যিখন ব্ৰীজ হৈছে তাত ৰাস্তাৰ সুবিধা কৰি দিয়া নাই যদিও ৰাস্তাৰ দৰে জনসাধাৰণে ব্যৱহাৰ কৰা ঠাইখিনৰ ওপৰতে বজাৰ বহিছে। হিমৎ সিং নামৰ ব্যৱসায়ী এজনে অবৈধভাবে ঠাই দখল কৰি ব্যৱসায় কৰি আছে। এইবিলাক ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বলিষ্ঠ পদক্ষেপ হাতত ল'ব লাগে।

* **শ্ৰী মদন কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বছৰ বছৰ ধৰি উলুবাৰী হৈ অন্যান্য ঠাইলৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলে অহা-যোৱা কৰে। সেই উলুবাৰীতে এটা অনুষ্ঠান আছে সেই অনুষ্ঠানটোৰ নাম হেমচন্দ্ৰ বৰুৱা অনাথ আশ্ৰম থোৱা হৈছিল। সেই অনুষ্ঠানটো এতিয়াও অনাথ হৈয়ে আছে। অকল সিমানেই নহয়, চুইপাৰ কলনীটোও পাৰিলে অইন ঠাইৰ ফালে ট্ৰেন্সফাৰ কৰিব লাগে।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** চুইপাৰ শব্দটো আনপাৰ্লিয়ামেন্টৰী, চুইপাৰৰ ঠাইত হৰিজন কলোণী বুলি ক'লে ভাল হ'ব।

---

* Speach not corrected

* **শ্ৰী পঙ্কজ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যে কৰ্ত্তন প্ৰস্তাৱত যিখিনি কথা ইতিমধ্যে আলোচনা হৈ গৈছে সেই সম্পৰ্কত মই আলোচনাত অংশ গ্ৰহণ কৰা মাননীয় সদস্যসকলক ধন্যবাদ জনাই ক'ব বিচাৰিছো। গুৱাহাটী মহানগৰীৰ উন্নতিকল্পে ইতিমধ্যে যিখিনি আলোচনা হৈ গৈছে ই বৰ আশাপ্ৰদ, গুৱাহাটী মহানগৰীৰ উন্নয়নৰ ক্ষেত্ৰত কওঁ যে মাননীয় সদস্য ৰবীন বৰদলৈ, হেমন্ত তালুকদাৰ বা মোৰ সমষ্টিত পৰে বুলিয়েই নহয়, আজি গুৱাহাটী চিটিখন উত্তৰ পূৰ্বাঞ্চলৰ এখন প্ৰিমিয়াৰ চিটি, উত্তৰ পূৰ্বাঞ্চলক গেট-ওৱে বুলি কোৱা হয়। উত্তৰ পূৰ্বাঞ্চলৰ মূল প্ৰৱেশদ্বাৰ বুলিব পাৰি। কিন্তু এইখন চিটিতে বাৰিষা একাঠু পানী হৈ অহা-যোৱা কৰাত অসুবিধাৰ সৃষ্টি কৰে। আমি নিজেই বাৰিষাত বোকাপানী গচকি যাবলগীয়া হয়। যোৱা বিধান সভা চলি থকা সময়তে গুৱাহাটীত যি বাৰিষাৰ তাণ্ডৱ সেই বিষয়ে কৈছিলোঁ। গুৱাহাটী চহৰখন ভালদৰে ডেভেলপমেন্ট কৰিবলৈ হ'লে ১৬ টা বিভাগ আছে। এই বিভাগ কেইটা সমন্বয় ঘটাব লাগিব। ইয়াত কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও বিভাগ আছে তাৰ ভিতৰত প্ৰধানকৈ ৰেইলওৱে, টেলিফোন ইত্যাদি বিভাগ আৰু কেইবাটাও ইম্পৰটেন্ট বিভাগ আছে। এই বিভাগ বিলাকৰ মাজত এটা সু-সমন্বয় ৰাখি গুৱাহাটীৰ উন্নয়নৰ কামখিনি যদি ভাল ধৰণে কৰিব পৰা হয় তেতিয়াহ'লে গুৱাহাটীখন কিছু পৰিমাণে গঢ়িব পৰা গ'লহেতেন। এই গোটেইকেইটা বিভাগৰ এটা কোঅৰ্ডিনেশ্যন এফোৰ্ট হ'লেহে গুৱাহাটী চহৰখন ভাল ধৰণে ডেভেলপ কৰিব পৰা হ'ব। আমাৰ আন কেইবাগৰাকী মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মা, মদন কলিতা গুৱাহাটীতে থাকে। গুৱাহাটীৰ লাচিত নগৰত সৰ্বানন্দ সোণোৱাল থাকে। এই লাচিত নগৰৰ ৰাস্তাটো বাৰিষা পানী তলত থাকে। এই ৰাস্তাটো থিক কৰিবলৈ হ'লে ৪ ফুট দকৈ খান্দিব লাগিব। তেতিয়াহে হয়তো একাঠু পানীৰ পৰা কিছু ৰক্ষা পৰিব পাৰিম। তাত যিটো ড্ৰেইন আছে সেইটো একালত হুদকই বান্ধিছিল তাৰ পিছত ইৰিগেশ্যন বিভাগে কিছু কৰিলে তাৰ পাচত টাউন এণ্ড কান্ট্ৰি প্লেনিং ফ্লাড কন্ট্ৰোল গড়কাপ্তানী ইত্যাদি বিভাগে অলপ অলপ কৰিলে। গতিকে দেখা যায় কেইবাটাও বিভাগ এই কামৰ লগত জড়িত হৈ আছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো এই ১৬ টা বিভাগৰ মাজত এটা সু-সমন্বয় গঢ়িবলৈ গোটেই কেইটা বিভাগক গুৱাহাটী মহানগৰীৰ উন্নয়নমূলক কাম নিয়োজিত কৰাৰ কাৰণে তদাৰক কৰিবলৈ এটা অভাৰ অল এজেন্সী গঠন কৰাতো প্ৰয়োজন হৈ পৰিছে। Nerve centre is Guwahati. Co-ordinated efforts amongest different departments is needed for development of Guwahti. Among these departments three are two central Govt. Departments viz. Railway and Telephones. বাৰিষা আহিলে ভৰলু

* Speach not corrected

নদীৰ পানীয়ে এটা ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰে, কেউফালে বোকা-পানী উপচি পৰাৰ কাৰণে অহা-যোৱা বন্ধ হৈ যায়, ৰাইজে চিন্তা কৰে, বিধান সভালৈ অহাত মাননীয় সদস্য সকলে অসুবিধাত পৰে। আজি আন এটা ডাঙৰ সমস্যা হৈছে গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত য'তে-ত'তে নতুন নতুন নগৰ গঢ়ি উঠিছে, এই গঢ়ি উঠা ন-পুৰণি অঞ্চল বিলাকৰ বেছিভাগ ঠাইতে চৰকাৰী বিষয়া কৰ্মচাৰীসকলে বসবাস কৰি আহিছে। এই অঞ্চল বিলাকৰ শতকৰা ৭৫ ভাগ লোককেই পট্টন দিয়া হোৱা নাই। চৰকাৰী বিষয়া কৰ্মচাৰী সকলে এনেকুৱা চিলিং চাৰপ্লাছ মাটি বিলাকত বসবাস কৰি আহিছে। তেওঁলোকক পট্টা দিয়া হোৱা নাই। গতিকে মই ৰাজহ মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যাতে অতি সোনকালে এই বাসিন্দা সকলক নিয়ম-নীতিৰ মাজেৰে পট্টন দিয়াৰ ব্যৱস্থা কৰে। নহ'লে যেয়ে যেনেকৈ পাই তেনেকৈয়ে ডাঙৰ ডাঙৰ বিল্ডীং সাজি এটা হাহাকাৰৰ সৃষ্টি কৰিব। গুৱাহাটীৰ মিউনিচিপেলেটি এৰিয়াত অসমৰ জনসাধাৰণৰ শতকৰা ১৫ ভাগ মানুহে বসবাস কৰে, আজি যিমানখিনি মানুহ থাকিব পাৰে তাতকৈ বহু বেছি মানুহ গুৱাহাটী চহৰত বসবাস কৰে। আজি এই জনবিস্ফোৰণৰ কাৰণে গুৱাহাটী মহানগৰীৰ এটা কদৰ্য্য ৰূপ হৈছে। গুৱাহাটী মহানগৰীত ৬০টা মিউনিচিপেল ওৱাৰ্ডত ১২ লাখ মানুহে বসবাস কৰে। তাৰোপৰি দৈনিক ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ পৰা গড়ে ৫০ হাজাৰতকৈ বেচি মানুহ গুৱাহাটীলৈ অহা যোৱা কৰে, এই অধিকাংশ লোক খিনিয়ে যদি এগিলাচকৈয়ো পানী খাই তেতিয়াহলে কিমান খোৱা পানীৰ অতিৰিক্ত প্ৰয়োজন হ্ব, অথচ গুৱাহাটীত থকা মানুহ খিনিৰ কাৰণে পৰ্য্যাপ্ত পৰিমানৰ খোৱা পানীৰ যোগান নাই। আজি অকল গুৱাহাটীৰ কথাই নহয় অসমৰ বিভিন্ন অঞ্চলত সৰু-বৰ চহৰ নগৰ আছে য'ত নেকি খোৱাপানীৰ অভাৱ সদায় চলি আছে। তথাপিতো গুৱাহাটীৰ কথাটো সুকীয়া। আজি চাওক দিল্লীক বাদ দি ভাৰতবৰ্ষৰ কথা ভাবিব পাৰি নেকি? সেইদৰে মুম্বাইক বাদ দি মহাৰাষ্টৰ কথা ভাবিব পাৰি নেকি সেইদৰে পশ্চিম বঙ্গক কলিকতাক বাদ দি ভাবিব পাৰি নেকি। তদৰূপ উত্তৰ পূৰ্বাঞ্চলক গুৱাহাটী বাদ দি ভাবিব নোৱাৰি। তাৰোপৰি উত্তৰ পূৰ্বাঞ্চলকে ধৰি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ পৰা শতাধিক গাড়ী গুৱাহাটীৰ পথেৰে অহা যোৱা কৰি আছে, ২৪ হাজাৰতকৈ বেচি গাড়ী চলা চল কৰি আছে। গতিকেই এই গুৱাহাটী মহানগৰীখন উন্নত ধৰণে সাজিবলৈ হলে আটাইকিটা বিভাগকে সামৰি লৈ এটা কোঅ'ৰডনেটেদ এফোৰ্ট লৈ কাম কৰিব বুলি আশা কৰি এই বিষয়ত যদিও বহুতো কবলগীয়া আছিল মই দীঘলীয়া নকৰি চমুকৈ কৈ ধন্যবাদ জনালো।

* **শ্ৰী প্ৰবীন্দ্ৰ ডেকা** ঃ চাৰ, এইযে খিলঞ্জিয়া শব্দটো আগতেও কেবাবাৰো ব্যৱহাৰ

* Speach not corrected

হৈছে এইটো কেনেকৈ আনপাৰ্লিয়ামেন্টৰী হ'ব পাৰে। এই শব্দটো আগতে কেবাবাৰো ব্যৱহাৰ হৈছে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** নহ'ব পাৰে কিন্তু যিটো চাপ্লিমেন্টৰী ডিমাণ্ডৰ ওপৰত আলোচনা হৈ আছে তাৰ লগত ৰিলেশ্যন নাই।

**মাননীয় অধ্যক্ষ ঃ** থিক আছে এক্সপাণ্ড কৰিব পৰা হ'ব।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** শব্দটো আলোচনা কৰিব পাৰো কিন্তু আজিৰ আলোচনাত নহয়।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** তেখেতে এটা কথা কৈছে যিখিনি মানুহ আছে খিলঞ্জিয়া নহয়।

**মাননীয় অধ্যক্ষ ঃ** ১৫২ত ক্লিয়াৰ আছে যে চাপ্লিমেন্টৰী ডিমাণ্ডত কনফাইণ্ড কৰিব লাগে। এতিয়া মন্ত্ৰীৰ ৰিপ্লাই।

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া মাননীয় সদস্য সকলৰ উত্তৰ দিবলৈ ওলাইছো। সন্মানিত ৰয় ডাঙৰীয়াই কৈছে, এই টকা খিনি ভালকৈ ব্যৱহাৰ কৰিব লাগে চিলচৰত কি কি ব্যৱস্থা কৰিছো কৈছে। গুৱাহাটী, তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট এই সকলো বিলাকতে ড্ৰেনেজ চিচটেম বিলাক ওৰ্ৱল্ড বেংকৰ পৰা লোন লৈ কাম কৰাৰ কথা কৈছে। প্ৰমীলা ৰানী ব্ৰহ্মই উলুবাৰী স্কুল, কছাৰীবস্তী, ট্ৰাইবেল ৰেষ্ট হাউচ কথা কৈছে। হেমন্ত তালুকদাৰ ডাঙৰীয়াই কৈছে কিছুমান ড্ৰেইনৰ ব্যৱস্থা কৰি আছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াই সভা পাতিছে। বৰা ডাঙৰীয়াই কৈছে ইয়াত বহুত ডিপাৰ্টমেন্ট আছে। ফ্লাড কন্ট্ৰোল, টি, এন, চিপি, পি, ডাব্লিউ,ডি, ইৰিগেচন ইত্যাদি বহুতো সেই কাৰণে কাম কাজ কৰাত অসুবিধা হৈছে। ভাগ ভাগ কৰি কাম কৰি আছোঁ। এইটো কথা হৈছে একত্ৰিত কৰিব নোৱাৰি। হেমন্ত তালুকদাৰক কৈছে যে জি,ডি,ডি জি, এম, চি এনে লগ নোহোৱাৰ কাৰণে কাম কৰাত অসুবিধা হয়। এইটো কাৰণত আমি চেষ্টা চলাই আছো এইটো কেনেকৈ কৰিব পাৰি। মাননীয় প্ৰমীলা ৰানী ব্ৰহ্ম কোৱা কছাৰীবস্তীৰ ড্ৰেইনৰ অৱস্থাৰ উন্নতি কৰিবৰ বাবে চেষ্টা কৰিম। উলুবাৰী স্কুলৰটো টি, এন, চিপি, এ কৰিব পাৰে, গতিকে নিশ্চয় ব্যৱস্থা কৰিম। শইকীয়া ডাঙৰীয়াই মৰানৰ আনঅথোৰাইজড উচ্ছেদৰ কথা কৈছে। আধাকাম কৰি সম্পূৰ্ণ কৰা নাই। ইমান লক্ষ্য ৰখা নাছিলো। এতিয়া লক্ষ্য ৰাখিম। ফুটপাথত থকা দোকান পোহাৰ বিলাকৰ কাৰণে কাম কাজত যথেষ্ট অসুবিধা হয়। এই বিলাক পুলিচ কৰ্তৃপক্ষক জনাবলগীয়া

* Speach not corrected

হয়। এই কথা মনত ৰাখিব লাগিব। আজি ১০ বছৰে যিমান টকা খৰছ হৈছে কিন্তু একো কাম হোৱা নাই। এইটো অনুসন্ধান কৰিব লাগিব। যোৱা পাঁচ বছৰত যিমান টকা ৰাস্তাৰ বাবদ এল, ও, চি দিছে মই আপোনালোকক দেখুৱাব পাৰো কিন্তু ইয়াত কোনো কাম হোৱা নাই। ৩১ নং গ্ৰান্টত মই কবলৈ বিচাৰিছো। The Govt. has obtained loan assistance of Rs. 6706.00 lakhs from Hudco against estimated cost of Rs. 9580.00 lakhs for implementation of the project Guwahati Metropolitan Area Stream Draimage Imporovement Programme. Out of this Rs. 2874.00 lakhs is to be provided by State Govt. as 30% State share. Out of which we have already released Rs. 600.00 lakhs as State Govt. contribution i.e. Rs. 450.00 lakhs as State share and Rs. 150.00 lakhs as interest during last two years. The implementation of the programme is in full swing and the first phase of work is almost completed and also necessary to start 2nd phase of the programme immediately. This schemes have be completed in $2^1/_2$ years by June, 2002. Accordingly, Rs. 1528 lakhs was provided in the Draft Annual Plan for 2001-2002. However, subsequently in the current financial year 2001-2002, budgetary provision was made only for Rs. 12.00 lakhs. Later due to paucity of plan fund, the Planning & Development Deptt. has reduced the budgetary provision further to Rs. 5.00 lakhs. As the actual requirement for payment of State share as well as interest an amount of Rs. 200.00 lakhs and Rs. 40.69 lakhs as State share & Rs. 159.31 lakhs as interest payment has been made available taking advance from Contingency fund. In the absence of such payment of interest, further flow of funds from HUDCO has been stopped.

* **শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে চৰকাৰে কি কাম কৰিছিল? মই বায়াচ হ'ব খোজা নাই। কিমান কাম কৰিছে অসম চৰকাৰে গুৱাহাটীৰ ৰাইজৰ ওচৰত জনাব লাগে।

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো, মই বায়াচ হৈ কোৱা নাই। যোৱা পাঁচ বছৰে কোনো কাম হোৱা নাই। আমি দায়িত্ব গ্ৰহণ কৰাৰ পিচত গুৱাহাটীৰ ৰাস্তা বহুত উন্নতি কৰিছো। আমি দায়িত্ব গ্ৰহণ কৰাৰ সময়ত এক ড্ৰাম বিতুমিন নাছিল। পিচত আমি ২৩ টা ডিভিজনত বিতুমিন দিছো। ৰাজহ মন্ত্ৰী

* Speach not corrected

ডাঙৰীয়াই চেঙচন দিছিল। আমি দুখ পাইছো, মনমোহন সিং পাৰ্কৰ কথা কোৱা হৈছে। পাৰ্কখন যাতে ভাল ধৰণে থাকে তাৰে চাম। সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াই কৈছে যে পাহাৰৰ মাটি কটা বন্ধ কৰিব লাগে। মাটি কাটিলে পাহাৰৰ মাটি পৰি যায় ফলত নলা নৰ্দ্দমা বন্ধ হৈ যায়। আমি পাহাৰ খন্দা বন্ধ কৰিছো। গুৱাহাটী মহানগৰীত বেদখলৰ কথা কোৱা হৈছে। গুৱাহাটীৰ ক্ষেত্ৰত ১৯৯১-৯২ চনতে প্ৰজেক্ট দিয়াৰ কথা ব্যৱস্থা কৰা হৈছিল। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত দলং দিয়াৰ কথা আছিল, কিন্তু আমি নাথাকিলো।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** অধ্যক্ষ মহোদয়, গড়কাপ্তানীৰ এক্সপ্ৰেছ হাইওৱেৰ লগত লগ লগাই দিয়া হ'ব বুলি কৈছে।

* **শ্ৰী সৰ্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, মই সদনক জনাব বিচাৰিছো যে জাপান গৰ্ভমেণ্টে যমুনা নদীৰ ওপৰত এখন দলং তৈয়াৰ কৰিছিল। মই কেবাগৰাকী ব্যক্তিৰ লগত আলাপ আলোচনাৰ পিচত পৰামৰ্শ পাইছো তেনেকুৱা পৰিকল্পনা লৈ বৃটিছ গৰ্ভমেন্টক পোনপটীয়াকৈ এপ্ৰোছ কৰিব পাৰো। ভাৰতবৰ্ষৰ কেবাখনো ৰাজ্যই বিদেশী ৰাষ্ট্ৰক অনুৰোধ জনাইছো। দলঙৰ ক্ষেত্ৰত আমিও আলোচনা কৰিব পাৰো।

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, পবিন্দ্ৰ ডেকা ডাঙৰীয়াই ড্ৰেইন বেদখল কৰাৰ কথা কৈছে। আন অথৰাইজদ মানুহ বহি আছে বুলি কৈছে। ইয়াৰ ব্যৱস্থা লোৱা হ'ব। আমি গুৱাহাটী চহৰত ৮৮ কোটি টকাৰ আঁচনি লৈছো। আশা ৰাখিছো এইখিনি ব্যৱস্থা আমাৰ চৰকাৰে কৰিব পাৰিম। ভৰলুৰ কথা কোৱা হৈছে। এই ক্ষেত্ৰত আগৰ চৰকাৰৰ কথা ক'লে বেয়া পাব। আমি সকলো বিভাগক বহুৱাই লৈ মিটিং কৰিছিলোঁ। ভুল পাইছে, পাচ বছৰৰ মুৰত আকৌ গোট খাইছো, এতিয়া কৈছে ভুল বুলি কৈছে, সেই সময়ত কিয় নকলে। মই মিটিঙত ধৰিছো। টকা খৰচ কৰাৰ পিচত কৈছে, তেতিয়া কিয় নকলে। এই স্কীম ভুল হৈছে বুলি আগৰ চৰকাৰক ক'ব লাগিছিল। তেতিয়া ব্যৱস্থা কৰা হ'লহেতেন। কালাপাহাৰ, গণেশগুৰি, শান্তিপুৰৰ কথা কোৱা হৈছে। তাৰ ব্যৱস্থা কৰা হ'ব। উলুবাৰী ফ্লাই অভাৰৰ কাম কৰা হৈছে যদিও এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল নাই। বহুত স্কীমতে নাই। মদন কলিতা আৰু হেম চন্দ্ৰ বৰুৱাই কৈছে।

**(সদনত মোবাইল ফোনৰ শব্দ শুনা যায় আৰু সদস্য সকলে আপত্তি দৰ্শায়)**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে জনাওঁ যে সদনত মোবাইল ফোন আনিব দিয়া নহয়। কোনো সদস্যই যাতে মোবাইল ফোন নানে। এইটো সদনৰ ডেক'ৰাম।

* Speach not corrected

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, গুৱাহাটীত ২২ হাজাৰ ৪৯ লাখ টকাৰ স্কীম লোৱা হৈছে। Construction from drain from Maniram Dewan Road, Construction of drain alongwith by cars, shifting by electric line. তিনিআলি, মৰা ভৰলুৰ ওপৰত স্কীম লোৱা হৈছে, হাতীগড় দক্ষিণগাওঁ আদিত লোৱা হৈছে। এইবিলাক গুৱাহাটীত লোৱা হৈছে।

* **শ্ৰী পংকজ বৰা ঃ** অধ্যক্ষ মহোদয়, চিঙ্গুল অথ'ৰিটিৰ কথা মই মানি লৈছো, কিন্তু গুৱাহাটীত দুহেজাৰৰো অধিক ৰাস্তা আছে। সেই ৰাস্তা বিলাক কেতিয়া কৰিব?

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিকেইটা স্কীম দিছো সেই কেইটা আমি চাম। তৃতীয় পৰ্য্যায়ত আমি কাম আৰম্ভ কৰিম। Now, I request the Hon'ble member to withdraw the cut motion on the regularisation of rupees 2 crores from contingency fund during 2001-2002 under Grant No.31.

**Mr. Speaker :** Is it the pleasure of the House to Grant leave to withdraw the cut motion?

(voice : yes, yes).

with the leave of the House the cut motion is withdrawn.

I now, put the motion before the House for approval. The motion is "That an additional amount of rupees two crores be granted to the Minister-in-charge to defray certain charges which will come into the course of payment during the year ending the 31st March,2002 in connection with Urban Development and T & CP & GDD.

Those who are in favour say, "Ayes".

Those who are against say, "Noes".

'Ayes' have 'Ayes' have, 'Ayes' have it.

The motion is passed. The Grant No.31 is passed.

Now, it is 1.30 p.m. I now guillotine all the remaining cut motions. Now, I put all the remaining demands for grants Nos.29, 11, 14, 19, 21, 25, 26, 28, 30, 36, 37, 45, 47, 48, 49, 51, 54, 55, 57, 58, 59, 60, 61, 62, 63, 64, 65 and 71 for approval of the House.

Those who are in favour say, "Ayes".

---

* Speach not corrected

Those who are against say, "Noes".

'Ayes' have 'Ayes' have, 'Ayes' have it.

Grants Nos.29, 11, 14, 19, 21, 25, 26, 28, 30, 36, 37, 45, 47, 48, 49, 51, 54, 55, 57, 58, 59, 60, 61, 62, 63, 64, 65 and 71 are passed.

Now, there are others items to be taken up.

## INTRODUCTION, CONSIDERATION AND PASSING OF "THE ASSAM APPROPRIATION (NO.I) BILL, 2002".

**Mr. Speaker :** Is it the pleasure of the House to extend time?

(voice : yes, yes).

Now, item No 5(A) "The Assam Appropriation (No.I) Bill, 2002". Hon'ble Minister, Finance to move the Motion for introduction of the Bill.

* **Shri Devananda Konwar :** Sir, I beg to introduce the Assam Appropriation (No.I) Bill, 2002.

**Mr. Speaker :** Is it the pleasure of the House to Grant leave to introduce the Bill.

(yes, yes).

The leave is granted.

There is a massage from the Governor of Assam. Raj Bhawan, Guwahti, March 5, 2002.

"Under the provision of Article 207(1) of the constitution of India, I Lt. Gen (Rtd) S.K. Sinha, PVSM Governor of Assam, recommend the introduction of the Assam Appropriation (No.I) Bill 2002 in the Assam Legilative Assembly."

Now, Hon'ble Minister, Finance to introduce the Bill.

* **Shri Devananda Konwar (Minister) :** Sir, I beg to introduce the Assam Appropriation (No.I) Bill, 2002.

**Secretary, A.L.A :** The Assam Appropriation (No.I) Bill, 2002.

---

* Speach not corrected

**Mr. Speaker :** Now, item No 5(b). There is a massage from the Governor of Assam Raj Bhawan, Guwahti, March 5, 2002. "Under the provision of Article 207(1) of the constitution of India, I Lt. Gen (Rtd) S.K. Sinha, PVSM Governor of Assam, recommend the introduction of the Assam Appropriation (No.I) Bill 2002 in the Assam Legilative Assembly."

Now, Hon'ble Finance Minister to move.

* **Shri Devananda Konwar (Minister) :** Sir, I beg to move The Assam Appropriation (No.I) Bill, 2002 for consideration of the House.

**Mr. Speaker :** I now put the motion before the House. The motion is that - The Assam Appropriation (No.I) Bill, 2002 be taken into consideration.

Those who are in favour say, "Ayes".

Those who are against say, "Noes".

'Ayes' have 'Ayes' have, 'Ayes' have it. The motion is passed.

Now, item No. 5(c). I now put clauses 2,3 and schedule to the Bill before the House for approval. The question is that - clauses 2,3 and schedule to the Bill do stand part of the Bill.

Those who are in favour say, "Ayes".

Those who are against say, "Noes".

'Ayes' have 'Ayes' have, 'Ayes' have it.

Clause 2,3 and schedule to the Bill do sand from part of the Bill.

Now, put clause1, Enacting formula and short title of the Bill before the House for approval and question is that- clause1, Enacting formula and short title do stand part of the Bill.

Those who are in favour say, "Ayes".

Those who are against say, "Noes".

'Ayes' have 'Ayes' have, 'Ayes' have it.

Clause No. 1, Enacting formula and short title do stand part of the Bill.

---

* Speach not corrected

Item No.5(d). Hon'ble Minister Finance to move.

* **Shri Devananda Konwar *(Minister)* :** Sir, I beg to move the Assam Appropriation No.(I)d. Bill, 2002 be passed.

**Mr Speaker :** I now, put the motion before the House- The motion is that - The Assam Appropriation (No.I) Bill, 2002 be passed.

The motion is passed. The Bill is passed.

The House stands adjournd till 9 a.m. on 7.3.2002.

## ADJOURNMENT

The House then stood adjourned at 1.40 P.M. till 9 AM on Thursday, the 7th March, 2002.

**M.K.Sarma**
Secretary
Assam Legislative Assembly

***Dispur***
The 6th March, 2002

# Annexure-I

## তালিকা

১) সংহত শিশু উন্নয়ন প্ৰকল্প আঁচনিৰ বাবদ

| | | |
|---|---|---|
| (১ ম কিস্তি) | ১৮,২৯,০০,০০০ | টকা |
| (২ য় কিস্তি) | ১৬,৭১,৮২,০০০ | টকা |
| মুঠ | ৩৫,০০,৮২,০০০ | টকা |

২) প্ৰধান মন্ত্ৰী গ্ৰামোদ্যোগ আঁচনিৰ বাবদ

| | | |
|---|---|---|
| (১ ম কিস্তি) | ১৫,০৮,৫০,০০০ | টকা |
| (২ য় কিস্তি) | ১৫,০৮,৫০,০০০ | টকা |
| মুঠ | ৩০,১৭,০০,০০০ | টকা |

৩) ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য্য কাৰ্য্যক্ৰমৰ বাবদ

| | | |
|---|---|---|
| (ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনিত) | ৪,৬২,২১,০০ | টকা |
| (ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনিত) | ১০,১৮,৪৯,০০০ | টকা |
| মুঠ | ১৪,১৮,৭০,০০০ | টকা |

সৰ্বমুঠ ৭৯,৯৮,৫২,০০০ টকা

# Annexure-III

**Statment showing damage of properties etc due to Hail storm occured on 16/1/2002 at Dhubri District**

| SL. No. | Name of affected Village | Family affected damage | Fully House damage | Partially House | No. of families whose crops were damage | Extent of damage |
|---|---|---|---|---|---|---|
| 1. | Baishkhowa Pt.1 | 41 | 9 | 1 | 31 | Rs. 71,500/- |
| 2. | Baishkhowa Pt.II | 186 | 125 | 3 | 58 | Rs. 6,32,700/- |
| 3. | Baishkhowa Pt.III | 137 | 60 | 5 | 72 | Rs. 2,95,500/- |
| 4. | Baishkhowa Pt.IV | 71 | 36 | 1 | 34 | Rs. 83,000/- |
| 5. | Baishkhowa Pt.V | 52 | 35 | - | 17 | Rs. 88,000/- |
| 6. | Khekshially | 178 | 94 | 84 | - | Rs. 1,44,400/- |
| 7. | D.Debattar Hasdaha Pt.V | 251 | 140 | 111 | - | Rs. 3,83,000/- |
| 8. | Pachim Ratiadaha Pt.III | 40 | 25 | 15 | - | Rs. 52,000/- |
| 9. | Pachim Raiadaha Pt No.II | 15 | 15 | - | - | Rs. 26,000/- |
| 10. | Dakhin Tokrercharra Pt. No.IV | 25 | - | 25 | - | Rs. 18,500/- |
| 11. | Debattar Hasda Pt.I | 136 | 127 | - | 9 | Rs. 2,55,000/- |
| 12. | Otherbandh | 13 | 13 | - | - | Rs. 18,000/- |

| | | | | | | |
|---|---|---|---|---|---|---|
| 13. | Dabattar Hasda Pt-III | 19 | 19 | - | - | Rs. 1,04,000/- |
| 14. | Soulmari Pt.II | 10 | 10 | - | - | Rs. 56,000/- |
| 15. | Lahimari Pt-II | 19 | 12 | - | 7 | Rs. 1,00,000/- |
| 16. | Lakhimari Pt-III | 20 | 14 | - | 6 | Rs. 94,000/- |
| 17. | Puhkunari Pt-III | 21 | 1 | 20 | - | Rs. 17,000/- |
| 18. | Batuatoli | 6 | 6 | - | - | Rs. 17,000/- |
| 19. | Balajan | 13 | 13 | - | - | Rs. 17,000/- |
| 20. | D.Raipur Pt-I | 1 | - | - | - | Rs. 500/- |
| 21. | Pub Gaikhowa Pt-II | 15 | 15 | - | - | Rs. 19,000/- |
| 22. | Uchita | 11 | 2 | 9 | - | Rs. 7,500/- |
| 23. | Dimakuri Pt-II | 7 | 4 | 3 | - | Rs. 5,500/- |
| 24. | Pub Gaikhowa Pt-I | 8 | 2 | 6 | - | Rs. 7,500/- |
| 25. | Dakhin Raipur Pt-III | 8 | 8 | - | - | Rs. 11,500/- |
| 26. | Uttar Tokercherra Pt-I | 13 | 13 | - | - | Rs. 56,000/- |
| 27. | Pachim Kunari Pt.III | 20 | 20 | - | - | Rs. 41,000/- |
| 28. | Pachim Ratidaha Pt-IV | 15 | - | 15 | - | Rs. 78,000/- |
| | | 1351 | 810 | 298 | 235 | |
| | Name of Religious Institution and Educational Institution. | | | | | Rs. 1,74,000/- |
| | | | | | Total | Rs.29,04,600/- |

1. Temples 5 nos.
2. Schools 6 nos.

Sd/- Illegible

Deputy Commissioner, Dhubri

## Annexure-IV

"ধেমাজী জিলাৰ আৰণে চাপৰি, পিপলুগুৰি, ভুলুকাচাপৰি, কাৰেং চাপৰি, জিয়াধল নদীৰ বাননিয়ন্ত্ৰনৰ বাবে চৰকাৰে প্ৰস্তুত কৰা আঁচনিৰ নাম আৰু বৰ্ত্তমান পৰ্য্যায়ৰ তালিকা ----।"

| চলিত সামৰ ঠাইৰ নাম | আঁচনিৰ নাম | প্ৰাককলন মূল্য (লাখ) টকা | আঁচনিৰ বৰ্ত্তমানৰ পৰ্য্যয় |
|---|---|---|---|
| (i) আৰনে চাপৰি | R/s to B/dyke from Dizmore to Sonajgaon (3rd R/s) from 14th km. to 23.15 km. including prosiltaticn & A/E measures (Ph I & II Amalgamted) | ৬৩২.৪০ | কেন্দ্ৰীয় জল আয়োগে চিঠি নং 59/Dizmore to Sonarigaon/68-FM-II/700 dt 05-11-01 যোগে অনুমোদন দিছে। বৰ্ত্তমান আঁচনিখন কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ অনুমোদনৰ সপেক্ষাত আছে। |
| (ii) পিপলুগুৰি | R\s to Bldyke from Deorighat to Sisskalghar from 0 to 18th Km. (4th R/s) | ৪৬০.৮০ | কেন্দ্ৰীয় জল আয়োগৰ অনুমোদনৰ বাবে আঁচনিখন চিঠি নং ALE/FC/DH-129/01/2 dt. 6-10-01 যোগে প্ৰেৰণ কৰা হৈছে। |
| (iii) ভূলুকাচাপৰি | Protection of B/dyke from Deorighat to Sissikalghar from the erosion of river Brahmaputra on R/B at 11th Km. (Bhalakaguri area). | ৭২৫.০০ | এই আঁচনিখন ৩০/৯/০১ তাৰিখে অনুষ্ঠিত হোৱা বিশেষ ৩৩তম কাৰিকৰী উপদেষ্টা কমিটিত অনুমোদিত হৈছে। বৰ্ত্তমান আঁচনিখনৰ প্ৰাক্কলন প্ৰস্তুতিৰ কাম চলি আছে। |

| চলিত সামৰ ঠাইৰ নাম | আঁচনিৰ নাম | প্ৰাককলন মুল্য (লাখ) টকা | আঁচনিৰ বৰ্ত্তমানৰ পৰ্য্যয় |
|---|---|---|---|
| (iv) কাৰেং চাপৰি | Protection of Bldyke from Deorighat to Sissikalghar from the erosion of river Brahmaputra on R/B at 10th Km. | ৭২৬.৪০ | কেন্দ্ৰীয় জল আয়োগৰ অনুমোদনৰ বাবে আঁচনিখন চিঠি নং ACE/FC/DH-134/2001/2 dt. 23-11-01 যোগে প্ৰেৰণ কৰা হৈছে। |
| | (Near Kareng chapori area) | | |
| (v) জীয়া নদীৰ বান প্ৰতিৰোধৰ বাবে | (a) Controlling of juadhal river in Dhemaji District. Ph-I | ৬০৭.৮৩ | এই আঁচনিখনৰ প্ৰাক্কলন যুগুতাই ব্ৰহ্মপুত্ৰ বৰ্ডলৈ প্ৰেৰন কৰা হৈছে। বৰ্ত্তমান ব্ৰহ্মপুত্ৰ বৰ্ড ৰ অধীনত আঁচনি দুখনৰ আৰ্হি পৰীক্ষাৰ (Model Study) কাম চলি আছে। |
| | (b) Controlling of jadhal river in Dhemaji District Ph-II | ১১৮১.৮০ | |

## Annexure-V

"লক্ষীমপুৰ জিলাৰ ঢকুৱাখানা মহকুমাৰ, ব্ৰহ্মপুত্ৰ মাতমৰা গড়াখহনীয়া প্ৰতিৰোধ আৰু মঠাউৰী নিৰ্মানৰ বাবে চৰকাৰে হাতত লোৱা আঁচনিসমূহৰ তালিকা।"

| ক্ৰমিক নং | আঁচনিৰ নাম | প্ৰাককলন মুল্য (লাখ) টকা | আঁচনিৰ বৰ্ত্তমানৰ পৰ্য্যয় |
|---|---|---|---|
| (১) | Protection of Matmara area including Dlakuakhana town form erosion of river Brahmaputra Ph-I (constn. of Bull heads) | ৫৯৮.৬১ | কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ চিঠি নং যোগে এই আঁচনিখন অনুমোদিত হৈছে আৰু ৫৯৮.৬১ লাখ টকাৰ প্ৰশাসনীয় অনুমোদনত লাভ কৰে। |
| (২) | Protection of Matmara area including Dlakuakhana town form erosion of river Brahmaputra. Ph-II (Construction of Bull heads and Lnad spur) | ৫৪১.৭০ | কেন্দ্ৰীয় পৰিকল্পনা আয়োগৰ চিঠি নং যোগে এই আঁচনিখন অনুমোদিত হৈছে। |
| (৩) | Protection of B/dyke from Sissikalghar to Tekeliphuta (Bandana and its adjoining area) aganinst the erosion of river Brahmaputra at 10th Km. to 18th | ৫৬৪.০৫ | কেন্দ্ৰীয় জল আয়োগৰ অনুমোদনৰ বাবে আঁচনিৰখনৰ প্ৰাক্কলন প্ৰস্তুত কৰি চিঠি নং যোগে প্ৰেৰণ কৰা হৈছে। |

| ক্ৰমিক নং | আঁচনিৰ নাম | প্ৰাককলন মুল্য (লাখ) টকা | আঁচনিৰ বৰ্ত্তমানৰ পৰ্য্যয় |
|---|---|---|---|
| | Km. (Constn. of Bull heads and Land spur.) | | |
| (৪) | Protection of B/dyke from Sissikalghar to Tekeliphuta (Latasur and adjoining area) aganinst the erosion of river Brahmaputra at 7th Km. to 10th Km. (Constn. of Land spur.) | ৬৮৬.৭৫ | এই আঁচনিখন ৩০/০৯/০১ তাৰিখে অনুষ্ঠিত হোৱা বিশেষ ৩৩তম কাৰিকৰী উপদেষ্টা কমিটিত অনুমোদিত হৈছে। বৰ্ত্তমান আঁচনিখনৰ প্ৰাক্কলন প্ৰস্তুতিৰ কাম চলি আছে। |
| (৫) | A/E measures including widening of embankment in between 23rd to 27th Km. of B/dyke form Sissikalghar to Tekeliphuta. | ৩৪৪.৫৪ | এই আঁচনিখন ৩০/০৯/০১ তাৰিখে অনুষ্ঠিত হোৱা বিশেষ ৩৩তম কাৰিকৰী উপদেষ্টা কমিটিত অনুমোদিত হৈছে। বৰ্ত্তমান আঁচনিখনৰ প্ৰাক্কলন প্ৰস্তুতিৰ কাম প্ৰায় সম্পূৰ্ন্ন হোৱাৰ পথত আৰু অনতিপলমে কাৰিকৰী অনুমোদনৰ বাবে কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰন কৰা হব। |

## Annexure-VI

**The names, address, occupation and designation of the present members of the Executive Committee are :-**

| Name in full | Address & occupation | Designation |
|---|---|---|
| 1. Dr. Jayaree Goswami Mahanta | Lecturer Cotton College & Gauhati University, Dispur, Guwahati-6 | Chairperson |
| 2. Shri Gautam Sharma | Uzanbazar, Guwahati-1 Journalist. | Vicc-Chairman |
| 3. Shri Ratul Bora | Hoiborgaon, Nagaon Lecturer, A.D.P. College | Vice-Chairman |
| 4. Shri Ajit Bora | Panigaon, Nagaon Social Worker. | General Secretary |
| 5. Shri Nripen Mahanta | Kuthori, Dist. Nagaon Social Worker | Asstt. Cenl. Secretary. |
| 6. Shri Sarat Khound | Panigaon, Nagaon Advocate | Treasurer |
| 7. Shri Nabajyoti Ojha | Dhekiajuli, Ward No.10, Dist. Sonitpur, Service. | Office Secretary |
| 8. Shri Sourav Chaliha | Phukan Nagar, Sibsagar Business | Executive Member |
| 9. Shri Nurul Amin Baskhi | Thana Road, Nagaon Business | Executive Member |
| 10. Ms. Jenis Darbari | New Delhi, Social Worker | - do - |